# ফাগুনৰ শেষ হাঁহি

চৈয়দ আব্দুল মালিক

DIRECTORATE OF LIBRARY
ASSAM, GUWAHATI

অঞ্চিতা প্ৰকাশন
পঙ্কৰটা : মালৌ আলি,
যোৰহাট—৭৮৫০০১

# FAGUNAR SHESH HANHI
**An Assamese Novel by**
**Syed Abdul Malik**

প্ৰথম তাঙৰণ—মাৰ্চ্চ, ১৯৮৪

মূল্য ১৫'০০ টকা

Price Rs. 15·00

প্ৰকাশিকা : শ্ৰীমতী যূথিকা ফুকন
অৰ্চ্চিতা প্ৰকাশন,
পঞ্চৱটী, মালৌ আলি,
যোৰহাট—৭৮৫০০১

প্ৰচ্ছদ : শ্ৰীমাধৱ বৈশ্য

অনিন্দিতা প্ৰিণ্টাৰ্চ এণ্ড ফাউণ্ড্ৰী ওৱৰ্কচ, পঞ্চৱটী, মালৌ আলি
যোৰহাট—৭৮৫০০১ৰ পৰা শ্ৰীৰাধাশ্যাম ঘোষৰ দ্বাৰা মুদ্ৰিত।

মৰমৰ জিনাইদা

আৰু

নাজিমৰ হাতত

—আব্বা।

অতীতটোক অলকাৰ এটা কৰ্কচ শব্দ যেন লাগিল।

অলকাৰ কাৰণে অতীত মানে মামৰে-খোৱা পুৰণি ষ্টীলৰ ট্ৰাঙ্ক কেইটা, গোমেহা গধুৰ, অকলে দাঙিব নোৱাৰা, স্থবিৰ, ৰং-এৰোৱা বাকচ কেইটা, তাৰ ভিতৰত চেপা খাই পৰা বস্তুবোৰ-কাপোৰ-কানি, কাগজ-পত্ৰ, এলবাম, চিঠি-পত্ৰ আৰু যতমানে পেলাই দিব নোৱাৰা বস্তু।

আৰু অতীত মানে পুৰণি, মাজে মাজে ঘূণে খোৱা, কজা ঢিলা হোৱা ৱাৰ্ডৰ'বটো, তাৰ ভিতৰৰ নতুন পুৰণি, নানা বৰণৰ, নানা ধৰণৰ, সাজ-পোচাকবোৰ, চেন্দাৰ কেইডাল, এফালে জাপি থোৱা গৰম চাদৰ, শ্বাল কেইখন আৰু এনেই চাবি মাৰি বন্ধ কৰি থোৱা ভিতৰৰ অলঙ্কাৰ পাতি থোৱা ড্ৰৱাৰটো যাৰ ভিতৰত এতিয়া হয়তো কেইটামান চেক বুকৰ কাউণ্টাৰফইলৰ বাহিৰে আৰু একো নাই।

আৰু অতীত মানে—চাৰি ফুট ওখ, তুফুট বহল, দামী কাঠৰ ফ্ৰেম লগোৱা এই বেলজিয়ান আইনাৰ 'মিৰৰখন'। বন্ধুৰ দৰে, প্ৰহৰীৰ দৰে, লৰচৰ নকৰাকৈ সদায় অলকাক সন্মুখত পাবৰ কাৰণে প্ৰতীক্ষা কৰি থিয় হৈ থাকে। মাজে মাজে এই বিশ্বস্ত দাপোন খনক অলকাৰ বৰ আপোন যেন লাগে যদিও, মাজে মাজে এক বিশ্বাসঘাতক, নিৰ্দয় প্ৰতিদ্বন্দ্বী যেন লাগে নিজে অকণো সলনি নহৈ, অলকাৰ ক্ষণে ক্ষণে, তিলে তিলে সলনি হৈ থকাৰ সাক্ষী

হিচাপে যেন অলকা এদিন নোহোৱা হৈ যাবৰ কাৰণেই ব্যগ্র হৈ খিয় দি ৰৈ আছে, এই পুৰণি আইনাখন।

এসময়ত অলকাৰ কাৰণে এই দাপোনখনতকৈ আপোন আৰু বিশ্বস্ত কোনো নাছিল, যাৰ সন্মুখত ৰৈ অলকাই নিজকে কৈছিল-চাৰিওফালে এনেকুৱা আইনাৰে সজা এটা চীচ-মহলৰ মাজত সোমাই থাকি নিজকে কেউফালৰ পৰা অপলক চাই থাকিব পৰা হলে।

আজিকালি কিন্তু এই আইনাখনক অলকাৰ এটা নিষ্ঠুৰ, সহানুভূতিহীন শত্রু যেন লাগে-যি অলকাৰ দুৰ্দ্দশাৰ প্ৰতি আঙুলিয়াই যেন উল্লসিত হৈ গোপনে হাঁহিছে।

আৰু অতীত মানে—

মনলৈ আহিলেও অস্বস্তি লাগে—অতীত মানে এই চল্লিশ বছৰৰ আগতে সজোৱা ঘৰটো, লাখ লাখ ইটা জাপি, ১৬ ইঞ্চি ডাঠ বেৰেৰে, বিৰাট বিৰাট ইটাৰ খুটাৰে, সৰু সৰু খিৰিকি আৰু ডাঙৰ ডাঙৰ দুৱাৰেৰে, এই বিয়াগোম পকা দালানটো। দুৱাৰবোৰৰ তলভাগ কাঠৰ ওপৰভাগ আইনাৰ; আইনা প্ৰায়বোৰ ভাগিছে। কিছুমান ভগা আইনাৰ টুকুৰা এতিয়াও নগৈ ফ্ৰেমত লাগি আছে। বেৰবোৰৰ প্লাষ্টাৰ এৰাই, ভিতৰৰ খুৰখুৰীয়া হোৱা ইটাৰ শেঁতা-ৰঙা ৰং ওলাই পৰিছে। অভিনয়ৰ শেষত মুখৰ মেক্-আপৰ ঘামি-জামি নোহোৱা হোৱা চিতখা-পথৰা অৱশিষ্টখিনিৰ দৰে।

বাৰীৰ বেঁকা হৈ যোৱা, গা-গছ ভাগ পোকে খোৱা, পাত শুকাই যোৱা, গুটি নলগা নাৰিকল পাঁচ জোপা (প্ৰায় ২৫৷৩০ জোপাৰ সেই কেইজোপা আছেগৈ, বাকীবোৰ মৰি খৰি হ'ল), আলৰ বুঢ়া, হটঙা শেৱালী তিনিজোপা, যাৰ ডাল পাতবোৰো শুকাই ওলমি ভাগি পৰিছে, চিমেণ্টৰ চামনি এৰাই যোৱা পকা খটখটিৰ

ছয়োফালৰ মানুহ বহিৰ পৰাকৈ সজা ওখ পকা বেঞ্চ ছুখন সুৰুলো অলকাৰ কাৰণে এক অসহ্য, ঘিণ-লগা অতীত, যাৰ বিৰুদ্ধে যুজি জয়ী হ'ব পৰাৰ কোনো সম্ভাৱনা নাই বুলি বুজি অলকাৰ নিজকে একান্ত অসহায় যেন লাগে ।

এক অসহ্য বিড়ম্বনা !

চাৰিও ফালৰ গোটেই পৃথিবীখন স্ব-ইচ্ছাৰে, আনন্দমনেৰে পুৰণি হৈ গৈছে, অতীত হবৰ কাৰণে ঢপলিয়াই গৈছে, যেন তাৰ বাহিৰে অন্য কৰিবলগীয়া কাম এই মূৰ্খ পৃথিবীখনৰ আৰু একো নাই । আৰু যেন অলকাৰ কোনো-কাহানিও পুৰণি হৈ নেযাবৰ কাৰণে কৰা প্ৰাণান্তক চেষ্টাক ব্যৰ্থ কৰি উপহাস কৰিবৰ কাৰণেই যত্ন কৰিছে এই জঠৰ, স্পন্দনহীন পৃথিবীখনে ।

অলকাৰ ডিঙিটো শুকাই যোৱা যেন লাগিল । কিন্তু অলপ পৰৰ আগতে মাথোন অলকাই চাহ খাইছিল ।

'কণপাই'—অলকাই সৰুকৈ মাতিলে । মাতটো ইমান সৰু আছিল যে অলকাই নিজেই শুনিলে । দ্বিতীয়বাৰ মাতিবলৈ অলকাৰ অলপ এলাহ লাগিল । মাতিলেই খৰধৰকৈ ভিতৰৰ পৰা ওলাই আহি কণপায়ে সুধিব, "মোক মাতিছিলানেকি জেঠাইদেউ ?"

এই 'জেঠাইদেউ' 'জেঠাইদেউ' কৰি থকাৰ কাৰণে কেইবা-বাৰো অলকাই কণপাইক খেদাই দিয়াৰ কথা ভাবিছে, কিন্তু সতকাই ভাল বান্ধনি ল'ৰা এটা পোৱা নেযায়, আৰু কণপাইৰ সাৰু সোণ-ভৰাক কৈ মেলিহে অলকাই লৰাটো পাইছে । সোণভৰা অলকাতকৈ কেইবা বছৰৰো সৰু । সি জেঠাইদেউ বুলি আৰু কি বুলি অলকাক মাতিব ? কিন্তু অলকাৰ মনত লাগে যেন জেঠাইদেউ মানে কুমৰ চুলিবোৰ পকা, কেইটামান দাঁত সৰা, গাল চকু সোমোৱা, পতছিওৰা

তামোল পকতিয়াই থকা, পাতলিফটা মেখেলা পিন্ধা এজনী বুঢ়ী মানুহ। মাকতকৈ বয়সত ডাঙৰ হলেই অলকা কণপাহঁৰ জেঠায়েক হব লাগে কিয় ? এইটো সম্বোধনেৰে মাতি কণপাহেঁ অলকাকো অতীতৰ এটা প্ৰাচীন বস্তু কৰি পেলাবৰ ষড়যন্ত্ৰ কৰিছেনেকি বাৰু ?

এইটো ঘৰলৈ অলকাৰ অহাৰ আজি সাত মাহেই হ'ল। ঘৰে মাটিয়ে অলকাই পাইছে। দখল লবৰ কাৰণে, আগে থকা ভাড়া ঘৰটো এৰি অলকা ইয়ালৈ গুচি আহিছিল সাত মাহৰ আগতে। এটা স্থাবৰ সম্পত্তিৰ অধিকাৰী হোৱাৰ গৰ্ব আৰু আনন্দ অলকাই প্ৰথমে অনুভৱ কৰিছিল। নগৰৰ একাষৰ এই প্ৰকাণ্ড বাৰীখনৰ ভিতৰৰ প্ৰকাণ্ড দালানটো-তাৰ অৱিসম্বাদী মালিক হব পৰাটো নিশ্চয় গৰ্ব আৰু আনন্দৰ কথা। নিজে সেইদৰে অনুভৱ কৰাই নহয়, আনেও আহি অলকাক সেইদৰে কৈছিল। আনকি কোনো-কোনোৱে সামান্য ঈৰ্ষা কৰা যেনো লাগিছিল-অলকাৰ সৌভাগ্য দেখি।

কিন্তু ক্ৰমে মানুহ অহা পাতলি আহিল। আৰু আহিলেও ঘৰ বাৰীৰ কথা নকৈ, মানুহবোৰ অন্য কথাৰ আলোচনা কৰিবৰ কাৰণেহে অহা হ'ল। ক্ৰমে এই ঘৰবাৰীৰ কথা উলিয়াবলৈ অলকাৰ নিজৰে সংকোচ লাগিব ধৰিলে। এটা পুৰণি, অচল ধ্যান ধাৰণা নেথাকিলে এনেকুৱা পুৰণি ঘৰবাৰীৰ গৰাকী হৈ আজিকালিৰ কোনো মানুহ তৃপ্ত হব নোৱাৰে।

ঘৰটো এনা পৰলীয়া হৈ আছিল। ইয়াৰ মালিকী স্বত্ব লৈ মোকৰ্দ্দমা চলি আছিল। বিয়া হৈ কেইবছৰমান থকাৰ পিছতে স্বামীৰ লগত এৰাএৰি হৈ পৰা একমাত্ৰ ভিৰোতাই পিতৃয়ে ত্যাজ্যপুত্ৰ কৰা স্বামীৰ সম্পত্তি পাব পাৰেনে নোৱাৰে, সেই লৈ কে'চ চলিছিল। কিন্তু কে'চ চলি থকাৰ মাজতে অলকাৰ স্বামীৰ হঠাৎ মৃত্যু হোৱাৰ

কাৰণে, আৰু পৰিয়ালৰ অন্যান্যই দাবী এৰি দিয়াৰ কাৰণে, আদালতে ঘৰবাৰী অলকাকে দিলে। জয় হ'ল নে পৰাজয় হ'ল অলকাই ঠিক বুজিব নোৱাৰিলে। প্ৰথমে জয় হোৱা যেনেই লাগিছিল, কিন্তু ক্ৰমে অলকাৰ মনত লাগিব ধৰিলে যেন অলকাক পুতৌ কৰিবৰ কাৰণেহে স্বামী পক্ষৰ লোক সকলে দাবী এৰি দিলে। ভাড়া ঘৰৰ পৰা (তাতেই অলকা ভালেমান বছৰ আছিল), বাকচ-পত্ৰ, সা সৰঞ্জাম সকলো আনি এই পুৰণি দালানটোত সুমুৱালেহি। ভাড়া ঘৰত বস্তু-বাহানিবোৰ থবলৈ ঠাইৰ নাটনি হৈছিল। কিন্তু ইয়াত ইমান বেছি খালি ঠাই পৰি আছে যে অলকাৰ অন্তৰৰ সম্পত্তি তেনেই তাকৰ আৰু নগন্য যেন লাগিছিল।

কেইবাটাও কোঠালি এনেয়ে পৰি আছে। দুটামানত তলা মৰা আছে, তাৰ চাবিনো কাৰ ওচৰত আছে অলকাই বিচৰা নাই, বিচৰাৰ দৰকাৰো উপলব্ধি কৰা নাই। বন্ধ আছে, আছেই। এনেকুৱা পুৰণি ধৰণৰ ঘৰ মানুহে ভাড়াও নলয় আৰু যাকে-তাকে ভাড়াটিয়া সুমুৱাই লবও নোৱাৰি; কোন কেনেকুৱা মানুহ ক'বতো নোৱাৰি। মানুহক চিনি পাবলৈ আৰু অলকাৰ বাকী নাই। কিন্তু এই প্ৰাচীন ঘৰটোত কেৱল কণপাইক লৈ মানুহ অকলে কিমান দিন থাকিব পাৰে ?

বাকচ-পত্ৰ, ৱাৰ্ড্ৰ'ব, আলমাৰী, চকী-মেজ-মিৰৰ, বুকচে'লফ,- এই নিৰ্বাক, পুৰণি, অচেতন, অপদাৰ্থ বস্তুবোৰৰ মাজত সোমাই অলকাৰ নিজকো ক্ৰেতিয়াবা সিইঁতৰ নিচিনাই পুৰণি যেন লাগি যায়। তেতিয়া অলকাৰ ভিতৰলৈ সোমাবলৈ ভয় লাগে, মিৰৰখনৰ সন্মুখলৈ যাবলৈ ভয় লাগে, ৱাৰ্ড্ৰ'বটো খুলি, তাত থকা কিছুমান কাপোৰ-কানি জাপ ভাঙি খুলি চাবলৈ ভয় লাগি যায়।

সৰু মেজখনৰ ওপৰত পৰি থকা চিঠিখন হাতলৈ লৈ অলকাই

অলপ পৰ এনেয়ে চাই থাকিল। ইতিমধ্যে সেই সকলো চিঠিখন তিনিবাৰ পঢ়া হৈ গৈছে। বিশেষ অৰ্থপূৰ্ণ নহলেও চিঠিখন তাৎপৰ্য্যপূৰ্ণ। কথা তাকৰ, কিন্তু সেই কথাখিনিৰে যদি কিবা সঁচা গুৰুত্ব আছে, তেন্তে অলকাই ক'ব লাগিব যে এনেকুৱা এখন চিঠি তেওঁ জীৱনত কোনো কাহানিও পোৱাই নাছিল। অলকাৰ ভাবি আচৰিত লাগিলে এনেকুৱা এখন চিঠি নোপোৱাকৈ তেওঁৰ নিচিনা এজনী ছোৱালীয়ে জীৱনৰ ৩৪ টা বিচিত্ৰ বছৰ কেনেকৈ পাৰ কৰি দিলে। আমাক যি সময়ত যি, যি কথা ক'ব লাগে, সেই সময়ত, সি, সেই কথা কৈ নিদিয়াৰ কাৰণেই জীৱনৰ গতি অভাৱনীয় ভাৱে ওলটপালট হৈ যায়। কিন্তু জীৱনত আমি শুনিবলৈ বাট চাই থকা কথাষাৰ কেতিয়া কোন মুহূৰ্ত্তত কোনে কৈ দিয়ে আমিতো নেজানো।

তথাপি—
তথাপি—

অলকা কিছু ভাৱপ্ৰৱণ হৈ পৰিল। চিঠিখন আকৌ এবাৰ পঢ়ো বুলিও নপঢ়াকৈ থাকিল।

কণপাই আহি কাষত থিয় হ'লহি। প্ৰথমে অলকাই তাৰ ফালে নেচালে। তাৰ পিছত এবাৰ তাৰ ফালে চালে। তাক যেন চিনিবই নোৱাৰিলে।

—জেঠাইদেউ !

অলকাই নেমাতিলে।

" আলহী যদি আহে বজাৰ এতিয়াই কৰি আনোগৈ নেকি ?" কণপায়ে সুধিলে।

" হোঁ—আলহী—বজাৰ—এতিয়াই—?"

এইবাৰ "কণপায়ে কলে, "আজি কোনোবা আলহী অহাৰ কথা নাই জানো ?" " তই পাৰিবি জানো ?"

"কি কি আনিব লাগিবনো ?"

"বহুত কিবাকিবি। তই বাক মোলৈ পানী এগিলাচ আনচোন— ।"

" খাব ? "

" নেখাই মুখত ল'মনেকি ? "

" ঠাণ্ডা আনিম নে গৰম ?

" হোঁ ? "

" আজিকালি ঠাণ্ডা পানী খালে চৰ্দি লাগিব পাৰে। "

কণপাই নে কোনোবা ডাক্তৰ উৎপল চৌধুৰী ?

অলপ পৰৰ আগতে যে অলকাৰ পিয়াহ লাগিছিল, এতিয়া নলগা যেন লাগিল। " ওঁ, তই তেনেহলে বজাৰলৈকে যা। পিছে বহুত বস্তু আনিলেই নহয়, বহুত বস্তু বনাবও লাগিব। পাৰিবি জানো ? "

" আলহীয়ে বা কি খায় নেখায়। "

" তই বনাব পাৰিলেই হ'ল। কোনে কি খায় নেখায় সেই কথা তোক নেলাগে। "

" নোখোৱা বস্তু বনালেনো কি লাভ হ'ব ? "

অলকাই একো নকলে।

আজি সন্ধিয়া এজন মানুহ আহিব। তেওঁ আজি ইয়াতে থাকিব। অকল আজিয়েই নহয়, হয়তো বহুত দিন থাকিব। তেওঁ কি খায় নেখায় জানিবৰ বহুত সময় পোৱা যাব। আজি মাত্ৰ আজিৰ কথা।

বস্তুৰ তালিকা আৰু টকা দি অলকাই কণপাইক বজাৰলৈ পঠিয়ালে। হয়তো আজি ৰাতিৰ কাৰণে একজিকিউটিভ ইঞ্জিনিয়াৰ কাইজ আহমদৰ বাঙ্কনিটোকে মতাই আনিব লাগিব। সি ৰান্ধে ভাল।

মই বান্ধনিশালত সোমাব লাগিলে তেওঁৰ লগত কথা-বতৰা পাতিব কোনে? আৰু মইয়েই বা বন্ধা-বঢ়া জানো কিমান?

বাথৰুমটো চাবলৈ ভাল। গোটেই পকী কোঠালিয়েই। কিন্তু 'ছাৱাৰ' নাই। কাষপাশে বালটি দুটাত ভৰালটি পানী আনি থৈছে। আৰু পকা চৌবাচ্চাটোতো পানী ভৰাই থৈছে। ছাৱাৰৰ তলত নিজকে এৰি দি বহুত পৰে গা ধুই থাকিবৰ মন গৈছিল অলকাৰ। কিন্তু পানী মাত্ৰ দুবালটি। এতিয়া সৰু পিৰা খনত বহি লৈ নাইবা বাথৰুমৰ মজিয়াত আঠুকাঢ়ি লৈ এজনী বুঢ়ী মানুহে ধোৱাদি কোনোমতে গাটো ধুব লাগিব। নিয়মটোহে কৰা হ'ব, গা ধোৱা নহ'ব।

যোৱা সাত মাহে অলকাই এই বাথৰুমটো ভঙাই পেলাই অতি আধুনিক ধৰণৰ এটা বাথৰুম সজোৱাৰ কথা গা-ধুবলৈ আহিলেই সদায় ভাবে, কিন্তু সেই বিষয়ে আজিলৈকে একো কৰা হৈ উঠাগৈ নাই।

গা এতিয়াই ধুবনে কিছু পিছত ধুব এবাৰ অলকাই চিন্তা কৰিলে। ঘৰটো বৰ অপৰিপাটি হৈ আছে। ঘৰ লওঁতে বস্তুবোৰ আনি য'ত যেনেকৈ থৈছিল তেনেকৈয়ে পৰি আছে। এবাৰ সাধাৰণ ভাবে ভিতৰলৈ চাই তেওঁ দেখিলে, মাইকী মানুহ থকাহে নেলাগে, এজন মতা মানুহ থকা ঘৰো ইমান বেচিজিল আৰু খিচিং-খাচাং হৈ নেথাকে। ভিতৰৰ বেৰবোৰ ইমান বেয়া হৈ আছে যে সেই-বোৰ বেৰত ফটো এখনো আঁৰি থবৰ উপায় নাই। অথচ অলকাৰ দুই তিনিটামান বাকচত অকল বন্ধোৱা নবন্ধোৱা ফটোৰেই আছে, সেইবোৰ যে কত কাল বাকচতে সোমাই আছে! বহুবাৰ তেওঁ সেই ফটোবোৰ অদৰকাৰী বুলি ভাবিবৰ চেষ্টা কৰিছে, কিন্তু আজিও তেওঁ সেইবোৰ পেলাই দিব পৰা নাই। য'লৈকে গৈছে, য'তে আছে তালৈকে ফটো ভৰাই থোৱা বাকচ কেইটা লৈ ফুৰাইছে। অলকাৰ

সময়ৰ অভাৱ নাই । ফটোবোৰ চাই দিনৰ পিছত দিন কটাই দিব পাৰে । কিন্তু ওঁহো, সেইবোৰত আছে আমনি-লগা অতীতৰ স্বাক্ষৰ; একোটা সময়ৰ, একোটা দিনৰ, একোটা মুহূৰ্ত্তৰ মচ-নোখোৱা স্মৃতি-লেখা । আজিৰ কাৰণে তেনেই অদৰকাৰী, সেইবোৰ অতীত যি অতীতৰ লগত সকলো সম্পৰ্ক চিঙি পেলাবৰ যত্ন কৰিও অলকাই আজিও পৰা নাই ।

বহল ড্ৰয়িংৰুমটোত থকা পুৰণি ধৰণৰ চ'ফা চকীবোৰ হয়তো ঘৰটোৰ লগত মিলিছে, কিন্তু আজিৰ আধুনিক মনৰ অধিকাৰী অলকা চৌধুৰীৰ লগত অকণো নিমিলে । এখন পথাৰৰ মাজত কিছুমান মৰা শ পৰি থকাদি চকী মেজবোৰ পৰি আছে । তাৰ মাজেদিয়ে নিতৌ তেওঁ অহাযোৱা কৰে, কিন্তু কোনো দিন সিহঁতক মৰমৰ চকুৰে চোৱা নাই । এই চ'ফা চকীবোৰ ক'ৰবাত বেচি দি, বা কাবোবাক দি দি, নতুন ডিজাইনৰ এটা বা দুটা চে'ট কৰোৱাৰ কথা অলকাই মাজে মাজে ভাবে ; কিন্তু—

এই পুৰণি ঘৰটোৰ হাবুঙীয়া ড্ৰয়িং ৰুমটোত আধুনিক ডিজাইনৰ নতুনকৈ ৰং দিয়া চকী মেজ খাপ খাব জানো ?

কণপাই বজাৰ কৰি আহক । এই যে বজাৰ কৰিবলৈ গ'ল, সিতো দুঘণ্টাৰ আগতে নোলটে । তাৰ চিনাকী বন্ধু বান্ধৱৰ লগত কথা বতৰা পাতি, চাহ তামোল, বিড়ি-চিগাৰেট খাই, হয়তো লগ পায় যদি কিবা ছবিৰ মেটিনি শ' চাই সি ওভাবহি । এইখিনি সময়ত অসহায়ভাবে ভিতৰ বাহিৰ কৰি সময় কটোৱাৰ বাহিৰে অলকাৰ অন্য একো কৰিবৰ উপাই নাই ।

বৰ গধুৰ, পুৰণি সময় ।

চিঠিখন পাবৰ আজি ৪ দিন হ'ল । কিন্তু বহুত দিন হোৱা

যেন লাগিছে অলকাৰ। প্ৰথমে তেওঁ চিঠিখনত বিশেষ গুৰুত্ব দিয়া নাছিল, পঢ়ি শেষ কৰি মেজলৈ দলি মাৰি থৈ দিছিল। কিন্তু পিছ দিনা আকৌ যেতিয়া চিঠিখন পঢ়িলে, সেই দিনা হঠাৎ তেওঁ আবিষ্কাৰ কৰিলে যে এই চিঠিখন এনেদৰে পেলাই দিব লগীয়া চিঠি নহয়। তেওঁ ভাবিয়ে নেপালে এনেকুৱা এখন চিঠি নোপোৱাকৈ তেওঁ অতদিন কেনেকৈ আছিল, কেনেকৈ থাকিব পাৰিছিল।

কেতিয়াবা অভাবনীয় এখন সৰু চিঠিও যে কিমান ৰহস্যঘন মধুৰতাৰে উজ্জ্বল হৈ উঠিব পাৰে। ঠিক যি সময়ত মই ভাবিবলৈ আৰম্ভ কৰিছিলো যে মোৰ চৌদিশৰ অকৃতজ্ঞ জগতখনে মোৰ কথা অকণো মনত ৰখা নাই, মোক পাহৰি যাবৰ যত্ন কৰিছে, মোক তেনেই পাহৰি গৈছে, ঠিক সেই সময়তে এনেকুৱা এখন চিঠি পোৱাটো এক অবিশ্বাস্য কথা, অভাৱনীয় কথা।

হয়তো এনে এটা উপলব্ধিৰ কাৰণেই যোৱা তিনিটা দিন অলকাৰ নিজকে বৰ নতুন যেন লাগিছে, আৰু ঘৰ দুৱাৰ, বাৰী ঘৰ সকলোবোৰ বৰ পুৰণি পুৰণি লাগিছে। লগতে আৰু এটা কথাৰ উপলব্ধি হোৱা যেন লাগিছে, যেন অলকাৰ কিবা এক বুজিব নোৱাৰা কাৰণত নিজলৈকে মৰম লাগিছে।

এবাৰ খটখটিয়েদি তললৈ নামি গৈ অলকাই পদুলিমুখৰ ফালে চালে। মানুহবোৰে অহাযোৱা কৰিছে, কিন্তু সেইবোৰ ক'ৰবাৰ পৰা ক'ৰবালৈ যোৱা নিৰ্বিশেষ অচিনাকী মানুহ। কোনো এখন মুখো তেওঁৰ চিনাকি যেন নেলাগিল। কিছুপৰ এনেয়ে বৈ থাকি অলকা ভিতৰলৈ সোমাই আহিল।

অৰ্গল লগাই তেওঁ আগফালৰ দুৱাৰখন বন্ধ কৰিলে। হাতৰ পৰা সোলোকাই থোৱা সৰু ঘড়িটোত সময়টো চালে— এঘাৰ বাজি

গৈছে। গা ধুবলৈ বাথৰুমত সোমোৱাৰ আগতে কৰো বুলিলে কিবা-কিবি কিছু কাম কৰিব পাৰি, কোঠালিবোৰ কিছু চিজিল কৰিব পাৰি, বেৰৰ মকৰাজালবোৰ গুচাব পাৰি, বাকচৰ পৰা উলিয়াই ছখনমান ভাল ফটো, নাইবা এটা এৰাবাম মেজৰ ওপৰত থব পাৰি, অৰ্গেনটোৰ ঢাকনীখনৰ ওপৰত পৰি থকা ধূলিবোৰ জাৰি জোকাৰি মোহাৰি তাৰ ওপৰত এখন এম্ব্ৰইডাৰী কৰা ঢাকনী কাপোৰ পাৰি থব পাৰি, ফুলদানীত কাহানিবাৰে পৰা লাগি থকা শুকাই যোৱা ফুল পাতবোৰ পেলাই দি, অন্য ফুল--কিন্তু অন্য ফুল ক'ত পোৱা যাব? ঘৰৰ আগৰ ফুলনীখনতো কাহানিবাই নোহোৱা হ'ল।

সকলো উদ্যম নোহোৱা হৈ যোৱা যেন লাগিল অলকাৰ। এসময়ত তেওঁ যে ফুল খুব ভাল পাইছিল, এসময়ত তেওঁ যে ঘৰৰ ভিতৰ-বাহিৰ সজাই পৰাই আটোমটোকাৰিকৈ ৰাখি বৰ ভাল পাইছিল – সেই কথা তেওঁ যেন পাহৰিয়েই গৈছিল।

অতীতটো এটা চোৰ, এটা ডকাইত সি আমাৰ পৰা এটা এটাকৈ চুৰ কৰি নিয়ে, ডকাইতি কৰি নিয়ে, আমাক নিঃস্ব কৰে, সৰ্ব্বস্বান্ত কৰে, ৰিক্ত কৰে। যি আমাক সকলো দি সকলো কাঢ়ি নিব পাৰে, তাতকৈ ডাঙৰ শত্ৰু আমাৰ আৰু কোন হ'ব পাৰে?

শাৰীখন বিচনালৈ দলি মাৰি থৈ, ব্লাউজটো কিছু লাহে লাহে খুলি, অলকা অন্যদিনাৰ দৰেই একো নভবাকৈয়ে মিৰৰখনৰ আগত থিয় হ'লগৈ।

অলপ পৰ নিজৰ প্ৰতিবিম্বটোলৈ চাই থাকি তেওঁ অনুভৱ কৰিলে যে অতীতে তেওঁৰ সকলো ঐশ্বৰ্য্য শেষ কৰি লুটি নিব পৰা নাই। গাৰ কোমল, মিহি, বগা চাল, য'ত হুটামান তিলৰ বাহিৰে অন্য কোনো দাগ নাই, সামান্য সৰু হৈ যোৱা, সামান্য তললৈ নামি

যোৱা পুৰঠ আৰু ধুনীয়া বুকু দুটাৰ মাজৰ অলপ বেছি বগা হৈ থকা খালভোখৰ, কাবলতিৰ ওচৰৰ মঙহাল বাহু দুটাৰ অলপ নীলাভ সিৰবোৰ — অতীতৰ চোৰাং হাতে তাতো নখ বহুৱাব পৰা নাই।

কথাখিনি উপলব্ধি কৰি অলকাৰ কিছু সময়ৰ আগৰ উদাসীনতা আৰু বিমৰ্ষতাখিনি নোহোৱা হৈ যোৱা যেন লাগিল। তেওঁ অনুভৱ কৰিলে, এতিয়াও তেওঁৰ পৰাজয় হোৱা নাই। তেওঁৰ দেহাৰ প্ৰতিটো অঙ্গত অম্লান, অক্ষত যৌৱনৰ উচ্ছলতা আজিও আছে, মুৰৰ চুলি আগৰ নিচিনাই কিচ্‌ কিচ্‌ কৰে ক'লা হৈ আছে, চকুৰ চেলাউৰি আগৰ দৰেই ধেনুভিৰ্বীয়া হৈ আছে, জোঙা নাকটোৰ আগটো আগৰ দৰেই অলপ বঙা হৈ আছে, বং নলগোৱাকৈয়ে পাতল, কোমল ওঠ দুটা বঙচুৱা হৈ আছে আৰু গঢ়িত ঠুতৰিটোত সময়ৰ কোনো আঁচোৰ অকণো লগা নাই।

৩৪ বছৰ হোৱাটো এনে এটা দেহ সৌষ্ঠৱৰ কাৰণে নিৰৰ্থক কথা।

আন্না পাভলোভাই কিমান বছৰলৈকে নাচিছিল? ইন্দ্ৰানী ৰহমানে? বৈজয়ন্তী মালাই?

মই যে আজি কত দিন নচাই নাই। নচা ছোৱালীয়ে নেনাচিলে গাৰ ফৰ্ম ঠিক নেথাকে, ছে'প ঠিক নেথাকে, চপলতা নেথাকে, মবিলিটি, এজিলিটি নেথাকে, নেনাচিলে যৌৱন নেথাকে।

অলকাই ১০/১৫ বছৰৰ আগতে নচা ভাৰত নাট্যমৰ এটা মুদ্ৰাত নিজৰ অঙ্গ ৰাখি চালে — নাই, ১৫ বছৰৰ ব্যৱধানেও একো ক্ষতি কৰিব পৰা নাই। মই আজিও নাচিব পাৰিম, আগৰ দৰেই নাচিব পাৰিম। মোৰ তেজৰ কণাত নাচোনৰ ছন্দ আজিও আছে। অলকাক কালে বলে নোৱাৰে!

আচৰিত কথা, যিজন মানুহে এদিন মোৰ নাচোনত মুগ্ধ হৈ,

আত্মাহাৰা হৈ, সকলোৱে হাক-বচনলৈ আওকাণ কৰি, ঘৰবাৰী, আপোন পৰিয়ালক তুচ্ছ জ্ঞান কৰি, মোক জীৱন-সঙ্গিনী কৰি লৈছিল, যিজন মানুহ মোৰ দেহাৰ স্পন্দনময় ভাবভঙ্গিমাত সৃষ্টিৰ গূঢ়তম ৰহস্য আবিষ্কাৰ কৰি আনন্দত উন্মাদ হৈছিল, সেইজন মানুহেই বিয়া হোৱাৰ অলপ পিছতে মোক কৈ উঠিছিল, " তোমাক মই নাচিবলৈ নিদিওঁ, তোমাক মই মঞ্চত অভিনয় কৰিবলৈ নিদিওঁ, তোমাক মই ঘৰৰ বাহিৰত, মানুহৰ মাজত ওলাই ঘূৰি ফুৰিবলৈ নিদিওঁ, তুমি মোৰ গৃহিনী, তুমি মোৰ ঘৰৰ ভিতৰত থাকিবা, তোমাৰ ঠাই মোৰ হৃদয়ৰ মাজত, মোৰ ঘৰৰ মাজত। তোমাৰ ৰূপ-যৌৱন সৌন্দৰ্য্যৰ সকলো ঐশ্বৰ্য্য, সকলো সম্পদ মোৰ, অন্য কাৰো নহয়.................. । "

গোটেই পৃথিবীৰ মুগ্ধ, বিস্মিত চকুৰ পৰা আচুতিয়াকৈ, একাষৰীয়াকৈ, কেৱল নিজৰ গৃহিনী কৰি ৰাখিবলৈ বিচাৰিছিল। পৰ্বতীয়া নিজৰাক গতিহীন খাল, মৰিসুঁতী কৰি পেলাবলৈ বিচাৰিছিল। ফাগুনৰ বাসন্তী ৰঙেৰে ৰাঙলী হোৱা এখন আকাশক ৰুমালত বান্ধি থব খুজিছিল।

আচৰিত।

আচৰিত।

নাচি নাচিয়েই অলকা বাথৰুমলৈ সোমাই গ'ল আৰু জোৰেৰে বাথৰুমৰ দুৱাৰখন বন্ধ কৰি দিলে।

পুনৰ বহল, পুৰণি বাথৰুমটোৰ চাৰিওফালে চকু ফুৰোৱাৰ লগে লগে অলকাৰ মনটো গধুৰ হৈ পৰিল। জেকা মজিয়া, একালে শেলাইৰ চামনি, মাজে মাজে প্লাষ্টাৰ এৰাই মজিয়াখন ওখৰা-মুখৰি হৈছে, মূৰৰ সমান ওখত থকা সৰু খিৰিকি খনেৰে এখিনি পোহৰ ভিতৰ সোমাই আহিছে, কিন্তু পোহৰ খিনিও যেন প্ৰশস্ত নহয়, সন্ত্ৰস্ত, সঙ্কুচিত ; তিৰোতা মানুহে গা ধোৱা বাথৰুমত সোমাবলৈ বেলিৰ পোহৰেও লাজ ভয় কৰেনেকি ?

শান্ত দুপৰ, নিৰ্জন ঘৰ, ঘৰচিৰিকা বাঁহৰ পৰা উৰি আহা ফুৰ্টা, অকলশৰীয়া এটা জেঠী, অলকাৰ বেয়া লাগিল। মগটোৰ পানীখিনি চেচা, বৰ চেচা॥

মঞ্চ আৰু কথাছবিৰ বিখ্যাত অভিনেত্ৰী, অপ্ৰতিদ্বন্দী নৃত্য-শিল্পী অলকা চৌধুৰীয়ে সম্প্ৰতি জনাইছে— জোৱাৰ শিল্পী গোষ্ঠীৰ সাহায্যাৰ্থে পাতিবলৈ আয়োজন কৰা সঙ্গীত-সন্ধিয়াত বিশিষ্ট অতিথি হিচাপে তেওঁ যোগদান কৰিব, আৰু দুয়ো ৰাতি তেওঁ নৃত্য পৰিবেশন কৰিব। বাতৰিটো কন্‌ফাৰ্ম'দ্‌। আয়োজনকাৰীসকল উল্লসিত, ডেকা গাভৰুহঁতৰ মাজত এক চাঞ্চল্য। প'ষ্টাৰ, ফেষ্টুন, হ'ৰ্ডিং মৰা হৈ গৈছে-মাইকেৰে ঘোষণা কৰা হৈছে, টিকেট আগতিয়াকৈ বিক্ৰী কৰা হৈছে।

সৰু চহৰখনত সেইটো এটা ডাঙৰ খবৰ।

কাৰণ কেইবাটাও:

মঞ্চশিল্পী হিচাপে আৰু চিত্ৰশিল্পী হিচাপে ২/৩ বছৰৰ ভিতৰতে অলকা চৌধুৰীয়ে প্ৰচুৰ সুখ্যাতি আৰ্জন কৰিছিল। প্ৰথমে অসমৰে মিউজিক স্কুলত নাচগান শিকিছিল। তাত সাধনা আৰু প্ৰতিভাৰ প্ৰমাণ দি স্থানীয়ভাবে জনাজাত হৈ পৰিছিল। তাৰ পিছত পিতাক প্ৰতাপ চৌধুৰীৰ আগ্ৰহ আৰু সমৰ্থনত আৰু তেওঁৰে বন্ধু এম্, এল, এ দুৰ্লভ তালুকদাৰৰ সহায়ত অলকাই নৃত্য শিক্ষাত পাৰদৰ্শিতা আৰু অৰ্হতা লাভ কৰিবৰ কাৰণে দক্ষিণ ভাৰতৰ এটা বিখ্যাত কলা-কেন্দ্ৰত ভাৰত নাট্যম, কথক, কথাকলি, ওড়িষী, মণিপুৰী আদি নৃত্য শিক্ষা লাভ কৰি ভাৰতৰ মুষ্টিমেয় নৃত্যশিল্পীৰ মাজত নিজৰ স্বকীয় স্থান উলিয়াই লৈছিল। আগৰেপৰা মঞ্চত অভিনয় কৰিও সুখ্যাতি আৰ্জন কৰিছিল। তাৰ পিছত অভিনয় আৰু নৃত্য দুয়োটাতে চমকপ্ৰদ সাফল্যৰ প্ৰমাণ দিব পৰাৰ কাৰণে, কথাছবিৰ প্ৰযোজকৰো আহ্বান আহিছিল ছবিত অভিনয় কৰিবৰ কাৰণে।

অলকাৰ বয়স তেতিয়া মাত্ৰ ১৮ বছৰ। সকলোৰে মৰম, শ্ৰদ্ধা উদগনি, সহযোগীতাই অধিকতৰ সাফল্যৰ পথত আগবাঢ়ি যাবৰ কাৰণে অলকাক প্ৰেৰণা যোগাইছিল। দুখন কথাছবিত সুকীয়া সুকীয়া ৰূপত অন্যান্য অভিনয় কৰি অলকা সকলোৰে আলোচনাৰ বিষয় হৈ পৰিছিল।

নিমন্ত্ৰণ আহিছিল বিভিন্ন দিশৰ পৰা। অলকায়ো পৰাপক্ষত নিমন্ত্ৰণ ৰক্ষা কৰিছিল, আৰু সেইবাবে ৰাইজৰ প্ৰশংসা আৰু আশীৰ্ব্বাদ লাভ কৰিছিল। অহা-যোৱাৰ মাত্ৰ খৰছ লৈ অলকাই নানা ঠাইত নৃত্য পৰিবেশন কৰি সকলোকে মুগ্ধ কৰিছিল।

অলকাৰ নম্ৰতা, অমায়িকতা, গৰ্ব্বহীনতাই সকলোকে আকৰ্ষণ ক'ৰিছিল, আৰু তেওঁতকৈ কম প্ৰতিভাসম্পন্ন নাচনীৰ থকাৰ দৰে অলকাৰ কোনো হৰাবি আৰু ভেম নথকাৰ কাৰণে ৰাইজ আৰু মোহিত হৈছিল ।

'জোৰাৰ শিল্পী গোষ্ঠীৰ' উদ্যমী আয়োজনকাৰীসকল এই বাবেই অধিক উৎফুল্ল হৈ পৰিছিল যে তেওঁলোকৰ চিঠি পায়ে, বিশেষ কোনো অজুহাত নুলিয়াই, অলকাই আহিবলৈ সন্মতি জনালে।

অনুষ্ঠানৰ দিনা, লগত তবলা বজোৱা ওস্তাদজন আৰু নাচৰ সাজ-পোষাক আৰু নিজৰ পিন্ধা কাপোৰখিনি ভৰাই অনা চুটকেচটো লৈ অলকা যেতিয়া চৰকাৰী বাচেৰে আহি সেই ঠাই ওলালহি, সকলো অবাক আৰু অভিভূত হ'ল। নিয়মীয়া গা গাঠিৰ, সুশ্ৰী, স্বাস্থ্যৱতী এজনী গাভৰু—সহজ, নিবাড়ম্বৰ, শান্ত। বহুতে বিশ্বাস কৰিবলৈকে টান পালে যে এয়েঁই বিখ্যাত অভিনেত্ৰী আৰু নৃত্যশিল্পী অলকা চৌধুৰী, যাৰ অভিনয় ছবিত চাবৰ কাৰণেও ছিনেমা'ল ভাঙি দৰ্শক আহে, মঞ্চত, ছবিঘৰত ভিৰ হয়, টিকট পাবৰ কাৰণে হেতাওপৰা লাগে। বয়সস্থসকলে সংস্কৃতৰ শ্লোক গালে—বিদ্যা দদাতি - বিনয়ং

আৰু তেনে প্ৰশস্তিমূলক কথা। লগতে নিজৰ অঞ্চলৰ সাৰেগামা ভালকৈ নৌ শিকোতেই ৰেডিঅ' আৰ্টিষ্ট' হবলৈ ঢপলিওৱা কাৰোবা কাৰোবাৰ লগত অলকাৰ তুলনা কৰিলে।

কিন্তু মানুহ বিলাক অধিক বিস্মিত আৰু মুগ্ধ হ'ল অলকা নামৰ সেই চিধাচাধা ছোৱালীজনীৰ মঞ্চত প্ৰদৰ্শন কৰা অপূৰ্ব্ব সুষমাসনা নৃত্য দেখি। দৰ্শকে চকু নপচৰাকৈ প্ৰায় ঘূহণ্টা, আনকি গা-ও লৰচৰ নকৰাকৈ নাচ চালে। মুখৰ কথা নহলেও, গাৰ বিভিন্ন অঙ্গৰ অভিব্যক্তিৰে যে মন আৰু হৃদয়ৰ ভাব অনুভাব ইমান সহজ আৰু সাৰ্ব্বজনীনকৈ প্ৰকাশ কৰিব পাৰি দেখি স্তম্ভিত আৰু অভিভূত হ'ল। মুখেৰেও কৈ প্ৰকাশ কৰিব নোৱাৰা ভাব যে নাচৰ ভঙ্গিমাৰে মনোৰমকৈ প্ৰকাশ কৰিব পাৰি, সেই কথা উপলব্ধি কৰি দৰ্শক বাইজে জীৱনত এটা নতুন অভিজ্ঞতাৰ অধিকাৰী হোৱাৰ আনন্দ আৰু তৃপ্তি অনুভৱ কৰিলে।

দৰ্শক এনেদৰে সন্তুষ্ট হোৱা দেখি অলকাৰো ভাল লাগিল, আৰু ব্যক্তিগত ভাবে আৰু ৰাজহুৱা ভাৱে জনোৱা প্ৰশংসাখিনি যে অকপট সেইটোও বুজি গৰ্ব উপলব্ধি কৰিলে।

জোৱাৰ গোষ্ঠীৰ লগত কোনো পোনপটীয়া সম্পৰ্ক নেথাকিলেও বিখ্যাত ব্যৱসায়ী গৌতম হুৰৰাই উদ্যোক্তা ল'ৰা-ছোৱালীখিনিক দিহা পৰামৰ্শ দিছিল আৰু টকা দিও সহায় কৰিছিল। নাচৰ প্ৰতি তেওঁৰ বিশেষ আগ্ৰহ নাছিল, চিনেমাত দেখা নাচবোৰ তেওঁৰ প্ৰায় কৃত্ৰিম আৰু যান্ত্ৰিক যেন লাগিছিল। সেইবোৰত কলাসুলভ অভিব্যক্তিৰ সলনি উৎকট অঙ্গ প্ৰদৰ্শনৰ প্ৰচেষ্টাহে থকা যেন লাগিছিল তেওঁৰ। নাচতকৈ তেওঁ কথাছবিৰ ঘটনা আৰু চৰিত্ৰতহে অধিক গুৰুত্ব দিছিল।

গৌতম হুৰৰা বংশগতভাবেই খান্দানী ব্যৱসায়ী পৰিয়ালৰ ডেকা। বি, কম পাছ কৰি নিজস্ব ব্যৱসায়ত আত্মনিয়োগ কৰিছিল। মিচাৰী, অল্পভাষী, আত্মস্থ আৰু ব্যক্তিত্বসম্পন্ন ডেকা আছিল গৌতম হুৰৰা। ব্যৱসায় সূত্ৰে দেশৰ বিভিন্ন ঠাইত ঘূৰাৰ উপৰিও, এবাৰ জাপান, হংকং আদিও ঘূৰি-পকি আহিছিল।

দেউতাকৰ আৰু দদাইদেৰেকৰ মাজত ককাকৰ চাহ বাগিচাখন ভাগ হৈ যোৱাৰ পিছত, ভায়েক প্ৰণৱ হুৰৰাক বাগিচা চলাবলৈ এৰি দি গৌতম চাহ ব্যৱসায়ৰ লগতে নিজে অন্য ব্যৱসায়ত লাগিছিল পৈত্ৰিক ঘৰবাৰী, খেতিৰ মাটি আদি আজমালী হৈয়ে আছিল।

তুনিশা সাংস্কৃতিক অনুষ্ঠানত নৃত্য প্ৰদৰ্শন কৰাৰ পিছত তৃতীয় দিনা পুৱা যেতিয়া উদ্যোক্তা ডেকা কেইজনমানৰ লগত অলকা গৌতম হুৰৰাক মাত লগাবলৈ তেওঁলোকৰ ঘৰলৈ আহিছিল, গৌতমে বিশেষ 'আত্মীয়তা প্ৰকাশ নকৰি আৰু অলকাৰ পাৰফৰ্মেন্সৰ বিষয়েও কোনো কথাৰ অৱতাৰণা নকৰি আটাইকে চাহ খাবলৈ ক'লে। চাহৰ বিভিন্ন আয়োজন দেখি সকলো অবাক হ'ল। বিশেষভাবে আয়োজন নকৰাকৈ নিশ্চয় ৰাতিপুৱা ঘৰত খাবৰ কাৰণে ইমানবোৰ দামী-দামী খোৱা বস্তুৰ আয়োজন গৌতম হুৰৰাই কৰা নাছিল।

চাহ খাওঁতে হুৰৰা অলকাৰ মুখামুখিকৈয়ে বহিছিল, আৰু তেওঁৰ ব্যক্তিত্বৰ সন্মুখত কোনো ৰকমৰ নাই নুই নকৰাকৈয়ে শান্ত-ভাৱে অলকাই যি পাৰে নিৰৱে খাই গৈছিল।

সম্পাদক দুৰ্গা দত্তই সুধিছিল—'নাচ কেনেকুৱা পালে দাদা? বিশেষ অপ্ৰস্তুত নোহোৱাকৈ আৰু উষ্মাও প্ৰকাশ নকৰি গহীন, আৰু সহজভাবেই গৌতমে কৈছিল,— "খাজুৰাহো আৰু কোনাৰ্ক মন্দিৰৰ গাত কাটি থোৱা নাচৰ মূৰ্ত্তিবোৰ দেখি মই ভাবিছিলো যে

সেইবোৰ কল্পনা কৰা মূৰ্ত্তিহে। মই এওঁৰ নাচ দেখিছে বুজিলো যে ভাল শিল্পীয়ে শিলত কটা মূৰ্ত্তিতকৈও বেছি ভালকৈ নাচিব পাৰে।"

কথা শুনি অলকাৰ কাণমূৰ অস্বাভাৱিকভাবে ৰঙা পৰিল। তেওঁৰ গাৰ নোমবোৰ শিৰশিৰাই উঠা যেন লাগিল। চাহৰ পিয়লা-টোত থকা মিহি ফুলপাতৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখি অলকাই স্থিৰে থাকিবৰ যত্ন কৰিলে।

বাচলৈ বেচি সময় নাই— যাবৰ হ'ল— দুৰ্গা দত্তই ক'লে।

দুৰ্গাৰ কথালৈ বিশেষ কাণসাৰ নকৰি একেই গহীন মাতেৰে গোতম হুৰৰাই ড্ৰাইভাৰটোক মাতিলে আৰু আদেশ দিলে, "অলকাক ঘৰত থৈ আহিব লাগিব, ছয় - সাত ঘণ্টা যাব লাগিব। পেট্ৰল পুৰাকৈ ভৰাই ল। থৈয়ে গুচি আহিবি।"

তাৰ পিছত ল'ৰা কেইটাৰ ফালে চাই ক'লে "তোমালোকো দুই এজন লগত যোৱা — এওঁক ঘৰত থৈ আহাগৈ।"

গৌতমৰ কথা শুনি অলকাতকৈ বেছি বিস্মিত হ'ল ল'ৰা কেইটা। গৌতমৰ নিচিনা এজন মানুহে এগৰাকী শিল্পীৰ প্ৰতিভাক এনেদৰে শ্ৰদ্ধা জনাব বুলি সিহঁতে ভৰাই নাছিল।

ল'ৰাকেইটাই কিবা এটা কৰলৈ উচপিচালে, কিন্তু ক'ব নোৱাৰিলে। অলকাই অলপ ভয়ে ভয়ে কোৱাদি ক'লে, "আমাৰ বাচৰ চীট ৰিজাৰ্ভ কৰা আছে।"

"মোৰ গাড়ীৰে গলেও ঘৰ নোপোৱাকৈ নেথাকা"—"

কোনোৱে আৰু একো কৰলৈ কথা বিচাৰি নেপালে.........।

দৰ্শক বাইজৰ চেনেহ শ্ৰদ্ধাৰ মাজেদি অলকাৰ শিল্পী জীৱনে নিৰঙ্কুশ বিকাশ লাভ কৰিছিল, তেওঁৰ জীৱনলৈ স্বীকৃতি আহিছিল,

ব্যস্ততা আছিছিল, সাফল্যৰ নতুন নতুন জোৱাৰ আছিছিল, নাচৰ ছন্দ আৰু অলকাৰ জীৱনৰ ছন্দ একে হৈ পৰিছিল।

অলকাই ভাবিছিল নাচেই জীৱন, জীৱনেই নাচ।

কিন্তু জীৱনে সকলোৰে অলক্ষিতে অন্য ষড়যন্ত্ৰ কৰিছিল, জীৱনে সোঁৱৰাই দিবলৈ বিচাৰিছিল — নাচ জীৱনৰ অভিব্যক্তি হ'ব পাৰে, কিন্তু নাচেই জীৱন নহয়! আহিনৰ ধাননিয়েও সদায় নাচি নেথাকে, নাচ শেষ হয়, ধানৰ বুকুত গেৰ হয়, সেই গেৰ কাতিৰ বৰষুণত ফুলৰি হয়, সেই ফুলৰি আঘোনৰ পৰশত সুৱাগমনি হয়, ধান হয়, আহিনৰ সেউজীয়া ধাননিৰ নাচৰ কঁপনি আঘোনৰ পকা ধানৰ মাজত সোমাই পৰে।

প্ৰতাপ চৌধুৰী পিতা। নিজৰ ছোৱালী সুপাত্ৰত বিয়া দিয়াটো ভাৰতীয় পিতাৰ কৰ্তব্য। ছোৱালী ডাক্তৰ হ'ব পাৰে, উকীল হ'ব পাৰে, হাকিম হ'ব পাৰে, অধ্যাপিকা হ'ব পাৰে, শিল্পী হ'ব পাৰে, সাহিত্যিক হ'ব পাৰে, আন বহুত কিবা হ'ব পাৰে। কিন্তু বিয়া দি উলিয়াই নিদিয়া পৰ্যন্ত বা ছোৱালীজনীৰ বিয়া হৈ নোযোৱা পৰ্যন্ত পিতাৰ কৰ্তব্যৰ ওৰ নপৰে।

অলকাও ব্যতিক্ৰম নহয়।

বিয়া সম্পৰ্কে নিজৰ মনৰ ভিতৰতে অলকাই মাজে মাজে চিন্তা নকৰাও নহয়। হেজাৰ হেজাৰ ডেকা লৰাই যেতিয়া অলকাক দূৰৰ পৰা চায়, ওচৰৰ পৰা চায় — চাই থাকে, তেতিয়া কেৱল অলকাক এজনী শিল্পী বুলিয়ে চায়নে? এজনী ছোৱালী বুলি কোনোৱে নেচায় নে? নাচি থকা সময়ত মই এজনী শিল্পী, নহ'লেতো মই এজনী ছোৱালী, অন্য দহজনী ছোৱালীৰ নিচিনা এজনী তেজ মঙহৰ ছোৱালী, যাৰ এটা মনেই কেৱল নাই, এটা দেহাও আছে.

মাজে মাজে কিছু দুৰ্বল হৈ পৰিলেও, অলকাই কিন্তু নিজকে আশ্বস্ত কৰিবৰ যত্ন কৰে এই বুলি ঃ সকলো ছোৱালীয়েই ছোৱালী হ'ব পাৰে, কিন্তু শিল্পী হ'ব নোৱাৰে। ছোৱালী হিচাপে মোৰ মূল্য সামান্য, মোৰ যি মূল্য আছে সি শিল্পী হিচাপেহে। মোৰ সমনীয়া ছোৱালীবোৰে মোৰ প্ৰশংসা কৰে, মোক ঈৰ্ষা কৰে মোৰ শিল্পী প্ৰতিভাৰ কাৰণেহে। মোতকৈ বেছি ধুনীয়া গাভৰু ছোৱালী বহুত আছে।

ক'ৰবাত, কেতিয়াবা, কোনো অনুষ্ঠানৰ সময়ত অলকাৰ কোনোবা এজন ডেকাক ভাল লাগি যায়, ডেকাজনৰ ব্যক্তিত্বৰ কাৰণে, সাহসৰ কাৰণে, বিনয়ৰ কাৰণে। তেনেকুৱা ডেকা এজন কাষত থাকিলে অলকাৰ নিজৰ মূল্য বঢ়া যেন লাগে। তাৰ পিছত অলকা গুচি আহে, ডেকাজন থাকি আহে। দুদিনমান মনত ৰাখি অলকাই সেই ডেকাজনৰ কথা পাহৰি যায়। হয়তো কেতিয়াবা এটা মুহূৰ্তত মনত পৰি যায় দুটা চকুৰ চাৰনিৰ কথা, দুটা ওঠৰ লুকুৱাব নোৱাৰা ক্ষুধাৰ কথা, পিছলৈ অৰ্থহীন হৈ পৰা কোনো অৰ্থপূৰ্ণ কথাৰ কথা!

পিতাক প্ৰতাপ চৌধুৰীয়ে অলকাক এজনী শিল্পী কৰিবৰ কাৰণে বহুত কৰিলে, সমগ্ৰ জীৱন দিও অলকাই পিতাকৰ সেই ধাৰ শুজিব নোৱাৰে। সেই দেখি পিতাকে যদি অলকাৰ বিয়াৰ প্ৰস্তাৱ আনে, অলকাই কেতিয়াও প্ৰত্যাখ্যান কৰিব নোৱাৰে। আৰু তাৰ বাবে যদি অলকাৰ জীৱনে অন্য ৰূপ লয়, তাৰ কাৰণে অলকাই আক্ষেপ নকৰে।

বিয়া সম্পৰ্কত এটা দুশ্চিন্তা মাথোন হৈছিল অলকাৰ ঃ

নৃত্যশিল্পীৰ মূলধন শৰীৰটো — যুৱতী নাৰীৰ পূৰ্ণ বিকশিত দেহাটো; শৰীৰৰ প্ৰতিটো অঙ্গ, প্ৰতিটো অঙ্গভঙ্গী নৃত্যশিল্পীৰ শিল্পী হোৱাৰ আহিলা। বিয়া হ'লে, বিয়া হোৱাৰ পিছত, অলকাই জানো দেহাটো

নাচৰ কাৰণে এতিয়াৰ দৰে চপল কৰি, স্পন্দনময় কৰি, গতিশীল কৰি ৰাখিব পাৰিব? স্বাস্থ্য হয়তো ৰক্ষা কৰিব পাৰিব, কিন্তু দেহশ্ৰী, কমনীয়তা, যৌৱনসুলভ অম্লান চাৰুতা ৰক্ষা কৰিব পাৰিব জানো? অবিবাহিতা কুমাৰীৰ দেহ-লাৱণ্য জানো এগৰাকী মাতৃৰ শৰীৰত অক্ষত, অম্লান থকাটো সম্ভৱ? গোটেই জগতখনেই শিল্পীৰ নিজস্ব পৃথিৱী, এগৰাকী পত্নীৰ পৃথিৱীখন তেনেই ঠেক, তেনেই সংকীৰ্ণ। গৃহিনী হোৱা, মাতৃ হোৱা, সমাজৰ সীমাৰ মাজত, সামাজিক নিয়মৰ মাজত নিজক আৱদ্ধ ৰখা, ইয়াত কিবা মহত্ব থাকিব পাৰে, আত্মবিস্তাৰৰ বিপুল আনন্দ নাই।

মাজে মাজে এইবোৰ কথা ভাবে অলকাই, তাৰ পিছত অন্য কথা ভাবে— শিল্পী হিচাপে অনন্যা হোৱাৰ কথা, নহ মাতা, নহ কণ্যা, অনন্ত যৌবনা উৰ্ব্বশী হোৱাৰ কথা কল্পনা কৰে। চাৰিবেৰৰ মাজৰ বন্ধ কোঠাৰ মজিয়াত অকণমান পোহৰ লৈ জ্বলি জ্বলি শেষ হোৱা মাটিৰ চাকি নহৈ, সমগ্ৰ পৃথিৱীৰ চকু জলকতবক লগাই উদ্ভাসি উঠা এটা ভাস্বৰ নক্ষত্ৰ হোৱাৰ কথা ভাবে।

এনে এটা সময়তে অলকা চৌধুৰীৰ চিনাকী হৈছিল গৌতম হুৰবাৰ লগত। নাৰীৰ স্বাভাৱিক অন্তঃচেতনাৰে অলকাই অনুভৱ কৰিছিল যে গৌতম অলপ বেলেগ ধৰণৰ ডেকা, কিছু দুৰ্বোধ্য, কিছু সংযত। অলপ সময়ৰ ভিতৰতে অলকাই বুজিব পাৰিছিল যে অলকা নামৰ শিল্পীজনীৰ মাজেদি গৌতমে অলকা নামৰ গাভৰুজনীৰ লগতহে পৰিচয় হ'বলৈ বিচাৰিছিল। কিন্তু সেইটো সময়ত অলকাই জীৱনৰ কথা ভবা নাছিল, নাচৰ কথা, শিল্পৰ কথাহে ভাবিছিল।

ক্ৰমাৎ কথাটো স্পষ্ট হৈ পৰিছিল। য'তেই যিমান দূৰতেই নহওক, য'তেই অলকাৰ নৃত্যানুষ্ঠান হয়, ত'তেই কেনেবাকৈ গৈ গৌতম চৌধুৰী ওলায়গৈ। অনুষ্ঠানৰ আগতে বা অনুষ্ঠানৰ অন্তত

এবাৰ অলকাক লগ ধৰে, ভাল বেয়াৰ খবৰ লয়, আৰু প্ৰত্যেক বাৰতে কয়, "এটা জৰুৰী কামত ইয়ালৈ আহিছিলো। তোমাৰ ফাংচন আছে বুলি শুনিলো, বোলো চাই যাওঁ।"

চাই কেনে দেখিলে সেই বিষয়ে গৌতমে কোনো মন্তব্য নিদিয়ে, অলকায়ো নোসোধে। পিছলৈ এনে হৈছিল যেন গৌতম তবলা অলকাৰ দলৰে এজন। পিছলৈ অলকাৰো মনে মনে আশা কৰিবলৈ ধৰিলে যেন অলকা য'লৈকে যায়, গৌতম তালৈকে যাওক, গৌতমৰ গাড়ীখন যেন অলকাৰেই গাড়ী। এজন স্থায়ী দৰ্শক বা স্থায়ী গুণগ্ৰাহী শ্ৰোতাক পাই অলকাই ভৰসাই পালে, আৰু গৌতমে কোনো দিন এনে কোনো কথা কোৱা নাই, বা এনে কোনো কাম কৰা নাই, যাৰ বাবে অলকা ক্ষুণ্ণ বা অসন্তুষ্ট হ'ব লগীয়া হৈছে। অথচ, অযথা প্ৰশংসা বা তোষামোদো নকৰে গৌতমে

সেইদিনৰ কথা।

অনুষ্ঠান শেষ হৈছিল। কাতি মাহৰ ৰাতি বাহিৰত কুঁৱলি পৰিছিল। সেই ঠাইত ৰাতি নথকি অলকাহঁত ৰাতিয়ে অন্য এঠাইলৈ যাব, অন্য ব্যৱস্থা কৰাৰ দৰকাৰ নাই, তবলাৰ গাড়ীখন আছে— তাৰেই যাব।

অনুষ্ঠানৰ শেষত, চাহ-ভাত খোৱাৰ পিছত, ৰাতি চাৰে এঘাৰ বজাত তবলাৰ গাড়ীৰে অলকাহঁতে যাত্ৰা কৰিলে। গাড়ী চলাইছে ড্ৰাইভাৰে, কাষত এজন ল'ৰা আৰু অলকাৰ তবলাবাদকজন। পিছৰ চীটত গৌতম আৰু অলকা। জাৰ পৰা নাই, কিন্তু ঠাণ্ডা পৰিছে। গৌতমৰ গাত এটা হাত দীঘল পুলভাৰ আৰু এটা ট্ৰপিকেল কোট। অলকাই এখন পাতল উণী শ্বল গাত লৈছে। সদায় চলাৰ দৰে এটা মধ্যমীয়া গতিত গাড়ীখন চলিছে।

কিছুদূৰ কাৰো মুখত কোনো কথা নাই। পাতল কুঁৱলী, অস্পষ্ট পোহৰ, ৰাতিৰ নিৰৱতা, অলকাৰ দেহাত শ্ৰান্তি আৰু মনত এক বুজিব নোৱাৰা আনন্দ। কাৰত গৌতম বহি অহাৰ কাৰণে নহয়, এনেয়ে। আজিকালি নাচ ভাল হোৱাৰ কাৰণেও তেওঁ আৰু অন্য উল্লাস অনুভৱ নকৰে। অলকা চৌধুৰীৰ নাচ ভাল হোৱাটো এটা স্বাভাবিক কথা। আনতকৈ অলকায়েই এই কথা বুজে বেছি।

নিৰৱতা ভঙ্গ কৰি সাধাৰণ ভাবে গৌতমে সুধিলে, "এনেকৈ আৰু কিমান দিন নাচিবা ?"

অলকা সামান্য ভাবে উচপ্ খাই উঠিল।

"কৌ ?"

"এইদৰে আৰু কিমান দিন য'ত-ত'ত, গোটেইখনতে নাচি ফুৰিবা তাকে সুধিছো," গৌতমে ক'লে।

"নচাৰ বাহিৰেনো মোৰ অন্য কাম কি আছে ?" কিছু সৰুকৈ অলকাই ক'লে।

গৌতমে যেন দুটামান প্ৰশ্ন মনতে ভাবি থৈছিল, তেনে ধৰণে সুধিলে, "তুমি সদায় নাচৰ কথাই ভাবি থাকা, জীৱনৰ কথা নেভাবা ?"

অলকাই ক'ব খুজিছিল—'নাচেই মোৰ জীৱন' কিন্তু নকলে; তেওঁৰ মনত লাগিল যেন কথাষাৰ বৰ কৃত্ৰিম হ'ব, আৰু তাত যেন এটা সুবাৰীৰ সুৰ আছে।

কিছু চিন্তা কৰাৰ ধৰণে অলকাই ক'লে, "মোৰ জীৱনৰ কথা দেউতাহঁতে চিন্তা কৰিছে।"

হয়তো এনে এটা উত্তৰৰ কাৰণে গৌতম মুঠেই প্ৰস্তুত

নাছিল। তেওঁ কিছুপৰ মনে মনে থাকিল। তাৰ পিছত ক'লে, "তোমাৰ জীৱনৰ কথা আৰু কোনোবাই যদি চিন্তা. কৰিছে?"

মাতত হাঁহিৰ সুৰ মিহলাই অলকাই সুধিলে, "আৰুনো কোনে চিন্তা কৰিব?"

"ধৰা, তোমাৰ বাওঁফালে কাষতে বহি অহা কোনোবাই?"

অলকাই সন্মুখৰ ফালে চাই গৈছিল। ড্ৰাইভাৰে একেদৰে গাড়ীখন চলাই গৈছিল। আগৰ ল'ৰাজন আৰু তবলাবাদকজনে টোপনিয়াই গৈছিল। কোনোবা এজনৰ নাক বাজিছিল। বাহিৰত কুঁৱলী আছিল।

অলকাৰ কিবা এখন কথাছবিৰ নায়িকাৰ অভিনয় কৰা যেন লাগিল। বিশেষ আবেগ প্ৰকাশ নকৰি, কিছু নাটকীয়ভাবে অলকাই ক'লে, "ৰাতিৰ পিছত ৰাতি, মঞ্চৰ পিচত মঞ্চত, নাচৰ পিছত নাচ প্ৰদৰ্শন কৰাই মোৰ জীৱন। এইটো জীৱনৰ বাহিৰে মোৰ অন্য এটা জীবন ক'তনো আছে?"

সহজভাৱেই গৌতমে অলকাৰ বাওঁ হাতখন নিজৰ হাতলৈ ললে আৰু ক'লে, "থাকিবতো পাৰে। সেইটো জীৱন জানো তুমি নিবিচাৰা?"

অলকাই একো নকলে, হাতখন গৌতমৰ হাতৰ মাজতে থাকিল, আঁতৰাই নানিলে।

নিৰৱতাৰ মাজেদিয়েই ভালেমান সময় পাৰ হ'ল। তাৰ পিচত এবাৰ গৌতমে সুধিলে, "তোমাৰ টোপনি আহিছেনেকি?

অলকাই কলে, "ৰাতি প্ৰায় মোৰ শোৱাই নহয়। দিনতহে শোওঁ।"

"প্ৰত্যেকটো ৰাতিয়েই ফুলশয্যাৰ ৰাতি?" ৰসিকতা কৰিবৰ চেষ্টা কৰি গৌতমে ক'লে।

"প্ৰত্যেকটো ৰাতিয়েই নৃত্যাভিনয়ৰ ৰাতি—" স্থিৰ মাত্ৰেৰেই অলকাই ক'লে, আৰু হাতখন গৌতমৰ হাতৰ পৰা এৰুৱাই আনিলে।

কুঁৱলীবোৰ ডাঠ হৈছে। আন্ধাৰ ঘণ হৈছে। বাটৰ কাষৰ ধাননিৰ পৰা এটা কেচা গোন্ধ ওপঙি আহিছে। চকাৰ মিট্ মিট্ শব্দেৰে গাড়ীখন আগ বাঢ়িছে। ৰাতি গভীৰ হৈছে। তবলা বাদকৰ নাকৰ ঘোৰ-ঘোৰণি বেছি হৈছে। গাড়ীখন যেন আপোনা আপুনি চলিছে, ড্ৰাইভাৰৰ যেন কোনো অস্তিত্ব নাই!

মোৰ বাওঁফালে বহি অহা এই অনাত্মীয় মানুহজনে মোৰ জীৱনৰ কথা কিয় ভবিছে বাৰু? তেওঁ এজন অবিবাহিত ডেকা মানুহ। মোৰ কথা ভবাতকৈ তেওঁ নিজৰ কথাহে ভাবিব লাগে। ফুলশয্যাৰ ৰাতি? ফুলশয্যাৰ ৰাতি বা কেনেকুৱা? অভিসাৰিকাৰ শঙ্কিত পদ-চালনাৰ নাচ মই নাচিছো। ধূসৰ জোনাকৰ মাজে মাজে, হাতত-সাৰে, ভৰিত-সাৰে, কোনোবা নদীৰ পাৰৰ পুৰণি গছৰ ছাত বুকুৰ টিপ্ টিপনি লৈ প্ৰিয়তমাৰ খোজৰ শব্দলৈ কাণ দি ব্যগ্ৰ হৈ থকা প্ৰেমিকৰ বাহুৰ মাজত নিজকে বিলাই দিবৰ কাৰণে, ঘৰৰ পৰা পলাই অহা অভিসাৰিকাৰ নাচ মই নাচিছো—আশা, ভয়, শঙ্কা, বুকুৰ ঢুক ঢুক কঁপনি, চকুত মিলনৰ হুতাশনীয়া চাৱনি—ভৰিৰ তলৰ বনপাতখিলাৰ খিৰিক্-খাৰাক্ শব্দটোতো উচপ খাই উঠা, সেই তন্বী তৰুণী অভিসাৰিকা! ফুলশয্যাৰ ৰাতি, চোৰ অহাদি আহি ভিতৰ সোমাবৰ কাৰণে বাট চাই থকা নৱ-বিবাহিতা কন্যাৰ জানো সেই অভিসাৰিকাৰ উদগ্ৰ উন্মাদনা আছে? প্ৰেমিক আৰু স্বামী জানো একে বস্তু? দাম্পত্য মিলন আৰু গোপন অভিসাৰ জানো একে বস্তু? জীৱন আৰু আৰ্ট জানো একে বস্তু?

খেলি-মেলি লাগি গৈছে কথাবোৰ। সন্মুখৰ কুঁৱলীভৰা আন্ধাৰৰ ফালে চাই থোৱা অলকাৰ চকুৰ পতাত টোপনিৰ গধুৰ হেঁচা। মেলি ৰাখিবৰ চেষ্টা কৰিও অলকাই চকুহুটা মেলি ৰাখিব পৰা নাই। তেওঁৰ মূৰটো একাষৰীয়া হৈ ওলমি গৈছে, চেষ্টা কৰিও পোন কৰি ৰাখিব পৰা নাই। গৌতমে জ্বলাই হুপি থকা চিগাৰেটৰ গোন্ধটো তেওঁৰ নাকত লাগিছেহি। গোন্ধটোত যেন এটা ৰাতি পুৰি ছাই হৈ যোৱাৰ গোন্ধ, এটা সংকল্প পুৰি যোৱাৰ গোন্ধ।

মাজে মাজে দুই-এখন গাড়ী সন্মুখৰ পৰা আহি পাৰ হৈ গৈছে। অলপ সময়ৰ কাৰণে গভীৰ ৰাতিৰ নিৰৱতা ভঙ্গ হৈছে। ক'তো কোনোৱে গান গোৱা নাই। ক'তো কোনোৱে নচা নাই। ৰাতিৰ গতিত কোনোবা অভিসাৰিকাৰ ভৰিৰ শঙ্কিত শব্দ, নে ৰাতিটোৱেই এজনী অভিসাৰিকা—আন্ধাৰে - মুন্ধাৰে গৈ আছে—কোনোবা প্ৰিয়জনক লগ পাবৰ কাৰণে?

লাহে লাহে অলকাৰ মূৰটো ঢলি পৰিল। সহজভাবে গৌতমে মূৰটো ধৰি নিজৰ কোলাত সুমাই ললে। তেওঁৰ হাতত লাগিল টোপনি যোৱা অলকাৰ নাকৰ তপত নিশ্বাস।

ৰাতি শেষ হৈ আহিছে। গাড়ীখন চলি আছে। টোপনি যোৱা গৌতমৰ মূৰটো ওলমি আহিছে। মুখখন আহি অলকাৰ মুখত লাগিছেহি। ●

গৌতম হুৰবাৰ লগত বিয়া হৈ যোৱাৰ আগলৈকে অলকাই দুৰবা পৰিয়ালটোৰ বিষয়ে বিশেষ একো জনা নাছিল। জনা নাছিল যে গৌতমৰ পৰিয়ালটো এটা সংকীৰ্ণ আৰু পুৰণি ভাবধাৰাৰ সংৰক্ষণশীল পৰিবাৰ। জনা নাছিল যে, গোটেই পৰিয়ালটোক এক সামন্তযুগীয় মনোবৃত্তিয়ে আচ্ছন্ন কৰি ৰাখিছিল, জনা নাছিল যে তিনিখন চাহ বাগানৰ মালিক, দুটা চিনেমা হলৰ গৰাকী, তিনিশ পুৰা খেতিৰ মাটিৰ গৰাকী হুৰবাৰ পৰিয়ালটোৱে এবিঘা মাটিৰ কাৰণে সাত বছৰ মোকৰ্দমা কৰি যাব পাৰে, আঠ বছৰ চলোৱা পুৰণি মটৰ গাড়ীখনৰ কৰ'বাত খুন্দা লাগি অকনমান বং এৰালে ড্ৰাইভাৰে কামৰ পৰা খেদা-খাব লাগে।

অলকাই জনা নাছিল যে গৌতমৰ দেউতাক পৰাশৰ হুৰবা এক নৈষ্ঠিক, গোড়া, ধাৰ্মিক ব্যক্তি, অতিশয় নিয়ম মানি চলা, অথচ ইংৰাজী শিক্ষাত শিক্ষিত ব্যৱসায়ী মানুহ। হুৰবাৰ ঘৰত জ্ঞানী-পণ্ডিত লোকতকৈ সাধু-সন্ন্যাসীৰেই ভিৰ বেছি। পঞ্জিকা, কোষ্ঠী, ৰাশিফল গণনাত পৰাশৰ হুৰবাৰ যিমান বিশ্বাস আৰু আস্থা, সিমান আস্থা তেওঁৰ ঘড়ীটো, ৰেডিঅ'টো বা থাৰ্মমিটাৰ ডালৰ ওপৰত নাই। ঘড়ীৰ সময়টোক বিশ্বাস কৰিবলৈ টান পালে, তেওঁ চোতাললৈ ওলাই বেলিটোলৈ চাই সময় কিমান হৈছে তাৰ নিশ্চয় কৰে। কেতিয়াবা নিজৰ বা পৰিয়ালৰ কাৰোবাৰ অসুখ-বিসুখ হলে, ডাক্তৰ মাতি আনি নেদেখুউৱা নহয়, কিন্তু চিকিৎসা কৰায় গোলোক কবিৰাজৰ হতুৱাই। এলোপেথিকত তেওঁৰ বিশ্বাস নাই, বিশেষকৈ পেটেণ্ট ঔষধৰ ওপৰত তেওঁৰ অকণো আস্থা নাই, বৰং জাহানি কালত কম্পাউণ্ডৰে তিনি চাৰিটা ঔষধ মিলাই

এটা ঔষধ কৰি দিয়া চিকিৎসকতে তেওঁৰ অধিক বিশ্বাস। তেওঁ নিজেই এটা এইচ, এম, ভি ৰেডিঅ' কিনিছিল, মোহাৰি সামৰি তালকৈ ৰখাৰ কাৰণে এতিয়াও নতুন যেন হৈ আছে দেখিবলৈ। কিন্তু ৰেডিঅ'টোৰ গান-তানবোৰ তেওঁ বজাবলৈ নিদিয়ে, প্ৰধানকৈ 'বাতৰিটোৰ' কাৰণেই তেওঁ ৰেডিঅ'টো বজায়। আৰু কোনো ধৰ্মীয় গীত নাট থাকিলে বজাই শুনে। বাতৰিৰ বিষয়তো তেওঁ অল ইণ্ডিয়া ৰেডিঅ'ই পৰিবেশন কৰা বাতৰিতকৈ বি, বি, চি, ভইচ্ অব আমেৰিকা আদিৰ বাতৰিক বেছি বিশ্বাসযোগ্য বুলি ভাবে। ৰেডিঅ'ৰ হিন্দী তেওঁ বৰ ভালকৈ বুজি নেপায়, সেই হিন্দীক তেওঁ কয় লেচুৰালী হিন্দী, গতিকে ইংৰাজী বাতৰিয়ে তেওঁৰ মান্যতা আৰু স্বীকৃতি লাভ কৰে।

পৰাণৰ চুৰবাৰ স্বাস্থ্য অটুট আছে— প্ৰায় সত্তৰ বছৰ বয়সতো। খোৱা-লোৱা, চলা-ফুৰাত অত্যন্ত নিয়মীয়া হোৱাৰ কাৰণে আৰু আগৰেপৰা আঁটিল দেহাৰ হোৱাৰ কাৰণে তেওঁ বেচ স্বাস্থ্যবান হৈ আছে। বহুতৰ মতে ধন সম্পত্তিৰ কণাকড়ি হিচাপ কৰি কৰিযে চুৰবাৰ মূৰৰ সকলো চুলি এড়ালো নোহোৱাকৈ সৰি গোটেই মূৰটো টপা হৈ ওলাই পৰিল। যি সাত আঠটা দাঁত সৰিছে তাৰো কাৰণ, বহুতৰ মতে, চুৰবাই চাকৰ বাকৰ, ঘৰৰ ল'ৰা ছোৱালী সকলোকে সদায় হোৱাই-নোহোৱাই ভবিয়াই হুকিয়াই থকাৰ কাৰণেহে। বাকী যিখিনি দাঁত নলখাকৈ আছে, বহুতৰ মতে সেইখিনি আছে খণ্ডত একোনাই হৈ দাঁত কামৰি কাবোবাক গালি শপনি পাৰিবৰ কাৰণেহে।

ডেকা ল'ৰাবোৰে চুৰবাৰ নাম সাধাৰণতে নকয়, তেওঁৰ বিষয়ে উল্লেখ কৰিব লাগিলে 'আমাৰ ফিউডেল বেৰণ' বুলি কয়। পৰাণৰ চুৰবাও এই কথা জানে। কেতিয়াবা এনে ডেকা ল'ৰাৰ বিৰুদ্ধে তেওঁ খণ্ডত কিবা ক'ব লাগিলে তেওঁ কয়, "আমাৰ ইমান আউজেল বাহাদুৰ।"

পৰাণৰ চুৰবাই মদ, তাং, চিগাৰেট একো নাখায়, যদিও তেওঁৰ

বন্ধুৰ এই কেইখিন মালক অন্যান্য লোকক ইউৰোপীয় চাহ বাগিচাৰ মালিক মেনেজাৰ আদিৰ লগতে বেছি। ছুৰবাৰ মতে ভাৰতত কোনো জেণ্টলমেন নাই, উকীল, হাকিম হলেই জেণ্টলমেন হ'ব নোৱাৰে। তাৰ কাৰণে কাল্‌চাৰ লাগে, আৰু আমাৰ শিক্ষিত মানুহ থাকিলেও, কালচাৰ্ড মানুহ নাই, থাকিলেও অসমত নাই।

"আপুনিতো কালচাৰ্ড ?" লগৰ সমনীয়া বন্ধু মোৰাৰক আলিয়ে কেতিয়াবা কয়।

"মই ? কি কোৱাহে ! মই বেপাৰী— চাহ বেপাৰী ! চৌবিশ ঘণ্টা যি মানুহে ধন ঘটাৰ চিন্তা কৰি থাকে সি কাল্‌চাৰ্ড হ'ব পাৰে ? তুমি কোনো কাল্‌চাৰ্ড মানুহ দেখাই নাই কাহানিও, সেই কাৰণে বাটতে দেখা পাই মোকে কাল্‌চাৰ্ড মানুহ বুলি ভাবিছা। ধনী মানুহ হোৱা, পণ্ডিত মানুহ হোৱা, ডাঙৰ মানুহ হোৱা এক কথা, আৰু কাল্‌চাৰ্ড জেণ্টলমেন হোৱাও এক কথা। আমাৰ এই স্কাউণ্ড্ৰেলবোৰৰ মাজত থাকিলে স্বয়ং ঈশ্বৰেও নিজৰ কাল্‌চাৰ ৰক্ষা কৰিব নোৱাৰে।"

এই পৰাশৰ ছুৰবাৰ দ্বিতীয় পুত্ৰ গৌতম ছুৰবা। প্ৰথম পুত্ৰ যামিনী ছুৰবা উচ্চ শিক্ষাৰ কাৰণে বিলাতলৈ গৈছিল— ডাক্তৰীত কিবা বিশেষ ডিগ্ৰী লবৰ কাৰণে। ললে, কিন্তু আৰু ঘূৰি নাহিল। তাতে ডাক্তৰী কৰাত ধৰিলে, তাতে এজনী ইংৰাজ ছোৱালী 'বিয়াও' কৰালে। বহুতে কয় বাপেকৰ গোড়ামী আৰু নৈষ্ঠিকতাৰ কাৰণেই যামিনীয়ে ঘৰ এৰিলে। অৱশ্যে বাপেকৰ গোড়ামীৰ অধিকাৰী নহলেও, যামিনী বাপেকৰ দৰেই ধন সম্পত্তিৰ প্ৰতি কিছু আকঙ্কুৰা আছিল। গতিকে বিলাতত থাকিও যামিনীয়ে নিজৰ সম্পত্তিৰ ভাগ পাবৰ কাৰণে দেউতাকক জনাই থকাৰ উপৰিও, উকীলৰ যোগেদি আৱশ্যকীয় জাননী দিয়াই ৰাখিছিল, যাতে কোনো হৰণ-ভৰণ হবলৈ নাপায়। মাজতে

দুই এবাৰ আহিলেও যামিনী ছুৱৰা প্ৰধানতঃ সম্পত্তিৰ বুজবাজ লবৰ কাৰণেহে আহিছিল। পৰাশৰ ছুৱৰা যামিনীয়ে ইংৰাজ ছোৱালী বিয়া কৰোৱাৰ কাৰণে তেওঁৰ প্ৰতি একান্ত বিতুষ্ট হৈছিল যদিও, যামিনীৰ পাবলগা সম্পত্তিৰ ভাগ আদিৰ বিষয়ত কোনো ৰকমৰ অন্যায় কৰাৰ পক্ষপাতী নাছিল। পৰাশৰ ছুৱৰাই অৱশ্যে কৈছিল—"বাগান তাগান যত যি সম্পত্তি সকলো মই অৰ্জা, মোৰ ল'ৰা ছোৱালীয়ে খৰচ হে কৰিছে, আৰ্জন কৰা নাই। তথাপি সিহঁত মোৰ ল'ৰা-ছোৱালী। সিহঁতৰ ভাগ সিহঁতে পাবই। মোৰ সাত শত্ৰুৱেও কব নোৱাৰে যে মই কাৰোবাৰ অন্যায় কৰিছো, যে মই জেণ্টলমেন নহয়।" নিজে অত্যন্ত মিতব্যয়ী হলেও, ল'ৰা ছোৱালীক খৰচ কৰিবলৈ টকা পইছা দিয়াত পৰাশৰ ছুৱৰাই কাহানিও কাৰ্পণ্য কৰা নাই। বাগান চলোৱাৰ ভাৰ সৰু ভায়েক উদ্ধৱ ছুৱৰা আৰু দেউতাকলৈ এৰি দি গৌতমে চিনেমা হল চলোৱাৰ ব্যৱসায়ত হাত দিছিল। ইয়াৰ কাৰণে নিজে এখন গাড়ী কিনি লোৱাৰ বিষয়তো দেউতাকে হকাবাধা কৰা নাছিল।

কিন্তু যেতিয়া কথাটো জনাজনি হৈ গ'ল যে গৌতমে কোনোবা অলকা চৌধুৰী নামে নাচনী ছোৱালী এজনীক নিজে পছন্দ কৰি বিয়া কৰাবলৈ ওলাইছে, পৰাশৰ ছুৱৰা অগ্নিশৰ্মা হৈ উঠিল।

"কোন চৌধুৰী হে! অসমত ক'ত চৌধুৰী আছেহে? কোনোবা জিয়ুইন চৌধুৰী থাকিলে নিজৰ ছোৱালীক নাচনী হবলৈ দিয়েনে? গৌতমতো সিমান বেয়া ল'ৰা নাছিল, এই মতিভ্ৰম হৈছে কিয়?"

"আপুনি অনুমতি নিদিলেও বোলে সেই ছোৱালীজনীক গৌতমে বিয়া কৰাবই, খাটাং কৰি পেলাইছে।"

"খাটাং কৰাৰ অধিকাৰ তাৰ মই অস্বীকাৰ নকৰো। কিন্তু মোৰ

অমাত্তি হোৱাৰ অধিকাৰোতো সি অস্বীকাৰ কৰিব নোৱাৰে। তাক মই সেইজনী ছোৱালী বিয়া কৰাবলৈ নিদিওঁ। খাটাং কথা।” পৰাশৰ দুৱৰাই কৈছিল।

“গৌতমে যদি আপোনাৰ বাধা নেমানে?”

কিছু চিন্তা কৰি পৰাশৰ দুৱৰাই সুধিলে, — “কিন্তু সেইজনী ছোৱালীক গৌতমে কিয় বিয়া কৰাবলৈ ওলাইছে?”

“গৌতমে বোলে ছোৱলীজনীক ভাল পাইছে?”

“ভাল পালেই বিয়া কৰাব লাগেনেকি? এটা জনাবুজা শিক্ষিত ল’ৰাই তাৰ মাক-বাপেক, বংশ পৰিয়ালক ভাল পাব লাগে। পৰিয়ালৰ মৰ্য্যাদা ৰক্ষা কৰা জেণ্টলমেনৰ কৰ্ত্তব্য।”

“আপুনিয়েইতো কয় যে আমাৰ দেশত জেণ্টলমেন নাই?”

“কেনেকৈ থাকিব? এজনী নাচনী ছোৱালীৰ কাৰণে মাক-বাপেকক এৰিব পৰা ল’ৰা য’ত থাকে, তাত কোনো বাপেকৰ পুতেক জেণ্টলমেন হ’ব নোৱাৰে।”

“যদি আপোনাৰ অনিশ্চাতো গৌতমে অলকাক বিয়া কৰায়, আপুনি কি কৰিব?”

“মই সেইজনী ছোৱালী বিয়া কৰাবলৈ নিদিওঁ—নে’ভাৰ!”

“ছোৱালীজনী কিন্তু ভাল ছোৱালী।”

“নাচনী ছোৱালীক ভাল ছোৱালী বুলি ক’লে, ভাল শব্দ-টোৰেই অৰ্থ বেলেগ হৈ যাব।”

“উৰ্বশী, ৰম্ভা, মেনকা—”

“ছাট্‌ আপ্‌, সে ৱে’ৰ এ ডিফাৰেণ্ট লট্‌। তেওঁলোকে দেৱতাৰ

আগত নাচিছিল, বাবে-বঙজুৰা মানুহৰ আগত নচা নাছিল।"

"আজি কালিতো দেৱতা-ভেৱতা নাই। বাইজকে আজিকালি গণ-দেৱতা বোলে।"

"কোনে বোলেহে? ভোট পাবৰ কাৰণে শিয়ান পলিটিচিয়ান কেটাই বোলে। আৰু সেই গণদেৱতাক মুখুৰাই শুকুৰাই মাৰে। কোনো নাচনী ছোৱালী পৰাশৰ ছুৱৰাৰ বোৱাৰী হ'ব নোৱাৰিব।"

পিতাকৰ মনৰ কথা গৌতমকো জনোৱা হৈছিল। গৌতমে আগতেই তেনে আশঙ্কা কৰিছিল। সেই বাবে মন থিৰ কৰিয়ে ৰাখিছিল।

গৌতমে কৈছিল, "দেউতাৰ মনত দুখ দিয়াৰ অভিপ্ৰায় মোৰ নাই। কিন্তু মোৰ মনত দুখ দিয়াও দেউতাৰ কাৰণে উচিত নহব। মোৰ বিয়াৰ সম্বন্ধ মোৰ জীৱনৰ লগত, দেউতাৰ জীৱনৰ লগত তাৰ সম্পৰ্ক অতি কম।"

"অলকাক বিয়া নকৰাই অন্য এজনী ছোৱালী বিয়া কৰালে জানো নহয়?"

"অন্য ছোৱালীক বিয়া কৰোৱাৰ কথা মই আজিলৈকে ভবা নাই, আৰু ভাবিবও নোৱাৰো।"

"অলকাক বিয়া কৰালে গোটেই পৰিয়ালটো ক্ষুণ্ণ হ'ব আৰু অলকা এজনী নাচনী ছোৱালী।"

"মোৰ লগত বিয়া হৈ গলে, অলকা আৰু নাচনী ছোৱালী হৈ নাথাকে, ছুৱৰা পৰিয়ালৰ বোৱাৰী হ'ব।"

"তেতিয়া জানো অলকা সুখী হ'ব?"

"সুখী হ'ব জানিলে মানুহ সকলো অৱস্থাতে সুখী হ'ব পাৰে।"

নিজৰ অনুভূতিৰ সমৰ্থনত গৌতমে তৰ্কৰ আশ্ৰয় লৈছিল। ক্ৰমে অলকায়ো এইবোৰ কথাৰ গম পাইছিল।

নিজৰ মনক সুধি অলকা এই সিদ্ধান্তলৈ আহিছিল যে সচা-কৈয়ে-শিল্পী-জীৱন আৰম্ভ কৰাৰ পিছত যিমানবোৰ ডেকাক অলকাই লগ পাইছে তাৰ ভিতৰত গৌতমৰ এটা আনৰ লগত নিমিলা বিশেষত্ব আছে। হয়তো গৌতম অনন্য নহয়, কিন্তু গৌতম অন্য ধৰণৰ ডেকা। অন্য ধনী, সুশ্ৰী ডেকাকো অলকাই লগ পাইছে, কিন্তু ধনী বুলি নহয়, নিজস্ব প্ৰত্যয়ৰ গৰাকী হিচাপে গৌতমৰ এটা বিশিষ্ট ব্যক্তিত্ব আছে। এটা পৌৰুষ আছে।

নাট্যমঞ্চ আৰু কথাছবি জগতৰ বাহিৰে-ভিতৰে বহুতকে লগ পাইছে অলকাই। বহুত শিল্পী, সাহিত্যিক, অভিনেতা, ৰাজনৈতিক কৰ্মীকো লগ পাইছে। কোনোবাই মৰম দিবলৈ বিচাৰে, কোনোবাই মৰম পাবলৈ বিচাৰে। কোনোবা দুঃসাহসী, কোনোবা ভীৰু। আনকি চলাহি কথা কৈ অলকাৰ দেহাৰ কাষ চাপিবলৈ বিচৰা ডেকাৰো সংখ্যা কম নহয়। কোনোবাই কথাছবিৰ পৰ্দাত ছায়া দেখিও প্ৰেমপত্ৰ লিখে। কোনোবাই ক'ৰবাত নৃত্য প্ৰদৰ্শনী বা অভিনয় কৰিবলৈ যাওঁতে বাটৰ কাষত ৰৈ চকুৰ চাৱনিৰেই গ্ৰাস কৰিবলৈ বিচাৰে। কোনোবাই চেনেহ শ্ৰদ্ধা জনাবলৈ বিচাৰে অলকাৰ শিল্পী সত্বাটোক, কোনোবাই মৰম পাবলৈ বিচাৰে মঞ্চৰ ওপৰত বিভিন্ন বিচিত্ৰ ভঙ্গীমাৰে দেহাৰ সুষমা প্ৰদৰ্শন কৰা অপূৰ্ব সুন্দৰী অলকা চৌধুৰী নামৰ গাভৰুজনীৰ। কেতিয়াবা কাৰোবাৰ প্ৰতি সামান্য দুৰ্বলতা অনুভৱ নকৰাও নহয় অলকাই। কিন্তু অলকা সদায় সাৱধান। ভাৰতীয় বাইজে শিল্পীৰ ব্যক্তিগত জীৱনবো খবৰ ৰাখে। আৰু মানুহ আৰু শিল্পী হিচাপেই মানুহে গুণাগুণ নিৰ্ণয় কৰে। গতিকে সকলোবে

ব্যক্ত অব্যক্ত স্নেহ প্ৰীতিক সাদৰি লৈ, সেই সকলৰ মনক ধৰা পেলোৱাে নিজে বিশেষ কাৰো ওচৰত ধৰা নিদিয়াকৈ অলকা চলি আহিছিল। আনকি এখন কথাছবিত যিজন নায়কৰ বিপৰীতে নায়িকা হিচাপে অনবদ্য অভিনয় কৰি অলকা এক অনন্য অভিনেত্ৰী বুলি বিখ্যাত হৈ পৰিছিল, যাৰ লগত অভিনয় কৰোতে অকণো সঙ্কোচ নকৰাকৈ তেওঁৰ বাহুপাশত সোমাই পৰি, তেওঁৰ গালত গাল থৈ, তেওঁৰ চকুলৈ অন্তৰৰ সকলো মৰমৰ অনুভূতিৰে চাই দৰ্শকৰ মনত সচা প্ৰণয়ৰ অভিব্যক্তিৰ এক স্মৰণীয় দৃশ্য দাঙি ধৰিছিল, অভিনয়ৰ বাহিৰত সেই নায়কজনৰ সান্নিধ্যৰ পৰাও অলকাই নিজক আতঁৰাই ৰাখিছিল আৰু প্ৰেমিকৰ অভিনয় কৰা সেই নায়ক জনে ভিক্ষা কৰিও অলকাৰ এটা চুমা পোৱা নাছিল। কঠোৰভাৱে নহয়, মাৰ্জিত ভাৱে তেওঁৰ দাবী প্ৰত্যাখ্যান কৰি, হাঁহি অলকাই কৈছিল, "ডিৰেক্টৰে কলে কেমেৰাৰ আগত মই আপোনাক চুমা দিব পাৰো, কিন্তু এনেই নোৱাৰো।"

'ইয়াত অন্য কোনো নাই।"

" সেই কাৰণেই '।

প্ৰেমিক নায়ক হতাশ হৈছিল।

এদিন দুদিন নহয়, নৃত্যানুষ্ঠানৰ পৰা, অৰ্হতা লৈ ওলাই অহাৰ পিছত দেশৰ নানা ঠাইত যোৱা পাঁচ বছৰে নৃত্য প্ৰদৰ্শন কৰিছে অলকাই। দুখন কথাছবিত নায়িকাৰ অভিনয় কৰিছে, তিনিখনত নৃত্যৰ অংশত নাচিছে, ১৭ বছৰীয়া ছোৱালীজনীৰ বয়স আজি হৈ পৰিছে ২২ বছৰ। আজিলৈকে প্ৰায় সকলোৱে অলকাক নৃত্যশিল্পী বুলিহে বিবেচনা কৰিছে, এজনী বিবাহযোগ্যা গাভৰু বুলি নহয়। গৌতম দুৱৰায়েই প্ৰথম ডেকা যি অলকাক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছে। অলকাক ভাল পোৱাৰ দুৰ্বলতাৰ বাহিৰে অন্য কোনো দুৰ্বলতা গৌতমৰ নাই যেন ধাৰণা হ'ল অলকাৰ। অলকাই অৱশ্যে

গৃহিনী হৈ শিল্পী-জীৱন বাদ দিয়াৰ কথা কোনোদিন ভবা নাই। স্বামীৰ অধিকাৰ পোৱা এক বিশেষ ব্যক্তিৰ মৰমৰ সীমাৰ মাজত নিজৰ জীৱনটোক আবদ্ধ কৰি ৰখাৰ এটা আত্মতৃপ্তি থাকিব পাৰে, কিন্তু লক্ষজনৰ মৰম, শ্ৰদ্ধা, প্ৰশংসা, শুভ-ইচ্ছাৰ মাজত আত্ম-উপলব্ধিৰ যি আনন্দ আছে, তাৰ লগত তাৰ তুলনা হব নোৱাৰে।

কিছু দ্বিধা আৰু সঙ্কোচেৰে হলেও এই বিষয়ে বিয়াৰ আগতে অলকাই গৌতমৰ লগত আলোচনা নকৰা নহয়।

অলকাই কৈছিল, "আপুনি জানে, দৰ্শকৰ হাত চাপৰি বা প্ৰশংসা পাবৰ কাৰণেই মই নেনাচো। আমাৰ দেশৰ হাজাৰ হাজাৰ বছৰৰ সাংস্কৃতিক পৰম্পৰাৰ ধাৰা চলমান কৰি ৰাখিবৰ কাৰণেই মই নাচো। ভগৱানে সৃষ্টিকৰা মানুহৰ এই সুন্দৰ দেহাটো, সুৰেৰে কথাক সুন্দৰ কৰাৰ দৰে, ৰং-তুলিকাৰে বস্তুক সুন্দৰ কৰাৰ দৰেই এটা অনিৰ্ব্বচনীয় সৌন্দৰ্য্যৰ আধাৰ কৰি যে তুলিব পাৰি, সেই কথাৰ মৰ্ম উপলব্ধি কৰিবৰ কাৰণেই আৰু কৰাবৰ কাৰণেই মই নাচো।"

গৌতমে ক'লে, "সিমানবোৰ কথা মই নুবুজো। কিন্তু নাচিব পৰা এজনী ছোৱালী আৰু নাচিব নজনা এজনী ছোৱালীৰ মাজত এটা পাৰ্থক্য থকাটো মই স্বীকাৰ কৰো। শিল্পী হিচাপে সংস্কৃতিৰ পৰম্পৰা জীয়াই ৰখাটো যেনেকৈ তোমাৰ কৰ্ত্তব্য, তেনেকৈ এগৰাকী পত্নী আৰু এগৰাকী মাতৃ হোৱাৰ পৰম্পৰাতো সৌন্দৰ্য্য নাই বুলি তুমি ক'ব নোৱাৰা, এগৰাকী মাতৃও এগৰাকী মহৎ শিল্পী! মই তেনেকৈয়ে ভাবো।"

"কিন্তু বিয়াৰ পিছতো মই এতিয়াৰ দৰেই শিল্পীৰ জীৱন কটাবলৈ পামতো?"

"মোৰ মৰমে যদি তোমাক নোজোৰে, তেতিয়া তোমাৰ

জগত সম্পৰ্কহীন দৰ্শকৰ মৰম বিচাৰি যোৱাৰ প্ৰয়োজন যদি অনুভৱ কৰা—"

বাধা দি অলকাই কৈছিল,— "শিল্পী আৰু দৰ্শকৰ মাজত সম্পৰ্ক নাই বুলি নকব। সেই সম্পৰ্ক ইমান গভীৰ, ইমান নিঃস্বাৰ্থ, ইমান পবিত্ৰ, যে আনে তাক বুজিব নোৱাৰে। কেতিয়াবা মই গাত এশ-দুই ডিগ্ৰী জ্বৰ লৈও নাচিছো—দৰ্শক নিৰাশ নহবৰ কাৰণে। কেতিয়াবা ডবা-পিতা ৰবৰুণত তিতিও হেজাৰ হেজাৰ দৰ্শকে মোৰ নাচ চাইছে, মোক হতাশ নকৰিবৰ কাৰণে—এইটো এক আচৰিত নিঃস্বাৰ্থ, অবৰ্ণনীয় সম্পৰ্ক।"

চমুকৈ গৌতমে কৈছিল "এজন স্বামীয়ে মোৰ মনেৰে তেওঁৰ পত্নীৰ কাৰণে তাতকৈও বেছি কিবা কৰিব পাৰে—"

"আৰু এগৰাকী পত্নীয়ে তেওঁৰ স্বামীৰ কাৰণে একো কৰিব নোৱাৰে বুলি কবনেকি ?"

হাঁহি দিছিল দুয়ো—।

"বিয়াৰ আগতে ইমানবোৰ দাৰ্শনিকতা ভাল নহয়। এতিয়াও তো আমি এজনেও স্বামী বা স্ত্ৰী হৈ পোৱা নাই।" হাঁহি হাঁহিয়ে গৌতমে কৈছিল, 'বিয়াৰ পিছত কিন্তু মোৰ দুটা চকুৰ চাৱনিতে সহস্ৰ দৰ্শকৰ চাৱনি থুপ খাইছে বুলি তুমি ধৰি ল'ব লাগিব। মোৰ দুটা চকুৱেই হেজাৰ চকু হৈ তোমাক চাব।"

গৌতমৰ কথাই অলকাক সচাই অভিভূত আৰু পুলকিত কৰিছিল।

"মোকো আপুনি তেনেকৈয়ে ল'ব লাগিব। ঘৰৰ মজিয়াতে হওক বা মঞ্চৰ মজিয়াতে হওক, পত্নী ৰূপতে হওক বা নৰ্ত্তকীৰ বেশ ভূষাতে হওক, মোক আপুনি আপোনাৰ একেজনী অলকা ৰূপেই লব লাগিব। পাৰিব নহয় ?"

অলকাক কাষলৈ চপাই আনি আবেগেৰে গৌতমে কৈছিল,—"পাৰিম, পাৰিম। মোক কেৱল তোমাক লাগে, নাচা বা নেনাচা। মোৰ মৰমৰ জগতখন যিদিনা তোমাৰ বৰ সৰু যেন লাগিব, সেই-দিনা তুমি তাৰপৰা বাহিৰ ওলাই যলৈকে মন যায় যাবা। মই জানো, ভাল পাওঁতাজনৰ হৃদয়তকৈ বহল পৃথিৱী তুমি আৰু ক'তো নোপোৱা।"

গৌতমৰ বিয়াত যদিও পৰাশৰ দুৱৰা বা তেওঁৰ আপোন-পৰিয়ালৰ কোনো নাছিল, গাম্ভীৰ্য্যপূৰ্ণ আড়ম্বৰেৰেই বিয়াখন হৈ গ'ল। বিয়া গৌতমে লোৱা ভাড়াঘৰৰ পৰাই হ'ল। চিনেমা-হলৰ কৰ্মচাৰী, বভিন্ন কথাছবি আৰু মঞ্চশিল্পী, ব্যৱসায়ী আদি বৰযাত্ৰী হ'ল। শিলাতৰ পৰা যামিনীয়ে কেৱল্'কৰি শুভইচ্ছা জনালে। গৌতমৰ ভাল লাগিল। বিয়াৰ দিনা পৰাশৰ দুৱৰা সপৰিবাৰে গুছি গ'ল। কোনোবা কোনোবাই নেযাবলৈ কৈছিল; গৌতম, অলকাক আশীৰ্বাদ কৰিবলৈ কৈছিল। তেওঁ সকলোকে ভৎ'সনা কৰি ক'লে, "নটীক সতী বুলিব তোমালোকে পাৰা, মই নোৱাৰো। নাচ যাৰ পেশা, সি নিজেই নেনাচে, আনকো নচুৱায়। গৌতমৰ লগতে পৰাশৰ দুৱৰাৰ পৰিয়ালটোক নচুওৱাত মই নাই। আমি নেনাচো, নাচ চাম—"

প্ৰতাপ চৌধুৰীৰ পৰিয়ালে যথাশক্তি আয়োজন কৰি বিয়াখন পাতিলে। বিভিন্ন ঠাইৰ পৰা অলকাৰ গুণমুগ্ধ বিভিন্নজনে নানা উপহাৰ পঠিয়ালে অলকাৰ বিয়াৰ উপলক্ষে। বিয়াৰ উখল মাখলৰ মাজত গৌতমৰ পিতৃ পৰিয়ালৰ অনুপস্থিতি আৰু অসহযোগৰ কথা বহুতৰে চকুত নপৰিল। প্ৰতাপ চৌধুৰীৰ পৰিয়ালেও সেই কথাটো গুৰুত্বপূৰ্ণ নহয় যেন বুজাবৰ প্ৰয়াস কৰিলে। মুৰত ওৰণি লৈ, অলকাই বোৱাৰীৰ জীৱনত প্ৰবেশ কৰিলে। ●

কোনো লিখকে কিছুদিন লিখিবলৈ এৰিলে পাঠকে সেই লিখকক পাহৰি যায়। কোনো গায়কে কিছুদিন গাবলৈ এৰিলে তেওঁৰ শ্ৰোতাসকলে সেই গায়কক পাহৰি যায়। কোনো জনপ্ৰিয় আৰু বিখ্যাত খেলুৱৈয়ে কিছুদিন নেখেলাকৈ খেল-পথাৰৰ পৰা আঁতৰি থাকিলে, খেলত আমোদ-পাওঁতাসকলে তেওঁক পাহৰি যায়। এবাৰ জনস্মৃতিৰ পৰা খহি খাই গলে, পুনৰ তাত ঠাই কৰি লোৱা কঠিন হয়। পৃথিৱীত কোনোবেই কাৰো কাৰণে ৰৈ নেথাকে। নতুনে পুৰণিৰ ঠাই লয়, ক্ৰমে ক্ষণস্থায়ী লোক-স্মৃতিৰ পৰা এটা এটাকৈ সেই নামবোৰ নোহোৱা হৈ যায়।

বিয়াৰ কেইবামাহৰো পিছলৈকে অলকা গৌতম দুয়োৰে মৰমৰ মাজত এনেদৰে আত্মহাৰা হৈ আছিল, যে পুনৰ মঞ্চত নচাৰ কথা মুখত আনিবলৈকো অলকাৰ বেয়া লাগিছিল। গৌতমৰ বলিষ্ঠ যৌৱনৰ মোহময় আবেষ্টনীৰ মাজত নিজকে বিলাই দি অলকাই ভাবিছিল, এইয়া জীৱনৰ পূৰ্ণতা, আৰু একো বিচাৰিবলগীয়া নাই, আৰু একো পাবলগীয়া নাই। কেউপিনে বাঙলী ফাগুনৰ অকৃপণ হাঁহি, কেউপিনে শাৰদী পূৰ্ণিমাৰ ৰূপালী জোনাক, হৃদয়ৰ চাৰিওদিশে ইন্দ্ৰধনুৰ কোমল আবেষ্টন, নিঃশ্বাসত শুভ্ৰ শেৱালীৰ মাদকতাভৰা সৌৰভ।

আনন্দ! উন্মাদনা! আবেগ! মনৰ কোণে কোণে, প্ৰাণৰ প্ৰান্তৰে প্ৰান্তৰে কেৱল পোৱাৰ আনন্দ।

গৌতম আৰু অলকা।

অলকা আৰু গৌতম।

অভিন্ন—।

তেওঁলোকৰ নতুন অভিজ্ঞতাই ৰবীন্দ্ৰনাথৰ কবিতাত অভি-ব্যক্তি বিচাৰি পায়—

সমাজ সংসাৰ মিছে সব,
মিছে এ জীৱনেৰ কলৰব,
কেৱলি আঁখি দিয়ে,
আঁখিৰ সুধা পিয়ে,
হৃদয় দিয়ে হৃদি অনুভব............।

অলকাৰ নৃত্যছন্দৰ চৰম মুহূৰ্ত্তত দেহা যিদৰে এক অদেহী বাঙ্ময় সত্ত্বা হৈ পৰে, সেইদৰে গৌতম অলকাৰ মিলনৰ নিবিড় উপলব্ধিয়ে দুয়োৰে ভিন ভিন সত্ত্বাক অভিন্ন কৰি তোলে। এই অভিজ্ঞতা জীৱনৰ শ্ৰেষ্ঠতম সঞ্চয়। নৃত্যত অভিনয় আছে—কিন্তু এইয়া জীৱন—ইয়াত কোনো অভিনয় নাই। নিৰ্ভেজাল, খাঁটি, মৌলিক।

নৃত্যানুষ্ঠানৰ আয়োজক সকলেও বিবেচনা কৰি চালে ঃ সিদিনা মাথোন বিয়া হোৱা এজনী ন বোৱাৰীক নৃত্য পৰিবেশনৰ কাৰণে মতাটো শোভনীয় হ'বনে? উচিত হ'বনে? অলকাই নচাৰ ইচ্ছা প্ৰকাশ কৰিলে নিশ্চয় নিমন্ত্ৰণ কৰা যাব, কিন্তু এতিয়াই নহয়, ইমান সোনকালে নহয়, আৰু নতুন নতুন নৃত্যশিল্পীও তো ওলাইছে—নিৰ্জৰা চলিহা, অঞ্জনা দাস, মাধবী ভূঞা............।

কোনো-কোনোৱে ক'লে, "বিয়াৰ পিছত গায়িকাৰ আকৰ্ষণ একেই থাকে, নকমে, কিন্তু নাচনীৰ আকৰ্ষণ কমি যায়। সেই কাৰণেই উৰ্ব্বশীৰ বিয়া নহৈছিল!"

"বিয়াৰ পিছত নাচনী নাচৰ স্কুলৰ মাষ্টৰণী সোমাব লাগে, আৰু নৃত্য প্ৰতিযোগীতাৰ বিচাৰক হৈ পুৰস্কাৰ ঘোষণা কৰিব লাগে। বোৱাৰী ছোৱালীৰ নাচ কোনে চাবহে?"

"অলকাৰ কিন্তু আকৰ্ষণ এতিয়াও আছে। নাচক, দেখিবা হেজাৰ হেজাৰ দৰ্শক ওলাব চাবলৈ।"

"আৰ্টতকৈ বিয়া হোৱাটো ডাঙৰ বুলি ভাবিলে— অলকাও অন্যতকৈ একো বেলেগ নহয়।"

বিভিন্ন জনৰ বিভিন্ন মত। ভিন ভিন আলোচনা।

এমাহ, দুমাহ, তিনিমাহ, চাৰিমাহ, পাঁচ মাহ— ছমাহ।

বিভিন্ন ঠাইত সাংস্কৃতিক অনুষ্ঠান হ'ল। নতুন নতুন শিল্পীয়ে অনুষ্ঠান পৰিবেশন কৰিলে। দৰ্শকৰ মাজত এইসকল নতুন শিল্পীৰ বিষয়ে আলোচনা হ'ল।

অলকাৰ বিষয়ে কোনো কথা নোলাল। কিছুসংখ্যক অলকাৰ নৃত্য-প্ৰতিভাৰ প্ৰকৃত গুণমুগ্ধ লোক সচেষ্ট থাকিল আকৌ তেওঁক মঞ্চত নমানৰ কাৰণে। তেওঁলোকৰ বিশ্বাস আছিল আৰু অলকাৰ নিচিনা এজনী জন্মশিল্পীয়ে কেতিয়াও মঞ্চ আৰু বাইজৰ পৰা আঁতৰি থাকি নিশ্চয় অন্য এজনী সাধাৰণ গোৱালীবদৰে স্বামী, ননদ, শহুৰ-শাহু আৰু নিজৰ কোলাৰ কেচুবাক লৈ সন্তুষ্ট থাকিব নোৱাৰে। যাৰ তেজৰ কণাত নাচৰ ছন্দ আছে, তেওঁ নাচিবই, নেনাচি থাকিব নোৱাৰে।

বিয়াৰ ছমাহৰ ভিতৰত গৌতম আৰু অলকা নিজৰ গাড়ী লৈ, লগত নেপালী ড্ৰাইভাৰটো আৰু এদিন বাগানৰ বাবুৰ ল'ৰা লৈ ভাৰতৰ বহু ঠাইত ঘূৰিলে—দাৰ্জিলিং, কলিকতা, পুৰী, ভাইজাগ, মাদ্ৰাজ, কন্যা-কুমাৰী, ত্ৰিবান্দ্ৰম, বাঙ্গালোৰ, হায়দৰাবাদৰ পৰা, আগ্ৰা, মথুৰা, দিল্লী, চিমলা, কাশ্মীৰ, জয়পুৰ পৰ্যন্ত। পৃথিবীৰ দিশে দিশে জীৱন্ত মানুহৰ জীৱনৰ যি অবিৰাম নৃত্যছন্দ চলিব লাগিছে, তাৰ সংস্পৰ্শলৈ আহিব নোৱাৰিলে, সাঁচত ঢলা কেইটামান প্ৰাচীন নৃত্যৰ মুদ্ৰাৰ মাজত পৰিবৰ্তনশীল জীৱনৰ ছন্দময় গতিৰ আভাস পাব নোৱাৰি।

মঞ্চৰ পৰা ওলাই আহা, মুকলি আকাশৰ তলত দিন আৰু ৰাতি, পুৱা আৰু সন্ধিয়াৰ উন্মুক্ত আবেষ্টনীৰ মাজত জীৱনৰ প্ৰাচীন অথচ চিৰ-নতুন নাচোনৰ ছন্দত তোমাৰ নিজৰ ছন্দ মিলাই দি আগবাঢ়া, জীৱনৰ স্বাভাৱিক অভিব্যক্তি বিচাৰা— গৌতম ছুৱৰাই যেন অলকাক ক'ব খুজিলে, মুখৰ কথাৰে নহয়, বিভিন্ন ঠাইৰ বিভিন্ন মানুহৰ মাজত ঘূৰি ঘূৰি।

অলকাহঁতৰ ভাগৰ লগা নাছিল। এখন বিশাল বিচিত্ৰ দেশৰ চিনাকি অচিনাকি গলিয়ে, ৰাজপথে, গাঁৱে চহৰে, বিচিত্ৰ বেশভূষা, দুৰ্বোধ্য ভাষা, অদ্ভুত ৰীতি-নীতিৰ কাষে কাষে, মাজে মাজে ঘূৰি ফুৰি অলকাহঁতে যেন নিজক নতুনকৈ আবিষ্কাৰ কৰাৰ সুযোগ লাভ কৰিলে। বিয়াৰ মাজেদি জীৱনৰ নতুন ৰহস্যৰ মাজলৈ প্ৰবেশ কৰা, আৰু লক্ষ্য-হীন পৰিভ্ৰমণৰ মাজেদি জনজীৱনৰ বৈচিত্ৰ্যৰ লগত পৰিচিত হ'বৰ যত্ন কৰা— দুয়োটাই যেন সমানেই অৰ্থপূৰ্ণ, সমানেই উপভোগ্য।

এই দীঘলীয়া ভ্ৰমণৰ মাজতে বিভিন্ন ঠাইত থিয়েটাৰ চালে, দেশী-বিদেশী চিনেমা চালে, নৃত্যানুষ্ঠান চালে, সঙ্গীতানুষ্ঠান চালে, কেতিয়াবা মুগ্ধ হ'ল, কেতিয়াবা হতাশ হ'ল, কেতিয়াবা বিস্মিত হ'ল, কেতিয়াবা কোনো আধুনিক অপকৃষ্টিৰ প্ৰদৰ্শনী দেখি লজ্জিত হ'ল। তথাপি বেয়া নালাগিল। সৃষ্টিৰ কামত মানুহ লাগি আছে, সকলো ঠাইতে অহৰহ দেৱাসুৰৰ যুদ্ধ চলিছে। অমৃতৰ সন্ধানীয়ে পাইছে অমৃত, গৰলৰ সন্ধানীয়ে পাইছে গৰল। মানুহৰ আত্ম আবিষ্কাৰৰ প্ৰয়াস অবিৰাম চলি আছে—চলি আছে।

বহুত নতুন অভিজ্ঞতা লৈ গৌতম-অলকা নিজ ঘৰলৈ ঘূৰি আহিল।

গৌতম নিজৰ ব্যৱসায় বিষয়ক কামত ব্যস্ত হৈ পৰিল। অলকাৰ স্মৃতিৰোমন্থন আৰু বন্ধু-বান্ধৱীৰ লগত নানা অসংলগ্ন গল্প-গুজৱ কৰি সময় কটোৱাৰ বাহিৰে অন্য কাম নাছিল। অলকাই প্ৰতি মুহূৰ্ততে

অনুভৱ কৰিলে বাহিৰৰ বন্ধনহীন মুকলি জগতখনৰ আহ্বান— কোনে যেন মাতিব লাগিছে— ওলাই আহা, ঘৰৰ ভিতৰৰ পৰা ওলাই আহা। এজনৰ চকুৰ চাৱনিৰ সীমাৰপৰা সহস্ৰজনৰ চকুৰ বিস্ময়ৰ মাজলৈ ওলাই আহা। এই আহ্বান অপ্ৰতিহত, এই আহ্বান দুৰ্ণিবাৰ।

দাপোণৰ সন্মুখত বৈ অলকাই নিজকে ভালকৈ চালে। বিয়াৰ পিছৰপৰা যেন অলকাৰ দেহাৰ প্ৰতিটো অঙ্গই এক অপূৰ্ব পূৰ্ণতা লাভ কৰিছে। চকুহুটা আৰু উজ্জ্বল হৈছে, চাৱনি আৰু গভীৰ হৈছে, গাল দুখন দুপাহ তেজ গোলাপ যেন ৰঙা হৈ উঠিছে। বাওঁ গালত থকা সৰু তিলটো যেন আৰু স্পষ্ট হৈ পৰিছে, আৰু গা'টো— উজ্জ্বল, পাৰভঙা যৌৱনৰ মোহনীয় আশীৰ্ব্বাদেৰে পূৰ্ণ হৈ পৰিছে। মাতৃত্বৰ প্ৰতিশ্ৰুতি তাতে শুই থাকক, আজি তাত প্ৰকাশি উঠিছে যৌৱনৰ, কেৱল উদ্ভিন্ন, উজ্জ্বল যৌৱনৰ লুকালুকি খেলা।

নিজকে চাই থাকি অলকাৰ হেপাহ নপলোৱা যেন লাগিল।

মনে মনে অলকাই কলে, "মই আকৌ নাচিম।"

অলকাৰ মনৰ প্ৰসন্নতা আৰু উৎফুল্লতা দেখি গৌতমৰো আনন্দ লাগিল। শিল্পী-সুলভ অভিমান, বিষণ্ণতা, উল্লাস, প্ৰসন্নতা সকলোকে গৌতমে গ্ৰহণ কৰিবৰ চেষ্টা কৰিলে পূৰ্ণতাৰ উপলব্ধি আৰু প্ৰাচুৰ্য্যই অলকাৰ জীৱনলৈ অনা স্বাভাৱিক অভিব্যক্তি বুলি।

'মই আকৌ নাচিম'— এই কথাষাৰ মুখ খুলি কবলৈ কিন্তু অলকাৰ সাহসে নুকুলালে। সদায় ক'ম বুলি ভাবে, কিন্তু কোৱা হৈ নুঠে। যেন তিনিটা শব্দৰ সৰু বাক্যটোৱে গৌতম আৰু অলকাৰ একান্ত উপলব্ধিৰ নিবিড়তাক খানখান কৰি দিব! যেন গৌতমৰ প্ৰতি জন্মা অলকাৰ গভীৰ প্ৰেমক গৌতমৰ কাৰণে অবিশ্বাস্য কৰি তুলিব, গৌতম ক্ষুণ্ণ হ'ব, অসন্তুষ্ট হ'ব।

চৈধ্যটো মাহ পাৰ হৈ গ'ল। নিৰ্বিবোধ আত্মদান, তৃপ্তি আৰু উল্লাসৰ মাজেদি। অলকাৰ মনৰ কথা মুখলৈ অনাৰ সুযোগ নহ'ল, সাহস নহ'ল। মাজে মাজে অলকাই অসন্তুষ্টি অনুভৱ কৰিব ধৰিলে—মোৰ শিল্পী জীৱনটো এনেকৈয়ে শেষ হৈ যাবনেকি? মোৰ সুখৰ অভাৱ নাই, কিন্তু তৃপ্তি ক'ত? তৃপ্তি মানে মৃত্যু, সুখ মানে মৃত্যু—মই মৰিযোৱাৰ পথত ভৰি দিছোনেকি? কিহৰ বিনিময়ত মই মোৰ শিল্পী সত্বাটোক আত্মসুখ নামৰ মৃত্যুৰ জগতখনৰ ফালে ঠেলি আগুৱাই নিছো?

বিবাহৰ স্বাভাৱিক পৰিণতি মাতৃত্ব। কিন্তু মই গৌতমক জনাই দিছো এতিয়াই মই মাতৃ হবলৈ নিবিচাৰো। গৌতমে একো কোৱা নাই। হয়তো গৌতমে আশা কৰিছে নাৰীৰ স্বাভাৱিক অভিপ্ৰায় পূৰণৰ প্ৰয়োজনতে মই মাতৃ হোৱাৰ পথত মোৰ মনৰ ইচ্ছাৰে সুৰহ দিন বাধা দি থাকিব নোৱাৰিম। স্বাভাৱিক ভাৱেই গৌতমৰ প্ৰতি থকা মোৰ সকলো মৰম, ভালপোৱা মোৰ সন্তানত আৰোপিত হ'ব। মাতৃ হোৱাৰ গৰ্ব আৰু আনন্দেৰে মই গৌতমক অভিনন্দন জনাম, মোৰ সন্তানৰ পিতৃ হিচাপে।

হয়তো হ'ব। কিন্তু এতিয়াই নহয়।

মই শিল্পী। মই নৃত্যশিল্পী অলকা হুৱৰা। সেই পৰিচয়েৰেই মই জীয়াই থাকিবলৈ বিচাৰো। যথেষ্ট হৈছে—অলকা চৌধুৰী অলকা হুৱৰা হৈছো, কুমাৰী অলকা শ্ৰীমতী অলকা হৈছো। আৰু কিবা হলে মই নিৰ্ব্বিশেষ হৈ যাম।

আৰেলি।

বেলি লহিয়াইছিল। ৰ'দজাক কোমল হৈছিল। শাস্তভাৱে এজাক বতাহ বলি আছিল।

গৌতম আৰু অলকা ঘৰৰ আগৰ লনখনতে দুখন বেতৰ চকীত বহি আছিল। মাজৰ সৰু টিপয় খনত আছিল চাহৰ পিয়লা, বাতৰি কাকত আৰু এখন নে দুখন কথাছবিৰ আলোচনী। তেওঁলোকে বিশেষ একো কথা পতা নাছিল।

এখন গাড়ী আহি গে'টৰ সন্মুখত ৰ'লহি। দুয়ো সেইফালে চালে। চাৰিজন মানুহ গাড়ীৰ পৰা নামি আহিল। এজন বয়সস্থ মানুহ—ধুতী কুৰ্তা পিন্ধা, চকুত চশমা, মূৰটোৰ আগভাগ টপা। বাকী তিনিজন পেণ্ট-হাৱাই চাৰ্ট পিন্ধা ডেকা ল'ৰা।

"গোপাল বৰঠাকুৰ নহয়নে?" সৰুকৈ কৈ গৌতম বহাৰ পৰা উঠিল! অলকাও উঠিল। তেওঁলোক সোমাই আহিল। গৌতমে চিগাৰেট পেকেট আৰু জুইশলাটো পেণ্টৰ জেপত ভৰালে, আৰু দুখোজ আগুবাই গৈ অভ্যাগতকেজনক নমস্কাৰ জনালে। অলকাই লক্ষ্য কৰিলে ল'ৰাকেইজনে গৌতমক প্ৰতি-নমস্কাৰ জনাইছে, কিন্তু চকু আছে অলকাৰ ওপৰত। তেওঁ কিন্তু এজনকো চিনি পোৱা নাই।

বয়ুৱা ল'ৰা এটাই আৰু কেইখনমান চকী আনি দিলে। আটাইকেজন বহিল। অলকা নবহি ভিতৰলৈ যাব খুজিছিল, বৰঠাকুৰে মানা কৰি প্ৰায় নিৰ্দেশৰ সুৰতে ক'লে, "বহা, বহা, উঠিছা কেলেই? তোমাকে লগ পাবৰ কাৰণেহে আমি আহিছো।"

গৌতমে এবাৰ বৰঠাকুৰৰ মুখলৈ চালে, তেওঁৰ কথাবাৰত যেন সন্তুষ্ট হ'ব পৰা নাই, এনে অনুভৱ কৰিলে যদিও, মুখেৰে ক'লে "আপোনালোক বহক।"

অলকা নবহি গৌতমৰ চকীখনৰ পিছফালে থিয় দি থাকিল।

বৰঠাকুৰে ক'লে, "ঘৰতে লগ পাইছোহি যে বৰ ভাল হ'ল অ' এওঁলোক, এৰা, বহুত দূৰৰ পৰা আহিছে। ম'ৰাচালি গাওঁৰ পৰা।"

গৌতম আৰু অলকাই ডেকাকেজনৰ মুখলৈ চালে।

"এওঁলোকে মোক লৈ আহিছে। মোৰ সেইফালে কিছু কাৰবাৰ আছে নহয়। হেৰা, সকলো কথা ময়ে ক'মনে? তোমালোকে কোৱা আকৌ কেলেই আহিছা—"।

এজন ডেকাই আৰম্ভ কৰিলে, "আমাৰ ম'ৰাচালি প্ৰগতি শিল্পী সংঘৰ নাম কিজানি শুনিছে। আঠ বছৰ হৈছে প্ৰতিষ্ঠা হোৱাৰ। অহা মাহৰ ১৪ তাৰিখে বাৰ্ষিক অধিবেশন পাতিবলৈ লৈছে।"

লৰাজন ৰ'ল। এবাৰ গৌতমৰ মুখলৈ আৰু এবাৰ অলকাৰ মুখলৈ কিছু আশা আৰু কিছু সংশয়ৰ চাৱনিৰে চালে, আৰু কিবা এটা ক'ব খুজিলে।

বৰঠাকুৰে কবলৈ ধৰিলে, "এওঁলোকৰ সকলোৰে একান্ত ইচ্ছা—অলকাই—" তাৰ পিছত অলকাৰ মুখলৈ চাই—"তুমি যাবই লাগিব। তেওঁলোকে মনে মনে ভয় কৰিছে, জানোচা বিয়া হৈ গ'ল কাৰণে তুমি নচা-মেলা এৰি দিছা। কিন্তু মই কৈছো, আৰ্টিষ্ট আৰ্টিষ্টেই। বিয়া হ'ল বুলি নাচিবলৈ এৰিব কিয়? তোমাৰ নাচ যি এবাৰ দেখিছে, সি পাহৰিব পাৰেনে? এওঁলোকৰো ইচ্ছা প্ৰকৃত নাচ বস্তুটো যে কি এবাৰ তোমাক তালৈ নি তাৰ ৰাইজক দেখুৱাব।"

অসহায়ভাবে অলকাই এবাৰ গৌতমৰ মুখলৈ আৰু এবাৰ বৰঠাকুৰৰ আৰু অন্যান্যৰ মুখলৈ চালে। নিশ্চলভাবে গৌতম বহি আছে। কোনোৱে একো কোৱা নাই।

অস্বস্তিকৰ নিৰৱতা।

কিছু সময়ৰ মূৰত অলকাই ক'লে, "মই চাহ দিবলৈ কওঁ—" কৈয়ে তেওঁ ধীৰ খোজেৰে ভিতৰলৈ গুচি গ'ল।

বৰঠাকুৰেই আকৌ ক'লে, "সচাকৈয়ে ছুৰৰা অলকাক লৈ আমি গৌৰৱ কৰো। নাচতো শিকিছে বহুতেই। কিন্তু এনেকুৱা সাধনা, এনেকুৱা পাৰফেক্ট পাৰফৰ্মেন্স— আৰু দ্বিতীয় কাৰোবাৰ নাম ক'ব পাৰিব ? আৰু আৰ্টিষ্ট জীয়াই থাকে বাইজৰ মৰমৰ মাজত। তাৰিখ হ'লগৈ ১৪ নভেম্বৰত। গৰমো নাই, ঠাণ্ডাও নাই, আইডিয়েল ৰে'দাৰ।"

কিছুপৰ চিন্তিতভাৱে নিৰৱে বহি থাকি হঠাৎ কিছু কক্ষভাৱে গৌতমে ক'লে, "অলকাই আৰু মনচাটোকে ঠিক কৰিছে।"

তেওঁৰ কথাষাৰে আটাইকেইজনকে হতাশ কৰিলে।

পৰিস্থিতিটো কিছু সহনীয কৰি তুলিবৰ কাৰণে বৰঠাকুৰে কলে, "এওঁলোক যে ইমান আশা কৰি ইমান দূৰ আহিল, আৰু মিচেছ ছুৰ-ৰাইতো প্ৰফেচনেল নাচ নেনাচে। এটা ডেমনষ্ট্ৰেচন— ধৰক, এটা বিশেষ ভাৰত-নাটাম—"

অলকা ভিতৰৰ পৰা আহি আকৌ গৌতমৰ পিছফালে বলহি।

গৌতমে ক'লে, "আপুনিতো এসময়ত বিখ্যাত ফুটবল খেলুৱৈ আছিল। চেন্টাৰ ফৰৱাৰ্ড খেলিছিল নহয় জানো ? কিন্তু এতিয়া জানো আপুনি খেলিব ?"

অলকাই ক'লে, "চাহ দিছে।"

গৌতম বহাৰ পৰা উঠিল আৰু ক'লে "বলক, চাহ খোৱা যাওক। তোমালোকে বেয়া নেপাবা বুজিছা— মই বাক তোমালোকৰ ফাংচনৰ কাৰণে আঢ়ৈ শ টকাকে দিম।"

এজন ডেকাই কিছু মৰসাহ কৰি ক'লে, "আপোনালোক দুয়োকো আমাৰ বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰণ কৰিছো। যাবই লাগিব। আৰু বাইদেৱে এটা ডেন্স দিবই লাগিব।"

গৌতমে একো নক'লে।
অলকাই একো নেমাতিলে।
বৰঠাকুৰে কিবা এটা ক'ব খুজিও নৈ গ'ল।

অলপ সময় নিৰৱতাৰ পিছত আন এজন ডেকাই সুধিলে, "বাইদেউ, যাব নহয় ?"

অলকাই বৰ অপ্ৰস্তুত অনুভৱ কৰিলে।

চাহ খাই থকাৰ সময়ত প্ৰত্যেকজনেই যেন, ভাবি থাকিল কিবা এটা, আৰু মুখেৰে ক'লে কিবা এটা। আনকি বৰঠাকুৰো বৰ সহজ হব নোৱাৰিলে। তেওঁ প্ৰধানতঃ গৌতমৰ লগত চাহ ব্যৱসায়ৰ কথা পাতিলে। ডেকা কেজনেও নিৰবে চাহ খাই, যাবলৈ উঠিল। তেওঁলোকে অলকাৰ মুখলৈ পোনে পোনে চাব নোৱাৰিলে।

অলকা সহজ আৰু সংযত হৈ থাকিবৰ যত্ন কৰি বিফল হ'ল। তেওঁৰ মনত লাগিল—এইয়া তেওঁৰ জীৱনৰ এক চৰম পৰাজয়, প্ৰথম পৰাজয়।

বৰঠাকুৰহঁতক গৌতমে পদুলি মূৰলৈকে আগবঢ়াই দিলে। অলকা থিয় দিয়াতে থিয় দি থাকিল। ওলাই ন'গল।

গাড়ীখন গুচি যোৱাৰ পিছত গৌতম আহি আকৌ লনৰ চকী এখনতে বহিল। অলকা তেতিয়াও বাহিৰৰ ফালে চাই থিয় দিয়াতে থিয় দি থাকিল।

সন্ধিয়া নামি আহিছিল। দূৰৰ আন্ধাৰবোৰ ক্ৰমে ওচৰ চাপি আহিছিল। বতাহ জাকৰ উষ্ণতা কমি আহিছিল। আকাশেদি এজাক বগলী ক'ৰবাৰ পৰা ক'ৰবালৈ উৰি গৈছিল। অলকাৰ চকুহাল সেমেকা যেন লাগিছিল।

বনবনিত বহি গৌতমে নিবিষ্ট মনেৰে চিগাৰেট হুপিছিল, আৰু চিগাৰেটৰ ধোঁৱাবোৰ কিছু সময় বতাহত ওলমি থাকি ক্রমে শূন্যত মিলি গৈছিল। সন্মুখৰ আলিবাটেদি মানুহ, গাড়ী, চাইকেল, ৰিক্সাবোৰ খৰ-গতিৰে অহাযোৱা কৰিছিল।

সন্ধিয়াৰ আন্ধাৰখিনি যেন আৰু ঘণ হৈ নামি আহিছিল আৰু চোতালত বহি থকা গৌতম দুৱৰা আৰু ঘৰৰ দুৱাৰমুখত থিয় দি থকা অলকাৰ মাজত এখন পাতল পৰ্দা আঁৰি দিছিল।

কিছু সময়ৰ মূৰত গৌতম বহাৰপৰা উঠিছিল আৰু ভিতৰৰ ফালে খোজ আগ বঢ়াইছিল। লগে লগে অলকা ঘূৰিছিল আৰু কিছু খৰখুজীয়াকৈ ভিতৰলৈ গুচি গৈছিল। বতাহ জাকত কুঁৱলি আছিল। কুঁৱলি আৰু আন্ধাৰে বতাহজাক গধুৰ কৰি পেলাইছিল। ●

এদিন গাড়ীৰে বাগিছাৰ পৰা ঘূৰি আহোঁতে পৰাশৰ ছুৱৰাৰ ষ্ট্ৰ'ক হ'ল। লগে লগে হস্পিতালত ভৰ্ত্তি কৰা হ'ল। বুঢ়াৰ জীৱন ৰক্ষা পৰিল, কিন্তু সোঁফালটো পেৰেলাইজ্‌ড্‌ হ'ল। ছুৱৰা শয্যাগত হ'ল। আৰু উঠাৰ আশা নাই— ডাক্তৰে ক'লে।

কেৱল আপোন পৰিয়ালেই নহয়, ছুৱৰাৰ নিচিনা এজন বয়সস্থ গণ্যমান্য ব্যক্তিৰ অসুখৰ বাতৰি পাই দূৰ-দূৰণিৰ পৰাও অপোন আৰু বন্ধুস্থানীয় মানুহ ছুৱৰাৰ খবৰ কৰিবলৈ আহিল। খবৰ পাই যামিনীয়েও সপৰিয়ালে অলপ দিনৰ ভিতৰতে আহি পাব বুলি জনালে।

অলকাই ক'লে "আমিও যাওঁ ব'লক, দেউতাৰ খবৰ কৰি আহোঁগৈ।"

"আমাক যাবলৈ দিব জানো?"

"নিদিলে নিদিব, আনৰ পৰা খবৰ লৈ আহিম। আৰু আমাৰ দেউতাৰ ওচৰত ক্ষমা ভিক্ষা কৰিবলগীয়া আছে, জানে?"

"ক্ষমা ভিক্ষা কৰোৱেই, দেউতাই ক্ষমা কৰিলেহে। দেউতাক তুমি নেজানা।" গৌতমে ক'লে।

"দেউতা কেনেকুৱা দেউতাৰ পুতেকৰ পৰাই বুজিব পাৰিছো," অলকাই ক'লে।

ইয়াৰ তিনি দিনৰ পিছত, গাড়ী লৈ গৌতমহঁত দেউতাকৰ খবৰ কৰিবলৈ ঘৰলৈ যাত্ৰা কৰিলে। বাটত অলকাই ক'লে, "আপোনাক গ্ৰহণ নকৰিলেও, ক্ষতি নহয়, আপুনিতো আৰু দেউতাৰ পুতেক নহৈ নেথাকে। কিন্তু মোক বাৰু বোৱাৰী বুলি লয়নে?"

কথাটো গৌতমেও চিন্তা কৰিছিল। একো ক'ব নোৱাৰিলে।

ঘৰ পাই দেখিলে খবৰ কৰিবলৈ অহা মানুহে ঘৰ ঠাহ খাই আছে। গৌতমক দেখি বহুতেই উল্লসিত হ'ল, আৰু বিশেষকৈ অলকাক বহুতেই প্ৰায় টন-আৰ্জোৱাই লগালে। এইজনী ছোৱালী কেৱল গৌতমৰ বিবাহিতা স্ত্ৰীয়েই নহয়, বিখ্যাত নৃত্যশিল্পী অলকা ফুকন। ওৰণি-ঘাৰনি লৈ সাধাৰণ মাৰ্জিত বেশভূষাৰে বোৱাৰী হৈ অহা অলকাক-দেখি বহুতেই প্ৰায় আচৰিতেই হ'ল। এনেকুৱা এজনী ছোৱালীক'নো বাৰু বিয়া কৰাবলৈ নিদিব লাগে নে? এনেকুৱা এজনী ছোৱালীকো বাৰু কোনোবাই বোৱাৰী বুলি চপাই নলৈ পাৰেনে? সকলোৱে মৰমৰ আতিশয্যৰ মাজত অলকা প্ৰায় নাভাচেই হৈ গ'ল।

আৰু ভয়ে ভয়ে কাষ চাপি গৈ অলকাই যেতিয়া হেলনীয়া আৰামী চকীখনত বহি থকা পৰাশৰ ফুকনৰ ভৰি চুই সেৱা কৰিলে, আধাফুটা মাতেৰে ফুকনাই সুধিলে, "কোন এইয়া!"

গৌতম ওচৰতে বহি আছিল। অলকা অতা দেখি বহাৰ পৰা উঠিল। কোনোবা তিৰোতা এগৰাকীয়ে ক'লে "এইয়া আমাৰ গৌতমৰ অলকা—"

ফুফুটা থোকাথুকি মাতেৰেই ফুকনাই মাতত আনন্দ সানি ক'লে, "তোমাৰ নাচ এটা চাবৰ মোৰ মন আছিল। পিছে আজিহে আহিলা।"

অলকাৰ জীৱনটো ধন্য হৈ গোলা যেন লাগিল। তেওঁ অনুভূতিৰে সেমেকা মাতেৰে ক'লে, "খবৰ পায়ে মই আহিছো দেউতা।"

"মই বেমাৰ নপৰা হলে তেনেহলে নাছিলাইহেতেন?" এনেকৈ শয্যাগত হৈ পৰি থকা অৱস্থাতো বুঢ়াই এনে ধৰণৰ কথা কোৱাৰ কাৰণে সকলোৱে বুজিলে অলকাক পৰাশৰ ফুকনাই বোৱাৰী হিচাপে গ্ৰহণ কৰিছে আৰু অলকাইত অহাৰ কাৰণে তেওঁ আনন্দ পাইছে।

কিছুসময়ৰ ভিতৰতে অলকাৰ সকলো সংকোচ নোহোৱা হৈ গ'ল আৰু সকলোৱে মাজত বহুৱাই লৈ যেতিয়া অলকাক নানা প্ৰশ্ন কৰিব ধৰিলে, তেতিয়া অলকাৰ অনুভৱ হ'ল— যে বোৱাৰী বুলিয়েই নহয়, বিখ্যাত নৃত্যশিল্পী অলকা বুলিহে এইয়া আদৰ সাদৰ।

ৰাতি ভাত খোৱাৰ পিছত কোনোবা এজনী ছোৱালীয়ে হঠাৎ সুধিলে, "হয়নে বৌ, তোমাক বোলে ককাইদেৰে নাচিবলৈ নিদিও বুলিছে?"

অলকা অপ্ৰস্তুত হৈ পৰিল। কোনোমতে ক'লে, "বিয়াৰ পিছতনো আৰু কি নাচিবা?" অলকাৰ উত্তৰটো যে দুৰ্বল হ'ল তেওঁ নিজেই বুজিব পাৰিলে।

"চিনেমাত একটিং কৰিবলৈও নাই দিয়া বোলে?"

অলকাই ছোৱালীজনীৰ মুখলৈ চালে। বৰ অসহায় যেন লাগিল নিজকে। সৰুকৈ ক'লে, "ককাইদেৰেৰক সুধিবা। মই একো কব নোৱাৰো।"

অন্য এজনী ছোৱালীয়ে ক'লে, "অলকাক আকৌ কি সুধিব লাগিছে? আপুনি নাচো বুলিলে কোনে মানা কৰিব পাৰে?"

এই ছোৱালীকেজনীক লগ পাই অলকাৰ ভাল লাগিল। নানা হাঁহি ধেমালী কৰি সেই দিনা ৰাতি অলকা বৰ তৃপ্তিৰে ননদ জেশাহুৰ লগত নিজৰ বিচনা কৰি লৈ শুলে। স্বামীৰ নিজৰ ঘৰত, স্বামীৰ নিজৰ বাই-ভনীৰ লগত এনেকৈ নিজৰ অধিকাৰ আৰু মৰ্য্যাদা লৈ শুবলৈ পোৱাটো অলকাৰ কাৰণে এটা অপূৰ্ব্ব অভিজ্ঞতা। কিবাকিবি বেমেজালীৰ চিন্তা কৰি অলকাৰ প্ৰথমে টোপনি নাহিছিল, কিন্তু পিছত ঘোৰ টোপনিত নিঃশঙ্ক মনেৰে লালকাল হৈ পৰিল। গৌতমৰ খবৰ লোৱাৰ দৰকাৰ অনুভৱ নকৰিলে।

পিছদিনা আগবেলাটো ছুৰবাৰ ঘৰৰ পৰিবেশটোৱেই সলনি হৈ গ'ল। কোনোৱেই যেন পৰাশৰ ছুৰবাৰ অসুখৰ খবৰ কৰিবলৈ অহা নাছিল, এজনী ন'বোৱাৰীক আদৰিবলৈহে সকলো আহিছিল। অলকাক এইদৰে গ্ৰহণ কৰা দেখি গৌতমৰো ভাল লাগিল।

মাজতে ছুৰবাই অলকাক কাষলৈ মাতিলে, আৰু অস্পষ্ট মাতেৰেই ইটো সিটো কথা সুধিলে। হঠাৎ কগ্ন হৈ পৰা মানুহজনলৈ মৰম আৰু শ্ৰদ্ধা উপজিল। সান্ত্বনা দিয়াৰ ধৰণে ক'লে, 'আপুনি ভাল হৈ যাব দেউতা, চিন্তা নকৰিব।''

"তুমি যেতিয়া কৈছা ভাল হ'মেই।" লাহে লাহে পৰাশৰ ছুৰবাই ক'লে। "মই ভাবিছিলো তোমাৰ নাচ দেখি ভাল পাই, যি তোমাক বিয়া কৰিছে, সি তোমাক নাচ গানত লগাই ৰাখিব। এৰা, তুমি অমান্তি নোহোৱাহলে সি তোমাক নাচনী কৰিয়ে ৰাখিলে-হেতেন। তুমি বৰ ভাল কৰিলা। সি ক'লে বুলিয়ে পৰাশৰ ছুৰবাৰ বোৱাৰীয়েকে বজকৰা মানুহৰ আগত নাচি দেখুৱাবলৈ যাবনে? তুমি আমাৰ পৰিয়ালৰ মান-মৰ্য্যাদা ৰক্ষা কৰি চলিবা—আগতে যি নাচিলা, নাচিলা, এতিয়া আৰু সেইবোৰ নকৰিবা। গৌতমে জোৰ কৰি ক'লেও নকৰিবা।''

অস্পষ্ট কথাবোৰ বুঢ়াই জোৰ দি দি কৈছিল। কাষতে ব'হি তলমূৰ কৰি অলকাই শুনি গৈছিল। তেওঁৰ ডিঙিটো শুকাই গৈছিল। কালিৰ পৰা পোৱা অভাবনীয় আদৰ-সাদৰ এক মুহূৰ্ত্ততে নোহোৱা হৈ যোৱা যেন লাগিছিল। শিল্পী অলকা ছুৰবাৰ জীৱন স্বপ্নতকৈ ছুৰবা পৰিয়ালৰ মৰ্য্যাদা বহুত ওপৰত। ছুৰবাই, পৰিয়ালে অলকাক বোৱাৰী হিচাপে গ্ৰহন কৰিছে, অলকা শিল্পী বুলি নহয়, শিল্পী জীৱনৰ সামৰণি মাৰি অলকাই আদৰ্শ বোৱাৰী হোৱাৰ প্ৰস্তুতি কৰাৰ কাৰণেই।

কিছুপৰ অলকা নিৰবে বহি থাকিল। তাৰ পিছত সন্তৰ্পণে ছুৰবাৰ কাষৰ পৰা উঠি আহিল।

হঠাৎ নিবব আৰু গহীন হৈ পৰা দেখি জীয়াৰী-বোৱাৰী সকলোৱে অলকাৰ মুখলৈ চালে। অলকাই সহজ হৈ মুখলৈ হাঁহি ঘূৰাই আনিবৰ যত্ন কৰিলে। নিজেই বুজিব পাৰিলে সেই বিষয়ত এইবাৰ অলকা সফল হ'ব পৰাৰ আশা নাই। এচটা গধুৰ শিলেৰে কোনোবাই যেন অলকাৰ উৎফুল্ল মনটোক হেচি ধৰিছে।

অলকাক চাবলৈ ওচৰ-পাজৰৰ ল'ৰা-ছোৱালীও ভালেমান আহি দুৱৰাৰ ঘৰত জমা হ'লহি। নিজৰ ওপৰতে এক নাম-নোহোৱা অভিমানত অলকাই নিজকে ক'লে, "এইটো বিখ্যাত ব্যৱসায়ী পৰাশৰ দুৱৰাৰ ঘৰ। এই ঘৰৰ মজিয়াত কোনো শিল্পীৰ, কোনো নাচনীৰ ঠাই নাই। ইয়াত ঠাই আছে কেৱল দুৱৰা পৰিয়ালৰ মান-মৰ্য্যাদা ৰক্ষা কৰিবৰ কাৰণে অহা শান্ত শিষ্ট বোৱাৰীৰ। গৌতম দুৱৰাৰ লগত বিয়া হোৱাৰ দিনাই, অলকা চৌধুৰী নামৰ নৃত্যশিল্পী জনীৰ মৃত্যু হৈছে।"

শহুৰেকৰ পৰা বিদায় লবৰ সময়ত সকৰৈ অলকাই ক'লে, "আমি যাওঁ দেউতা — আকৌ আহিম"।

মূৰত হাত থৈ আশীৰ্ব্বাদ কৰি পৰাশৰ দুৱৰাই ভগা ভগা মাতেৰে ক'লে, "আহিবা, আকৌ আহিবা। মই এনেকৈ কিমান দিন পৰি থাকিব লগীয়া হয় ক'ব নোৱাৰো। ভাল আৰু নহওঁ। পৰিয়ালৰ মৰ্য্যাদা লৰাই ৰক্ষা কৰিব নোৱাৰে। সেই দায়িত্ব ছোৱালীয়েহে পাৰে ৰক্ষা কৰিব। তুমি নচামেলা নকৰিবা, গৌতমে কলেও নকৰিবা"।

হয়তো আৰু কিছুপৰ কাষতে বৈ থকা হলে দুৱৰা পৰিয়ালৰ আদৰ্শ বোৱাৰী কেনেকৈ হব পাৰি সেই বিষয়ে আৰু কিছু কলেহেতেন, কিন্তু গাড়ী বৈ আছিল আৰু গৌতমো গৈ গাড়ীত বহি আছিল। সেৱা কৰি মাত লগাই অলকাই সকলোৰে পৰা বিদায় লৈ গাড়ীত উঠি বহিলহি।

মই বোৱাৰী হব লাগিব—শিল্পী হব নোৱাৰো—অলকাই নিজকে ক'লে।

বাটত আহি থাকোতে কিছু ৰসিকতা কৰি গৌতমে ক'লে "আমাৰ প্ৰেশু কিউডেল বেৰাপে যে তোমাক ইমান সহজে একচেপু কৰি লব মই ভবাই নাছিলো। আৰু ভাৱ অল, কাদাৰতো ?"

অলকাই ক'লে, "হুঁ।"

মটৰৰ চকাৰ ঘৰঘৰণিত অলকাৰ হুঁটো শুনা ন'গল।

"যামিনী আহিলে তেওঁকো দেউতাই গ্ৰহন কৰিব"

"গ্ৰহণ নকাৰবলৈ কি হৈছেনো ?"

"মেম বিয়া কৰালে যে—" গৌতমে ক'লে।

"মেমকে বিয়া কৰাইছে, নাচনীটো বিয়া কৰোৱা নাই," অলকাই ক'লে।

কি কৈছা ?"

"মেম নবোৰক গ্ৰহণ নকৰি কি ক'ৰব ? মেমকাতো আৰু মেম নোহোৱা কাৰৰ নোৱাৰে। মোকহে -"

"তোমাক ?- " গৌতমে অলকাৰ মুখলৈ চালে।

"মোৰ কথা কৈছো। মই তুৱৰা পৰিয়ালৰ বোৱাৰী হিচাপে গ্ৰহণীয় হব লাগিলে, শিল্পী হৈ থকাটো বাদ দিব লাগিব — সেইটো বাদ দিব পৰা কথা।"

অলকাৰ কথাৰ সুৰৰ পৰা গৌতমে বুজিব নোৱাৰিলে, অলকাই পোনপটীয়াকৈ কৈছে নে কিবা অভিযোগ ৰাখি কৈছে।

ভালেমান দূৰ নিৰৱে অহাৰ পিছত গৌতমে সুধিলে, "দেউতাক কেনেকুৱা দেখিলা ?"

"বাচি থাকিব, কিন্তু কষ্ট হ'ব।"

"এৰা, গোটেই জীৱন শ্ৰম কৰা মানুহ, পৰি থকাটোৱেই ডাঙৰ কষ্টৰ কথা হ'ব।"

"কোনো কোনো মানুহৰ কষ্টৰ মাজেদিয়ে গোটেই জীৱন বাচি থাকিব লগীয়া হয়। দেউতাৰ জীৱনটো সুখৰ মাজেদিয়ে কটালে।"

হাঁহি গৌতমে ক'লে, "তোমাৰ চিন্তাৰ কাৰণ নাই। তুমি কষ্টৰ মাজেদি জীৱন কটাব নালাগে।"

অলকাই কোনো উত্তৰ নিদিলে। মনতে ভাবিলে, মোৰ ভবিষ্যত তকি আছে কোনে জানে? কিন্তু শিল্পী হৈ যদি বাচি থাকিব নোৱাৰো, তাতকৈ ডাঙৰ দুখ আৰু কি হ'ব পাৰে? ●

বৈচিত্ৰহীন দিনবোৰ পাৰ হৈ গৈছিল।

পুৱা, দুপৰীয়া, আবেলি, সন্ধিয়া, ৰাতি।

ৰাতিপুৱা, দুপৰীয়া, আবেলি, সন্ধিয়া।

প্ৰতিটো ক্ষণৰ বৈচিত্ৰ আছে, স্বকীয়া স্বকীয়া বৰ্ণালী আছে, কিন্তু সেই বিচিত্ৰ বৰ্ণালীয়ে যদি কাৰো মনত, কাৰো হৃদয়ত ৰেখাপাত কৰিব নোৱাৰে, বাহিৰৰ বৈচিত্ৰৰ কোনো মূল্য নাই। সি যেন হাবিৰ মাজত বনৰীয়া চৰায়ে গোৱা গান, যাক শুনোতা কোনো নাই।

একেআগী, গতানুগতিক জীৱনৰ নিজপ্ৰাণ গতিয়ে আমুৱায়। অভাৱ নোহোৱা জীৱন, কষ্ট নোহোৱা জীৱন, সংঘাত, সংগ্ৰাম নোহোৱা জীৱন— প্ৰাচুৰ্য্যই য'ত আমুৱায়, সুখ য'ত এটা আগগুৰি নোহোৱা সাধুকথা হৈ পৰে, তাত সোমাই থাকি মানুহৰ উশাহ বন্ধ হোৱা যেন লাগে। কেৱল সাফল্যৰ দিনৰ কথা স্মঁৰি মানুহ আস্বস্ত থাকিব নোৱাৰে, কোনোবা কাহানিৰ অভিনন্দন পত্ৰৰ ভাষাই নতুন প্ৰেৰণাৰ জন্ম নিদিয়ে। নতুন সৃষ্টিৰ সম্ভাৱনাৰ পথ যেতিয়া বন্ধ হৈ যায়, তেতিয়া জীৱন বিস্বাদ হৈ পৰে।

বিয়াৰ পিছত সেয়ে হৈছিল অলকা চৌধুৰীৰ। এটা গভীৰ অস্বস্তিৰ মাজেদি, এটা অন্তৰ্জ্বালাময় অশান্তিৰ মাজেদি দিনবোৰ কটাবলগীয়া হৈছিল অলকাৰ। গৌতম ধুনীয়া সুখী, নিজে ভাল পাই, পছন্দ কৰি বিয়া কৰোৱা সুন্দৰী, সুশালীন, স্বাস্থ্যৱতী অলকাৰ নিচিনা এজনী পত্নীৰ স্বামী হ'বলৈ পোৱাটো গৌৰৱৰ বিষয়।

অলকায়ো এই কথা জানে।

সেয়ে ক'ম বুলি হেজাৰ বাৰ ভৰা তিনিটা শব্দ "মই আকৌ নাচিম"— আজিও মনৰ মাজৰপৰা মুখলৈ আনিব পৰা নাই। গৌতম ক্ষুণ্ণ হ'ব, অসন্তুষ্ট হ'ব, মোক তেওঁৰ ঘৰৰ চাৰি বেৰৰ মাজত আবদ্ধ ৰাখি তেওঁ যি সুখ অনুভৱ কৰিছে, সেই সুখৰ পৰা বঞ্চিত হ'ব।

কিন্তু চাৰিবেৰৰ সীমাৰ মাজত মোৰ কাৰণে সুখ নাই। মোৰ কাৰণে আছে বাহিৰৰ মুকলি জগতৰ আহ্বান— মোক লাগে নিশ্চিতৰ পৰা অনিশ্চিতৰ মাজলৈ, পৰিচিতৰ পৰা অপৰিচিতৰ মাজলৈ নিজক হাঁহি হাঁহি আগুৱাই নিয়াৰ অধিকাৰ আৰু আনন্দ। মই নিজকে গতিৰ মাজত পাবলৈ বিচাৰো, ছন্দৰ মাজত পাবলৈ বিচাৰো, সুন্দৰৰ মাজত পাবলৈ বিচাৰো। প্ৰতিটো নাচৰ মাজেদি মই হেজাৰ বছৰৰ সুন্দৰৰ ঐতিহ্যৰ মাজলৈ ঘূৰি যাবলৈ বিচাৰো। জানো সেইয়া সকলো অভিনয়, কিন্তু নৃত্যৰ অভিনয়ৰ মাজেদিয়ে মই কৃষ্ণও হ'বলৈ বিচাৰো, গোপীও হ'বলৈ বিচাৰো, মহামুনি মহাদেৱো হ'বলৈ বিচাৰো, তপস্বীনী উমাও হ'বলৈ বিচাৰো। মোৰ সৰু দেহাটোৰ মাজেদি মই জীৱন্ত ক'ৰি তুলিবলৈ বিচাৰো সমুদ্ৰৰ দিগন্তজোৰা জোৱাৰৰ গৰ্জন, শৰতৰ শান্ত মৃদু বতাহৰ কোমল কঁপনি। মই একৰ পৰা বহু হ'বলৈ বিচাৰো। মই অনুৰাগমত্তা অভিসাৰিকা হ'বলৈ বিচাৰো, মই বিৰহিণী যক্ষপ্ৰিয়া হ'বলৈ বিচাৰো। মই কামধেনু হ'বলৈ বিচাৰো। মোক গতি লাগে, উচ্ছল উন্মাদনা লাগে, মোৰ এই শৰীৰটোক, এই ছন্দ-চঞ্চল দেহাটোক সৌন্দৰ্য্যৰ দেউলত এটা চিৰন্তন প্ৰাৰ্থনা হিচাপে উচৰ্গা কৰিবলৈ বিচাৰো।

এজনৰ ঘৰৰ মাজত মই নিজকে গোটেই জীৱন বন্দী কৰি ৰাখিব নোৱাৰো। মই থাকিব খোজো সহস্ৰজনৰ ঘৰৰ মাজলৈ। মই তেওঁলোকৰ স্বপ্ন হ'ম। মই শিল্পী হ'ম। মই নটী হ'ম, নাচনী হ'ম, অভিনেত্ৰী হ'ম। ঘৰৰ ভিতৰত সোমাই থাকি তিল তিলকৈ নিজক

ক্ষয় নিয়াই মই কেৱল মৃত্যুৰ কাৰণে অপেক্ষা কৰি থাকিব নোৱাৰো।

বহুবাৰ অলকাই এইবোৰ কথা ভাবিলে। মনৰ ভিতৰত সাহসৰ সন্ধান কৰিলে। কিন্তু টান পালে গৌতমৰ মনত আঘাত দিবলৈ। মোৰ মৰমক ইমান মূল্য দিয়ে গৌতমে! কেৱল মোৰ কাৰণেই মোক ভাল পায় গৌতমে। হয়তো মোৰ যেতিয়া নাচিবৰ শক্তি নোহোৱা হ'ব, মোৰ দেহশ্ৰীক যেতিয়া নিষ্ঠুৰ বাৰ্দ্ধক্যই গ্ৰাস কৰি পেলাব, তেতিয়াও গৌতমে মোক ভাল পাই থাকিব।

ব্যৱসায় সংক্ৰান্ত বাৰ দিনৰ কাৰণে গৌতমৰ বোম্বাইলৈ যাবলগীয়া হৈছিল। অলকা ঘৰত অকলেই আছিল। গৌতম নথকাৰ কাৰণে অলকাৰ আৰু নিঃসঙ্গ লাগিছিল।

গৌতম যোৱাৰ পিছদিনা কোনো খবৰ বাতৰি আগতিয়াকৈ নিদিয়াকৈ আহি ওলাইছিলহি পূৰবী চলিহা আৰু জে'বুন্নিচা। হয়ো অলকাৰ পুৰণি বন্ধু। জে'বুন্নিচা স্কুলৰ সহপাঠী।

পূৰবীৰ বিয়া এতিয়াও হোৱা নাই। আগৰপৰা লাগি থকাৰ দৰে গান গোৱা চিতাৰ বজোৱাতে লাগি আছে। অনুষ্ঠান আদিত গান গায়, চিতাৰ বজায় আৰু ৰেডিঅ'ৰ প্ৰগ্ৰেমো কৰে। ঘৰৰ অৱস্থা বৰ ভাল নহয়, গতিকে কোনো অনুষ্ঠানত কিবা প্ৰগ্ৰেম কৰিলে কিছু পাৰিশ্ৰমিক লয়। জে'বুন্নিচা গজল, কাওৱালী, ঠুংৰী, খেয়াল গোৱা ক্লাচিকেল মিউজিকৰ শিল্পী। সাধনা থকা ছোৱালী। বিয়া হৈ গৈছে— এটা চাৰি বছৰীয়া ল'ৰাও আছে। স্বামী চৰকাৰী চাকৰিয়াল— অৱস্থা বৰ স্বচ্ছল নহলেও চলি যাব পৰা বিধৰ। জে'বুন্নিচাই অৱশ্যে কিছু লৰা-ছোৱালীৰ টুইচনিও কৰে, নিজৰ ঘৰতে সেই কাৰণে ক্লাচিকেল গোৱাৰ অভ্যাসটো জীয়াই ৰাখিব পাৰিছে। স্বাস্থ্যও ভালেই আছে। পত্নী আৰু মাতৃ হিচাপে কিছু গাম্ভীৰ্য্য আহিছে যদিও, আগৰ নিচিনাই প্ৰফুল্লমনা হৈ আছে।

দুয়োকো পছুলিমূৰত দেখি অলকা যিমান বিস্মিত হ'ল, সিমান সুখীও হ'ল। আগবঢ়াৰে তই মই কৈয়ে প্ৰায় চিঞৰিয়ে উঠিল, "এই, তইঁত আহিছ? ক'ৰপৰা আহিলি? বাপ্ ৰে, কত দিন যে দেখাই পোৱা নাই।"

অলকাৰ মুখৰ ফালে চাই পূৰবীয়ে মুখত এমোকোৰা হাঁহিৰে ক'লে, "ক'ৰবাত নাচিবলৈ যাবলৈ মেকআপ কৰি ওলাই আছনেকি? এই জে'বন, এইৰ চেহেৰাটো দেখিছ! কি খুৰাইছে অ'। আমাৰ দুজনীৰ কিজানি বুঢ়ী বুঢ়ী লাগিছে নহয়?"

"বহ বহ, গালি পিছতো পাৰিবি। কেনেকৈ মনত পৰিল মোলৈ? আহিলি ক'ৰ পৰা?" অলকাই সুধিলে, আৰু পূৰবীহঁতক বহুৱালে।

"সকলো ক'ম লাহে লাহে। আজি তইঁতৰ ইয়াতে থাকিম বুলি আহিছো। ৰাখিবিতো?"

চাহ-তাহ খোৱা হোৱাৰ পিছত অলকা, জে'বুন্নিচা আৰু পূৰবী তিনিও নানা কথা পতাত লাগিল। গৌতম নথকাৰ কাৰণে তেওঁলোকৰ ভালেই লাগিল। আগৰ দৰে খোলা ভাবে হৈ চৈ কৰি কথা বতৰা পাতিব পাৰিব।

চাকৰ আছিল, তথাপি অলকাই চাহ নিজেই কৰিলে।

জে'বুন্নিচাই ক'লে, "ভোকে-পিয়াহে আহিছো। ভাত আৰু ৰাতিকৈহে খাম। মিঠাই-চিঠাইকে অলপ বেছিকৈ খাই লওঁ— বেয়া পাবিনেকি?"

বহুত দিনৰ মূৰত পূৰবীহঁতক পাই অলকা সচাকৈয়ে বৰ সুখী হ'ল। ছোৱালীবোৰ সদায় একে ঠাইতে থাকিবলৈ নেপায়।' নিজৰ নিজৰ জীৱন লৈ নানা ঠাইত সিচৰিত হৈ পৰিব লগীয়া হয়। ইয়াৰ এটা বেদনা যিদৰে আছে, এটা তৃপ্তিও আছে— নিজৰ নিজস্বটো সেইদৰেই উপলব্ধি কৰিব পাৰে।

পূৰবীহঁতে নিজৰ কথা ক'লে, "তোৰ তেওঁ খোৱা পিন্ধাৰ টনা আজোৰা নাই, টকা পইছাৰ নাটনি নাই। সেই কাৰণে গা-মনো ভালে আছে। নাচ গানতো লাগি থাকিব পাৰিছ। মোৰতো চলা মেলাৰে দিগদাৰি। ৰেডিঅ'ত দুটা গান গাই কিমান টকা পাৰি? তাৰেই চলিব পাৰি জানো? তই বাৰু ৰেডিঅ'ত কেতিয়াবা মোৰ প্ৰগ্ৰেম শুননে?"

অলকাই ক'লে, "সদায় শুনা নহয়। তোৰ মাতটো কিন্তু আগতকৈও মিঠা হৈছে। মাজে মাজে শুনো।"

জে'বুন্নিচায়ো নিজৰ সংসাৰৰ কথা ক'লে। বিয়া হোৱাৰ কাৰণে আৰু এটা পুত্ৰ সন্তানৰ মাতৃ হোৱাৰ কাৰণে অভাৱ অনাটন সত্বেও জে'বুন্নিচা যে সুখী, সেই কথা তেওঁৰ কথা বতৰাৰ পৰা বুজিব পৰা গৈছিল।

জে'বুন্নিচাই ক'লে, "তোৰ নিজৰ কথা ক'চোন অলকা। তুৰৰা-হঁতৰ পৰিয়ালটো বৰ ডাঙৰ পৰিয়াল— নাম কৰা ধনী পৰিয়াল। তই বৰ সুখত আছ নহয়? দেখিয়েই বুজিব পাৰিছো নহয়। পিছে তই আজিকালি নাচিবলৈ এৰি দিলিনেকি'?"

অলকাই স্থিৰে থাকিবৰ যত্ন কৰিলে। কিন্তু জে'বুন্নিচাৰ কথা-ষাৰে অলকাৰ মনটো এটা বিষণ্ণতাৰে ভৰাই তুলিলে। ওঠত এটা হাঁহি ফুটাই অলকাই ক'বৰ যত্ন কৰিলে— "বিয়া হ'ল! সংসাৰ চলাওঁ— নাচ-টাচ বাদ।"

"সচা? ধেৎ—" পূৰবীয়ে ক'লে। "তই নিজে নচা নাই? নে নাচিবলৈ দিয়া নাই, নে নাচিবলৈ কোনোৱে তোক মতা নাই?"

স্থিৰ মাতেৰে শব্দবোৰত জোৰ দি দি অলকাই ক'লে, "মই নচা নাই, মোক নাচিবলৈ দিয়া নাই, কোনোৱে মোক নাচিবলৈ মতা নাই—"

অলকাৰ মাতটোত এটা ক্ষোভ আৰু অভিযোগৰ সুৰ আছিল। জে'বুন্নিচা আৰু পূৰবীয়ে তেওঁৰ মুখলৈ চালে।

কিছুপৰৰ মূৰত পূৰবীয়ে সুধিলে, "সচাকৈয়ে কৈছেনেকি? পিছে আমি দুজনী-ইমানখন বাটকুৰি বাই কেলেই আহিলো ক'ব পাৰিছনে নাই?"

কষ্ট মাতেৰে, কিন্তু হাঁহিবৰ যত্ন কৰি অলকাই ক'লে, "খিহুৰ বাবেই নাহ' লাগে, মোক যে ক'ৰবাত নাচিবলৈ মাতিবলৈ অহা নাই, সেই বিষয়ে মই নিশ্চিত।"

পূৰবীয়ে প্ৰতিবাদৰ সুৰত নাটকীয়ভাৱে ক'লে, "নগৰীয়া কথা বাদ দে। আমাৰ সিমান টকাও নাই, সিমান সময়ো নাই যে তোৰ ইয়ালৈ এনেয়ে ফুৰিবলৈ আহিম। আমি দুজনী এটা দৰকাৰত তোৰ ওচৰলৈ আহিছো। আমাক নিৰাশ কৰিব নোৱাৰ।"

"তহঁতো যদি দৰকাৰতহে মোৰ ওচৰলৈ আহ, অন্যে কি কৰিব? আহিছ, থাক, যি পাৱ খা, আৰু কথা পাত। দৰকাৰ চৰকাৰ বাদ দে।"

"কথা আমাৰ ফালৰপৰা পাতিবলৈ অন্য একো নাই। তই মান্তি হ'ব লাগিব, যাব লাগিব।"

"কলৈ?"

'আমি ফাংচন পাতিছো—"

"কি ফাংচন?"

"তোৰ নেগালে নেনাচিলে চলে। আমাৰ নচলে। আমি গাই বায়ে খাব লাগিব। মিউজিক স্কুল এটা আছে। অৱস্থা নাই। চৰকাৰে কেতিয়াবা টকা কেইটামান দক্ষিণা দিয়া দি দিয়ে। স্কুলটো অলপ ভাল কৰাই ল'ব পাৰিলেহে তাত লৰা ছোৱালী হ'ব।

ঠিক কৰিলো, এটা ফাংচন পাতো তোক মাতো, হাজৰীকা-গৰৈহঁতক মাতো আৰু বাৰু কাক কাক মাতিলে ভাল হ'ব তয়ে ক'চোন— ”
পূৰবীয়ে যেন অলকা যাব বুলি ধৰিয়ে ললে।

‘আজিকালি মিনিষ্টাৰ টিনিষ্টাৰ মাতিলে বহুতে বেয়া পায়।”

“আমাৰ তাৰ এম, এল, এ জনক মাতিম, মন্ত্ৰী চন্ত্ৰী-বাদ—।”
জে'বুম্নিচাই ক'লে ।

কথাবোৰ বুজি নোপোৱাৰ ধৰণে অলকাই এবাৰ ইজনীৰ এবাৰ সিজনীৰ মুখলৈ চালে, তেওঁলোকে যেন এনে এখন জগতৰ কথা কৈছে, যিখন জগতৰ কথা অলকাই একো বুজি নেপায়। চাই থাকি অলকাৰ মনত লাগিল যেন সন্মুখত বহি থকা মানুহ দুজনী তেওঁৰ তেনেই অচিনাকী, আৰু দুয়োজনীয়ে যেন অলকাই বুজি নোপোৱা এটা ভাষাৰে কথা পাতিছে ।

ভালেমান পৰৰ মূৰত অলকাই নিজক চম্ভালি লৈ কোনোমতে ক'লে, “মন্ত্ৰীতন্ত্ৰী সেইবোৰ মই একো নিচিনোও, নুবুজোও, তহঁতে ফাংচন কৰিবলৈ লৈছ, ভাল কৰিছ। মোক বাদ দে। এতিয়া আৰু নচাৰ বয়স নাই। তহঁতেতো দেখিছই, মই কিমান শকত হৈ গলো।”

“থ, থ, দাম বঢ়াব নেলাগে । বিয়াহে হৈছ, ল'ৰা-ছোৱালীৰ মাক হৈছনে কিবা? দুৰবা নাই, নহলে তোক আমি নোসোধোৱেই। আমাৰ গাড়ী চাৰি দিবলৈ নাই। কব যদি আগবঢ়াই নিবলৈ কোনোবা এটাক ক'ম— আহিব। তহঁতে নিজৰ গাড়ীকে লৈ যাবি।”

জে'বুম্নিচাই ক'লে, “বাৰু বাদ দে, তোক পাই আমাৰ বহুত সাহস বাঢ়িল। অন্য নাহিলেও নাহিব, কোনো কথা নাই। এতিয়া বাদ দে এইবোৰ কথা । তহঁতৰ অন্য কথা ক।”

কিন্তু অন্য কি কথা পাতিব একনীয়েও বিচাৰি নেপালে। পূৰবীহঁতক জিৰণি লবলৈ দি, অলকা বন্ধা বঢ়াব খবৰ কৰিবৰ কাৰণে ৰান্ধনীশাললৈ গ'ল। ৰাতি কিছু হৈছিল।

ছুৰবা আজি ঘৰত থকা হলে হয়তো অলকা আজি ইমান অসহায় অৱস্থাত পৰিবলগীয়া নহ'লহেতেন। হয়তো ছুৰবাই একে আষাৰে কৈ দিলেহেতেন, 'অলকাই নেনাচে—" বচ্। তেওঁ যিদৰে ক'ব পাৰিলেহেতেন, অলবাই পূৰবীহঁতক সেইদৰে কব নোৱাৰে। জে'বুন্নিচাহঁতে টানি ধৰিলে ছুৰবাই কিজানি অলকাক নাচিবলৈ দিবলৈ মান্তি হলেইহেতেন! হয়তো ছুৰবাই উপলব্ধি কৰিলেহেতেন যে বিয়া হৈ গল যদিও, শিল্পী হিচাবে অলকাৰ মূল্য এতিয়াও নোহোৱা হৈ যোৱা নাই। অলকা এজনী সাধাৰণ বোৱাৰী নহয়, অলকাৰ এটা নিজস্ব বৈশিষ্ট আছে। হয়তো এনে এজনী শিল্পী পত্নী হোৱাৰ গৰ্বতে ছুৰবাই অলকাক ফাংচনত যোগদান কৰিবলৈ দিবলৈ কুণ্ঠিত নহ'লহেতেন।

অলকা বিমোৰত পৰিল। নিজমুখে পূৰবীহঁতৰ মৰমৰ দাবী উপেক্ষা কৰিবলৈ অলকাই মনৰ মাজত সাহস বিচাৰি নেপালে।

ভাতপানী খাই উঠাৰ পিছত তেওঁলোকে অন্যান্য বহুত কিবাকিবি কথা পাতিলে, কিন্তু পূৰবীহঁতৰ অনুষ্ঠানৰ বিষয়ে আৰু কোনো কথা নুলিয়ালে। সেই বিষয়ে কিবা কথা ওলায় বুলিয়ে যেন অলকাই ৰাজনীতিৰ পৰা আৰম্ভ কৰি কাবোবাৰ কেলেঙ্কাৰীলৈকে অন্য বহুত কথা পাতিলে, আৰু তেতিয়াও বেছি ৰাতি হোৱা নাছিল যদিও, "তহঁতৰ জানো ভাগৰ লগা নাই, ৰাতি বহুত হ'ব পায়," বুলি পূৰবীহঁতৰ শোৱাৰ ব্যৱস্থা কৰি দিলে।

শুবলৈ লৈ জে'বুন্নিচাই ক'লে "আমি ৰাতিপুৱাই যামগৈ। ছুৰবা আহিলে আমাৰ কথা কবি। আৰ্টিষ্ট বুলিহে তেওঁ তোক বিয়া কৰিছিল। নাচগান সকলো বাদ দি ঘৰতে সোমাই থাকিলে, কেনেকৈ আৰ্টিষ্ট হৈ থাকিবি? বিয়াৰ পিছত যদি আজিলৈকে নাই নচা, ভালেই হৈছে। আমাৰ ফাংচনতে নতুনকৈ আৰম্ভ কৰ। দেখিবি এতিয়াও তোৰ কিমান ডিমাণ্ড আছে।"

অলকাই কোনো উত্তৰ নিদিলে। ●

গৌতম ছুৱৰা ঘৰলৈ ঘূৰি অহাৰ পিছদিনা।

বতৰটো ফৰকাল আছিল। উজ্জ্বল ৰ'দেৰে চউদিশ জিলিকি পৰিছিল। এখন নীলা, উদাস আকাশৰ বুকুত কেইডোখৰমান চিগা-ভগা ডাৱৰৰ টুকুৰা আপোনমনে ওপঙি ফুৰিছিল। কেইবাদিনো নথকাৰ কাৰণে বহুত কাম জমা হৈছিল যদিও, আজি আৰু কেনিও ওলাই নেযাবৰ কাৰণেই ছুৱৰাই মনে-মনে থিৰ কৰিছিল আৰু অলকায়ো এক প্ৰকাৰ জোৰ দিয়ে কৈছিল, "আজি আৰু কলৈকো যাব নেলাগে। অতদিনৰ মূৰত আহি আকৌ টলৌ-টলৌকৈ ঘূৰি ফুৰিব নেলাগে।"

মুখেৰে একো নকৈ মৌন সম্মতি জনাইছিল—অলকাৰ কথাত। বাতৰি কাকত, আলোচনী, চিঠি, ব্যৱসায়ৰ কাগজ-পত্ৰ— বহুত কিবা কিবি কাগজ দ'ম হৈ মেজখনৰ ওপৰত পৰি আছিল। বাৰান্দাত বহি লৈ গৌতম ছুৱৰাই চিঠি পত্ৰবোৰ এখন এখনকৈ পঢ়ি এফালে থৈ গৈছিল। অলপ নিলগত বহি অলকায়ো চিনেমাৰ আলোচনী এখনৰ ছবি চাই আছিল। কাৰো মুখত কথা নাছিল। শান্তি আৰু পূৰ্ণতাৰ এটা পৰিবেশ বিয়পি পৰিছিল চাৰিওফালে।

ওফন্দি থকা খাম এটা খুলি লৈ হঠাৎ ছুৱৰা বৈ গ'ল। এখন চমু চিঠি আৰু দুখন ছাপাকৰা ডাঙৰ বিজ্ঞাপন!

চিঠিত মাত্ৰ দুশাৰী কথা:—

"অলকা,

আয়োজন সম্পূৰ্ণ। ছুৱৰাও আহিব লাগিব। তোৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰ কৰিছো। নিৰাশ নকৰিবি।

তোৰ

পূৰৱী, জেঁবুন।

তাৰ পিছত চিঠিখনৰ লগত পঠোৱা ছপা বিজ্ঞাপন :—

"অসমৰ অপ্ৰতিদ্বন্দী নৃত্যশিল্পী শ্ৰীমতী অলকা হুৰবাৰ নৃত্যৰ জগতলৈ প্ৰত্যাৱৰ্তন, ........."

বিজ্ঞাপনখন হুবাৰমান পঢ়ি হুৰবাই জাপি খামত ভৰালে আৰু এটা শুকান মাতেৰে ক'লে, "এইখন তোমাৰ চিঠি।"

হুৰবাৰ মাতটোত অলকা উচপ খাই উঠিল। তেওঁ হুৰবালৈ চকু তুলি চালে। একো নকৈ হুৰবাই এটা চিগাৰেট জ্বলালে আৰু উঠি ভিতৰলৈ গ'ল আৰু গাড়ীখনৰ চাবিটো লৈ, গাড়ীখন লৈ ওলাই গ'ল।

হুৰবাই আৰু কোনো কথা নকলে। অলকাই কিবা এটা ক'ব খুজিও ক'ব নোৱাৰিলে। অলকাৰ ডিঙিটো আৰু ওঠছুটা শুকাই যোৱা যেন লাগিল।

আকাশখনে তেতিয়াও হাঁহি আছিল।

কাগজৰ জাপৰ মাজত এই চিঠিখন অলকাৰ চকুত নপৰাকৈ কেনেকৈ সোমাই থাকিল, তেওঁ বুজিব নোৱাৰিলে। লাহে লাহে তেওঁ খামৰ ভিতৰৰ কাগজ খিনি উলিয়াই চকুৰ আগত মেলি ল'লে। বিজ্ঞাপনৰ কথাখিনি পঢ়ি অলকাৰ গাৰ নোম শিয়ৰি উঠিল। এইয়া কি কৰিলে জে'মুন আৰু পূৰবীয়ে। মইটো কথা দিয়া নাছিলো। এনেকৈ বিজ্ঞাপন ছাপা কৰি বিলাই দিলে কিয়? তাৰ মানে মই সিহঁতৰ অনুষ্ঠানত যোগ দিব লাগিব। নহলে সিহঁত অপদস্থ হ'ব। সিহঁতে টকা পইছা খৰছ কৰি কৰা আয়োজন নষ্ট হ'ব। মই বাৰু বুলি আগতীয়া টিকেট বেচি সংগ্ৰহ কৰা টকা ওভোতাই দিব লাগিব। মোক যোগেদি টকা সংগ্ৰহ কৰি যি সঙ্গীত বিদ্যালয় পাতি পূৰবীহঁতে নিজৰ অন্ন-পোষণৰ ব্যৱস্থা কৰিব খুজিছে, সেই সকলো পণ্ড হ'ব।

কিন্তু ছুৰবাই মোক নাচিবলৈ নিদিয়ে — নহলে এই চিঠি আৰু বিজ্ঞাপন দেখি নিশ্চয় মোক কিবা এটা শুনিব পাৰিলেহেঁতেন, কিবা এটা ক'ব পাৰিলেহেঁতেন। পুৰণীনো কোন, কে'ৰুমিচানো কোন মোৰ পথা জানিবলৈ বিচাৰিলেহেঁতেন।

অলকাৰ চিঠি আৰু বিজ্ঞাপনখন ফালি পেলাবৰ মন গ'ল। কিন্তু এনেকা নকৰি হাতত চিঠিখন লৈয়ে তেওঁ ভিতৰলৈ উঠি গ'ল।

পিছফালৰ বাৰান্দালৈ যাব খোজোতে হঠাৎ অলকাৰ চকু পৰিল ড্ৰেচিংৰুমৰ লাইফ-চাইজ আইনাখনৰ ওপৰত। অলকা বৈ গ'ল।

মূৰৰ চুলিবোৰ এতিয়াও শুকোৱা নাই। পাতল-গুলপীয়া ৰঙা শাৰীখনে আৰু তাতকৈ কিছু বেছি ৰঙা ব্লাউজটোৱে অলকাৰ মুখখন উজ্জ্বল কৰি তুলিছে। অলপ পৰ চাই থাকি অলকা লাহে লাহে গৈ আইনাখনৰ সন্মুখত বলগৈ।

মই অকণো পুৰণি হৈ যোৱা নাই।
মই অকণো বোৱাৰী হৈ যোৱা নাই।
মোৰ চকুত মোহনীয় জলমলনি আছে।
মোৰ ওঠত এটা তীব্ৰ, নম্ৰ, কোমল আবেদন আছে।

মোৰ গোটেই গাত এখন জোৱাৰ উঠা সাগৰৰ ঢৌৰ উথল-মাথল আছে। .............

অলকা যেন স্তম্ভিত হৈ গ'ল।

ইমানখিনি ঐশ্বৰ্য্য থাকিও মই কিয় অকলশৰে পৰীগনিয়েক দুৰুৰাই আঁওবাট বাখিব লাগে? কিয় মই এজন, কেৱল এজন মানুহৰ আচুতীয়া সম্পত্তি হৈ থাকিব লাগে?

অলকা আইনাৰ কাষৰ পৰা আঁতৰি আহিল। আকাশৰ বুকুৰ পৰা ঢৌ ঢৌ কৰে বগা ৰ'দবোৰ নামি আহিছে পৃথিবীলৈ— অবাধ, মুক্ত— বিস্তৃত। তাত আছে সীমাৰ দেওনা পাৰ হৈ মুক্ত হোৱাৰ, দিগন্তগামী হোৱাৰ মিঠা নিমন্ত্ৰণ। এই নিমন্ত্ৰণৰ ভাষা বুজি পায় অকুণ্ঠিত যৌৱনে, বুজি পায় মানুহৰ প্ৰাণৰ অকথিত বেদনাই।

এই নিমন্ত্ৰণক মই উপেক্ষা কৰিব নোৱাৰো, প্ৰত্যাখ্যান কৰিব নোৱাৰো। এই নিমন্ত্ৰণৰ চিঠিৰ উত্তৰ মই দিম। মই ওলাই যাম, মই ঘৰৰ পৰা বাহিৰ ওলাই যাম।

মই কেৱল গৃহিনী হৈ নেথাকো, কেৱল পত্নী হৈ নেথাকো, মই শিল্পী হ'ম, শিল্পী হৈ থাকিম।

মোকতো শিল্পী বুলিয়েই তুৰবাই ভাল পাইছিল। মোতকৈ বহুত ধুনীয়া ছোৱালী আছিল। মোক তেওঁ নিজৰ কৰি ললে কিয়? কাৰণ মই আৰ্টিষ্ট, শিল্পী। মই কেৱল এজন মানুহৰ পত্নী হুৱৰ কাৰণেই শিল্পী হোৱা নাছিলো। এটা ঘৰৰ ভিতৰত, এজন মানুহৰ বাহু-বন্ধনৰ মাজত সোমাই থাকি মই নিজকে তিল তিলকৈ শেষ কৰি দিব নোৱাৰো। মই জীয়াই থাকিম,— নৃত্যশিল্পী অলকা হৈ জীয়াই থাকিম।

ঘূৰি চাই অলকাই দেখিলে— গৌতম সোমাই আহিছে গাড়ীখন লৈ। চোতালতে গাড়ীখন থৈ তুৰবা বাৰান্দালৈ উঠি আহিল। 'কষ্ট কৰি ওঁঠত এটা হাঁহি ফুটাই তুলিবৰ যত্ন কৰি গৌতম তুৰবাই ক'লে, "ক'তা দেখোন, নাচিবলৈ যাবলৈ কাপোৰ-কানি পিন্ধি ওলোৱাই নাই?"

অলকাই স্পষ্ট অনুভৱ কৰিলে, তুৰবাৰ হাঁহিটো হাঁহি নহয়। তেওঁৰ মাতটো দুৰ্বল আৰু বিষণ্ণ। অলকা যেন ক'ৰবাৰ বহুত দূৰলৈ, বহুত দিনৰ কাৰণে যাবলৈ ওলাইছে আৰু তুৰবা যেন দুৱাৰ-মুখত থিয় দিছে বিদায় দিবৰ কাৰণে।

'ৰেয়া লাগিল অলকাৰ। কিছুপৰৰ আগৰ মনৰ উদ্যম আৰু আনন্দ নোহোৱা হৈ যোৱা যেন লাগিল। তেওঁ কিবা এটা ক'ব খুজিলে, কিন্তু কি ক'ব খুজিছে নিজেই বুজিব নোৱাৰিলে। একো নকৈ অলকা ৰান্ধনীশাললৈ গোমাই গ'ল আৰু দুয়োৰে কাৰণে দুপিয়লা গৰম অ'ভেলটিন তৈয়াৰ কৰি হাতত লৈ আহিল আৰু এপিয়লা গৌতমলৈ আগ-বঢ়াই ক'লে, "খোৱা, আৰু কিবা খাবা ?"

পিছফালৰ বাৰান্দাত থকা বেতৰ চকী দুখনতে দুয়ো বহিল। এশোহা লোশোহাকৈ অভেলটিনখিনি খাই খাই গৌতমে লাহে লাহে ক'লে, "নাচিম বুলি তেওঁলোকক কেতিয়া ক'লা ?"

"মই নাই কোৱা। তেওঁলোক আহিছিল, মোক তেওঁলোকৰ ফাংচনত নাচিবলৈ মাত্তি হবলৈ টানি ধৰিছিল। তুমি নাছিলা, মই হা-না একো কোৱা নাছিলো।" কৈফিয়ত দিয়াৰ ধৰণে অলকাই ক'লে।

"মান্তি নহ'লা কিয় ?"

অলকাই কোনো উত্তৰ নিদিলে।

"মই গৈ ট্ৰাঙ্ক কল কৰি খবৰ কৰিলো তেওঁলোকৰ সকলো ব্যৱস্থা কৰা হৈ গৈছে। তুমিযে তাত নাচিবা সেইটো সকলোতে প্ৰচাৰ কৰা হৈছে—"

"তুমি ফোন কৰিবলৈ গৈছিলা ?" গৌতমৰ মুখলৈ চাই অলকাই সুধিলে।

গৌতমে একো নেমাতিলে।

কিছুপৰ মনে মনে থকাৰ পিছত অলকাই সুধিলে, "মই কি কৰিম ?"

মাতত যেন ঠাট্টাৰ সুৰ মিলাই গৌতমে ক'লে, সেইটো জানো মোক সুধিব লগীয়া কথা !"

হঠাৎ কিছু উত্তেজিতভাবে অলকাই চেপা মাতেবে কৈ উঠিল—"তুমি মোক বিচাৰা। আনেও বিচাৰে।"

কিছু কঠিন মাতেবে গৌতমে ক'লে, "মই তোমাক বিচাৰো, কিন্তু তুমি মোক নিবিচাৰা। তুমি বিচাৰা বাহিৰৰ পৃথিবীখন। মই জানো বাহিৰৰ সেই মানুহবোৰৰ মাজত মোক যদি নোপোৱা তুমি অসন্তুষ্ট নোহোৱা।"

চকুৰ আগতে, সমুখৰ চকীখনত হুৰবা বহি আছে। তথাপি অলকাৰ মনত লাগিল যেন এই নাটকীয় কথাবোৰ গৌতমে কোৱা নাই; অন্য কোনোবা এজন অচিনাকি মানুহে কৈছে। তেওঁ সেই মানুহজনকো চিনি নেপায়, সেই মাতটোও বুজি নেপায়।

অলকা বহাৰ পৰা উঠিল। আৰু কিছু অসহিষ্ণু ভাবেই ক'লে, "পুৰবীক ফোন বা টেলিগ্ৰাম কৰি জনাই দিয়া যে মোৰ গা অসুখ, মই নাচিব নোৱাৰিম।"

"মই মিছা কথা ক'ব নোৱাৰো। আৰু কথা দি তুমি কথা নৰখাৰ কোনো যুক্তি মই দেখা নাই। ড্ৰাইভাৰটো আছে। তুমি গাড়ীখন লৈ যাবা। ফাংচন পৰহিলৈ নহয় জানো?"

হঠাৎ পৰাশৰ হুৰবাৰ কথাবোৰ মনত পৰিল অলকাৰ—"তুমি নেনাচিবা। গৌতমে কলেও নেনাচিবা।"

কিন্তু গৌতমে জানো এইয়া মোক নাচিবলৈ যাবলৈ কৈছে? তেওঁ নিজে নেযায়। তেওঁ মোক লৈ নেযায়। মই ড্ৰাইভাৰৰ লগত গৈ কথা ৰাখি নাচিথৈ আহিব লাগিব। যিবোৰ দৰ্শকে মোৰ নাচ চাবলৈ আহিব, তাৰ মাজত গৌতম হুৰবা নামৰ মানুহজন নেথাকে, মোৰ নাচে গৌতমক আমুৱাইছে। আজি নাচে আমুৱাইছে, কালিলৈ মন্তো আমুৱাম।

তাৰ পিছত ?
তাৰ পিছত ?

নমৰা পৰ্য্যন্ত যান্ত্ৰিকভাৱে এজনী সু-গৃহিনীৰ জীৱন কটাব লাগিব। নাচি নাচি মই মৰণৰ দুৱাৰ মুখলৈকে যাব নোৱাৰিম, নেনচাকৈ মৰণৰ দুৱাৰ মুখলৈ গৈ থাকিব লাগিব।

কাৰোবাৰ ওপৰত—ঠিক কাৰ ওপৰত অলকাই বুজিব নোৱাৰিলে—অলকাৰ ভীষণ খং উঠা যেন লাগিল।

কি বিচাৰি—জীৱনৰ কি পূৰ্ণতা বিচাৰি মই গৌতম দুৱৰাৰ লগত বিয়া হৈছিলো? বিয়া কৰাই মই আজিলৈকে কি পাইছো? আগলৈ কি পাম? গৌতমৰ নিচিনাকৈ, গৌতমৰ সমান মৰম মোক আন কোনোৱে কৰিব নোৱাৰে-মই জানো। কিন্তু হাজাৰ হাজাৰ অচিনাকি, অনাত্মীয়, নিঃস্বাৰ্থ মানুহেও মোক ভাল পায়—কাৰণ? কাৰণ মোৰ এই দেহাটো স্বামীৰ অধিকাৰ পোৱা এজন পুৰুষৰ ভোগতৃপ্তিতে লগাই নেৰাখি, এই দেহাটোকে মই সুন্দৰ সৃষ্টিৰ কামত, সৌন্দৰ্য্য সৃষ্টিৰ অৱলম্বন হিচাপে ৰূপান্তৰিত কৰিব পাৰো, এটা তেজ-মঙহৰ স্থূল শৰীৰক মই এটা স্বপ্ন কৰি তুলিব পাৰো, এটা কবিতা কৰি তুলিব পাৰো, মূৰ্ত্তক মই বিমূৰ্ত্ত কৰি তুলিব পাৰো। মই সহস্ৰজনৰ স্বপ্ন হব পাৰো, মই আহিনৰ উৰণীয়া মেঘ হ'ব পাৰো, শাওণৰ ঢল-বৰষুণ হব পাৰো, ফাগুনৰ করুণ,, উদাসী নিশ্বাসৰ উন্মাদনা হ'ব পাৰো। মই এটা গীত হ'ব পাৰো, এটা সুৰ হ'ব পাৰো, এটা প্ৰাৰ্থনা হ'ব পাৰো। অৱলম্বন মোৰ এই দেহাটো, শৰীৰটো, যিটো শৰীৰক স্বামী গৌতম দুৱৰাই তেওঁৰ একান্ত, অবিভক্ত এক ভোগৰ সামগ্ৰী কৰি ধৰি ৰাখিবলৈ বিচাৰে।

একো ঠিক কৰিব নোৱাৰিলে অলকাই। বিয়া হোৱাৰ পৰা আজি পৰ্য্যন্ত কোনো কথাতে গৌতমে অলকাক বাধা দিয়া নাই।

কিন্তু মোৰ যে শিল্পী সত্তাটোভকৈ অন্য কোনো পৰিচয় ডাঙৰ নহয়, এই কথা গৌতমে বুজিব নোৱাৰিলে। নিৰ্বিচাৰে!

আৰু মই নিৰ্বিচাৰো যে মোৰ কোনো কথা বা কামে গৌতমৰ মনত আঘাত দিয়ক। গৌতমক মই সুখী কৰিবলৈ বিচাৰো— সমগ্ৰ হৃদয় দি, সমগ্ৰ শৰীৰ দি।

কিন্তু পৰাশৰ হৰৰাৰ পুত্ৰ গৌতম হৰৰাৰ পত্নী এজনী নাচনী, এজনী সহস্ৰজনক দেহাৰ সৌন্দৰ্য্য সুষমাৰে অভিভূত, মুগ্ধ কৰা নটী— এই কথা—হৰৰাই সহ্য কৰিব নোৱাৰে। অলকাৰ কোনো বৰ্ত্তমান আৰু ভবিষ্যত থাকিব নোৱাৰিব—এসময়ত অলকা নৃত্যশিল্পী আছিল, নাচনী আছিল—এই পৰিচয় লৈয়েই এটা জীৱন্ত অতীত হৈ অলকা এগৰাকী সম্ভ্ৰান্ত ভদ্ৰ মহিলা হৈ জীয়াই থাকিব লাগিব!

মই কি কৰিম?

মই কাক সন্তুষ্ট কৰিম?

গৌতম হুৰৰাক নে সৃষ্টিৰ উন্মাদনাৰে আত্মহাৰা হবলৈ উজাউল হৈ থকা শিল্পী অলকাৰ অন্তৰ-দেৱতাক?

ঘৰৰ ভিতৰ বাহিৰ নিৰৱতাৰে ভৰি পৰিছে। ব'দবোৰ আৰু মুকলি আৰু উজ্জ্বল হৈছে। নীলা, উন্মুক্ত আকাশখনে যেন কাৰোবাক আঘাত কৰিবৰ কাৰণে নিজকে প্ৰস্তুত কৰিছে। বহল চোতালখনৰ সেউজীয়া ঘাঁহবোৰত যেন কাৰোবাৰ এক অব্যক্ত কান্দোনৰ শব্দহীন উচুপনি।

অলকাক একো নোকোৱাকৈ গৌতম ওলাই গ'ল আৰু গাড়ীখন লৈ ঘৰ গড়িবে নগৰৰ ফালে আগবাঢ়িল। অলকাই চাই থাকিল। একো ক'ব বা কৰিব নোৱাৰিলে।

অলকাৰ মনটো বৰ গধুৰ লাগিল। কেইটামানে চাই অলকাই দেখিলে ৰূপৰটো যেন কিছুমান নীলা বেদনাৰ নিশ্বাসেৰে ভৰি উঠিছে।

অলকা যেন এটা বিৰাট নাট্যমঞ্চৰ গ্ৰীণৰুমত অকলেই সোমাই আছে আৰু এটা নাচ নাচিবৰ কাৰণে নিজকে প্ৰস্তুত কৰিছে। মঞ্চৰ বাহিৰত, মঞ্চৰ বাহিৰত যেন হাজাৰ হাজাৰ মানুহে হাত চাপৰি বজাইছে শিল্পী সোনকালে ওলাব লাগে। কিন্তু নৃত্যৰ লগত বাদ্য সঙ্গীত পৰিবেশন কৰা সঙ্গীতজ্ঞ সকল আহি পোৱা নাই। জুনুক জুনুক অলকাৰ ভৰিৰ নূপুৰ বাজিছে!

মানুহ বোৰে হাত চাপৰি মাৰিছে।

মঞ্চৰ নানা বৰণীয়া লাইটবোৰ উজ্জল হৈ জ্বলি উঠিছে।……

কেউপিনে চালে অলকাই। কোনো নাই। কোনোৱে হাত চাপৰি বজোৱা নাই। কাৰো ভৰিৰ নূপুৰ বজা নাই। এজাক বগা, টান ব'দে চোতালৰ সেউজীয়া ঘাহনিখন পুৰি নিবলৈ ওলাইছে। চকু দুটা ডাঙৰকৈ মেলি অলকা চকীতে বহি পৰিল। ●

শলাগৰ শবাই আগ বঢ়াবলৈ লৈ প্ৰাক্তন এম, এল, এ শান্তমু অধিকাৰীয়ে মন্তব্য কৰিলে :—

"আজি আমি আমাৰ সকলোৱে অতি মৰমৰ আৰু শ্ৰদ্ধাৰ নৃত্যশিল্পী শ্ৰীমতী অলকা ছুৰবাৰ অপূৰ্ব্ব নৃত্য দেখিলো। তেওঁ এগৰাকী জাত-শিল্পী— সম্ভ্ৰান্ত পৰিয়ালৰ জীয়াৰী, সম্ভ্ৰান্ত পৰিয়ালৰ বোৱাৰী। আপোনালোকৰ বহুতেই হয়তো সন্দেহ কৰিছিল যে প্ৰখ্যাত পৰাশৰ ছুৰবাৰ বোৱাৰীয়েক শ্ৰীমতী অলকা ছুৰবাই কিজানি আৰু নেনাচিব। কিন্তু আমি জানো নৈৰ বোৱতী স্ৰুতীক যেনেকৈ একোৱে ভেটা দি ৰাখিব নোৱাৰে, তেনেকৈ এগৰাকী প্ৰকৃত কলাকাৰ বা শিল্পীকো একোৱে বাধা দি ৰাখিব নোৱাৰে। নিজৰ বিশেষ কাম থকাৰ কাৰণে গৌতম ছুৰবা আহিব নোৱাৰিলে যদিও, তেওঁ নিজৰ গাড়ী দি শ্ৰীমতী অলকাক অনুষ্ঠানত যোগ দিবলৈ পঠিয়াই দিয়াৰ উপৰিও আমাৰ মিউজিক স্কুলৰ পুঁজিলৈ তিনিশ টকাৰ এটা শকত বৰঙণিও দি পঠিয়াইছে। সেয়ে বাইজৰ হৈ মই অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা শ্ৰীমতী ছুৰবা আৰু শ্ৰীছুৰবালৈ আমাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। আমি আশা কৰিছো শ্ৰীমতী অলকা ছুৰবাই নিজৰ প্ৰতিভাৰে অসমৰ নাম পৃথিৱীৰ সন্মুখত উজ্জল কৰি দাঙ্গি ধৰিব।।"

অলকাক এবাৰ মঞ্চলৈ আহি বাইজক দেখা দিবৰ কাৰণে হাত চাপৰি মাৰি অনুৰোধ জনোৱা হ'ল। অলকা আহি মূৰ দোঁৱাই হাতযোৰ কৰি বাইজক প্ৰণাম জনালে। আকৌ হাত চাপৰিৰ জাউৰীত পৰিবেশ মুখৰিত হৈ উঠিল। পিছফালে থকা চেম্নীয়া

ল'ৰাবোৰে চিঞঁৰিলে — " আকৌ আহিব লাগিব, আকৌ নাচিব লাগিব ..."

অলকাৰ চকু মুখ আৰু উজ্জ্বল হৈ উঠিল।

অলকাই মাজৰ দুৰ্গছৰীয়া বিৰতিৰ পিছত মঞ্চত নামি সচাকৈয়ে মনৰ মাজত নতুন প্ৰেৰণা পালে। অচিনাকী দৰ্শকৰ সশ্ৰদ্ধ আদৰণি আৰু প্ৰশংসাই অলকাক নতুনকৈ অভিভূত কৰিলে। অৱশ্যে মনে মনে কিছু ক্ষুণ্ণ হ'ল যে অলকাক থবলৈ বা নিবলৈ গৌতম নাহিল অহা হলে নিশ্চয় অলকাৰ জনপ্ৰিয়তা দেখি তেওঁও আনন্দিত হ'লহেঁতেন। লগে লগে অলকাৰ কিছু আশঙ্কাও হ'ল—গৌতমৰ পোনপটিয়া অনুমতি নোপোৱাকৈ আৰু নোলোৱাকৈ নৃত্য প্ৰদৰ্শন কৰিবলৈ অহাৰ কাৰণে তেওঁ অলকাক কি দৰে গ্ৰহণ কৰিব? খং কৰিবনে'কি? অভিমান কৰিবনেকি? তেওঁ বাৰু মোৰ মনৰ অৱস্থাটো বুজিবলৈ যত্ন কৰিবনে? তেওঁ বাৰু এগৰাকী শিল্পীৰ অন্তৰৰ আকাংক্ষাক উপলব্ধি কৰিবৰ যত্ন কৰিবনে?

যদি নকৰে?

যদি নকৰে মই কি কৰিম? স্বামী হিচাপে তেওঁৰ সেৱা কৰিও, শিল্পী হিচাবে মই জানো কলা জগতৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলি থাকিব নোৱাৰিম?

এটা সন্দিগ্ধ, দুৰু দুৰু মন লৈ অলকা যেতিয়া ঘৰ পালেহি তেতিয়া তেওঁ দেখিলে দুৱাৰ ঘৰত নাই। চাকৰ-বাকৰ কেইটাহে আছে।

" তেখেত নাইনেকি?

" নাই। চাবৰ দেউতাকৰ অসুখ বেছি হোৱাৰ খবৰ পাই, কালি বাতিয়েই ঘৰলৈ গ'ল।" লৰাটোৱে কলে।

" কিহেৰে গ'ল ?"

"খবৰ দিলতে গাড়ী আহিছিল—তাতে গ'ল।"

" মোৰ কথা কিবা কৈ গৈছে ?"

" মোৰ হাতত টকা এশ দি গৈছে, আৰু একো কৈ যোৱা নাই।"

অলকা দুশ্চিন্তাত পৰিল।

কি কৰা যাব। ইতিমধ্যে পৰাশৰ দুৰৱস্থা বা কেনেকুৱা হৈছে! কিজানিবা— ইতিমধ্যে তেওঁৰ মৃত্যুৱেই হৈছে। আৰু শঙ্কৰৰ এই খবৰ পোৱাৰ পিছত মই ইয়াতে সোমাই থকাটো ভাল-হ'ব জানো ? আৰু কিবা হলেও গৌতমে জানো মোলৈ খবৰ পঠিয়াব ?

জে'বুন্নিচা পূৰবীহঁতে অনুষ্ঠানৰ পিছত ৰাতিয়ে অলকাক ঘৰলৈ ঘূৰি আহিবলৈ নিদিলে, এক প্ৰকাৰ জোৰ কৰিয়ে ৰাতিটোৰ কাৰণে ৰাখিলে। অলকাৰো বহুত দিনৰ মূৰত, দীঘলীয়া অনুষ্ঠান কৰি ভাগৰ লাগিছিল, আৰু আগৰ দৰে ঘূৰি যোৱাৰ লগ হিচাবে গৌতমো নাই। সেই দেখি ৰাতি থকাটোতে সন্মতি জনালে।

সচাকৈয়ে বহুত দিনৰ মূৰত আকৌ নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ যোগেদি এচাম নতুন শিল্পানুৰাগীৰ শ্ৰদ্ধা অভিনন্দন পাই অলকাৰ আৰু আনন্দ লাগিল। ভাল গৃহিনী হলে স্বামী বা পৰিয়ালে বা পৰিচিত দুই চাৰিজনে সামান্য গুণগান কৰি স্বীকৃতি দিব পাৰে, এই দৰ্শক সকলৰ নিচিনাকৈ সম্পূৰ্ণ নিঃস্বাৰ্থ ভাৱে নিশ্চয় আদৰ অভিনন্দন নজনায়। এইটো সুকিয়া জীৱন, এই জীৱনৰ মাদকতা যি পোৱা নাই, সি ইয়াৰ মূল্য বুজিব নোৱাৰে।

অলকাই খৰখেদা নকৰি, কিন্তু এটা চিন্তাক্ৰান্ত মন লৈয়েই পাৰ্শ্বা ধুলে, ভাত-পানী খালে, আৰু চিঠি-পত্ৰবোৰৰ মাজত নিজৰ

চিঠি আছেনেকি চালে, তেখন অলকাৰ নিজৰ নামত অহা চিঠি আছিল। খুলি পঢ়িলে— ছুয়োখনতে বেলেগ বেলেগ ঠাইত নৃত্যানুষ্ঠানত প্ৰদৰ্শন কৰিবৰ কাৰণে আহ্বান আৰু নিমন্ত্ৰণ।

চিঠিকেইখনৰ লিখক লিখিকা তেওঁৰ পৰিচিত নহয়। চিঠি-কেখন পাই তেওঁৰ ভাল লাগিল নে বেয়া লাগিল অলকাই ঠিক বুজিব নোৱাৰিলে। তেওঁ চিঠিছুখন নিজৰ আলমাৰিত সুমুৱাই থৈ দিলে।

অলপ ভাগৰ মাৰিবৰ কাৰণে বিচনাত পৰি থাকোতে অলকাই মনতে ঠিক কৰিলে যে তেওঁ আজিয়েই শহুৰেকৰ অসুখৰ খবৰ কৰিবলৈ যাব। ড্ৰাইভাৰকো সেই কথা কৈ থলে, যাতে পিছবেলা পৰাশৰ ঘৰলৈ যাবৰ কাৰণে গাড়ীখন সাজু ৰাখে।

"মই কালি নাচি থাকোতেই যদি দেউতাৰ মৃত্যু হৈছে!" ভয়ে-ভয়ে বিচনাত পৰি চকু মুদি তেওঁ ভাবিলে।

অকাৰণতে অলকাৰ কিবা কাৰণত নিজকে অপৰাধী যেন লাগিল। গৌতমে স্পষ্টভাৱে সম্মতি জনোৱা নাছিল। মই নিজেহে গলো। গৌতম নিশ্চয় ক্ষুণ্ণ হৈছে! দেউতা অসুস্থ হৈ পৰিছে—যদিও সেই বতৰি মই এতিয়াহে পাইছো—অথচ মই নাচিবলৈ গৈছো। যদি কথা ক'ব পৰা হৈ আছে, যদি চেতনা আছে, দেউতাই নিশ্চয় গৌতমক সুধিছে মোক লৈ নগ'ল কিয়? গৌতমে পিতাকৰ আগত কেতিয়াও মিছা কথা নকয়—তেওঁ চাগৈ কৈছে— ! .........

কথাবোৰ চিন্তা কৰি অলকাৰ ভিতিটো শুকাই যোৱা যেন লাগিল। আগৰাতিৰ আধৰুৱা টোপনিৰ কাৰণে খোৱাৰ পিছত টোপনিয়ে অলকাৰ চকু দুটা মুদাই আনিছিল। কিন্তু এতিয়া অসম্ভৱ হ'ল—এই সময়ত আৰু শুব নোৱাৰি। আৰু কিবা বেছি অঘটন ঘটিলে অলকাটো

নিশ্চয় বাতৰি নিদিয়াকৈ নেথাকে। কিন্তু গাড়ী পঠিয়াই নিয়াইছে যেতিয়া ছুৰবাৰ অসুখ নিশ্চয় টান হৈছে।

কথাবোৰ চিন্তা কৰি কৰি অলকা বিচনাত কাটি হোৱাতে টোপনি গ'ল। ছুবছৰতকৈও বেছি দিনৰ মূৰত প্ৰায় ছুঘণ্টা সময় নাচি, তেতিয়াই যদিও অলকাৰ বৰ ভাগৰ লগা নাছিল, এতিয়া কিন্তু টোপনি আৰু ভাগৰে অলকাক হেচি ধৰিলে। অলপ পৰৰ আগতে মনৰ মাজত উদয় হোৱা শঙ্কা, সন্দেহ আৰু ভয়ৰ ঠাইত, নৃত্য প্ৰদৰ্শন কৰি পোৱা নতুন আনন্দ আৰু উন্মাদনাই অলকাৰ অৱসন্ন মনটো ভৰাই তুলিলে। অস্পষ্ট ভাবে অলকাই সঙ্কল্প কৰিলে : গৌতমে বেয়া পালেও, ছুৰবা পৰিয়ালে বেয়া পালেও, সমাজে বেয়া সমালোচনা কৰিলেও, শিল্পীৰ জীৱন বিসৰ্জন দি মই গৃহিনীৰ সৰু জীৱনটোৰ মাজত নিজক আৱদ্ধ কৰি নেৰাখো। মই নাচিম—যেতিয়ালৈকে মই নাচিব পাৰো, যেতিয়ালৈকে মানুহে মোৰ নাচ চাবলৈ বিচাৰে—মই নাচিম। ●

বিভিন্ন ঠাইৰ পৰা আহ্বান আহিব ধৰিলে। বাতৰি কাকত, আলোচনীৰ পাতত ছবি, বৰ্ণনা, সমালোচনা ওলাব ধৰিলে। মানুহে ক্ৰমে পাহৰিবলৈ আৰম্ভ কৰা অলকাৰ নাম আকৌ মানুহৰ মুখে মুখে ঘূৰ ধৰিলে—ক'ৰবাত ক'ৰবাত অলকাৰ শিল্পী জীৱনৰ বিৱৰণ ওলাল, ক'ৰবাত ক'ৰবাত আকৰ্ষণীয় ফটো ওলাল, অলকাৰ লগত হোৱা সাক্ষাৎকাৰ ওলাল।

এই সকলোবোৰ দেখি অলকাই নহয়, অন্য মানুহো কিছু চমৎকৃত হ'ল। মানুহৰ মুখে-মুখেও এই শিল্পী গৰাকীৰ প্ৰতিভা আৰু গুণানুকীৰ্ত্তনৰ গুণগুণনি উঠিল।

এটা নতুন জীৱন পোৱা যেন লাগিল অলকাৰ।

কিন্তু একান্ত নিৰ্বিকাৰ হৈ থাকিল গৌতম হুৰবৰা। অলকাৰ লগত বহি অন্যান্য ঘৰুৱা আৰু ব্যৱসায়ী কথা পাতিলেও নাচৰ কথা গৌতমে কোনোদিন তুলিয়ায়। অলকাৰো নাচৰ প্ৰসঙ্গ উলিয়াবৰ মন নেযায়। সেই বিষয়টো যেন দুয়ো জনেই এৰাই চলিবৰ যত্ন কৰে।

দুয়ো বহি অন্তৰঙ্গভাৱেই পৰাশৰ হুৰবৰাৰ মৃত্যুৰ কথা পাতে, বাগিচা আৰু অন্যান্য সা-সম্পত্তিৰ কথা পাতে, বিলাতত থকা যামিনী হুৰবৰাৰ কথা পাতে, কাৰোবাৰ বিয়াৰ কথা, কাৰোবাৰ পাৰিবাৰিক দুৰ্য্যোগৰ কথা পাতে, মাত্ৰ—আচৰিত কথা—অলকাৰ নাচৰ কথা এজনেও তুলিয়ায়। সেইটোৱেই যেন একেবাৰে অলাগতিয়াল আৰু অপ্ৰয়োজনীয় কথা।

ভুৱৰাৰো জীৱনৰ গতি যান্ত্ৰিক, গতানুগতিক আৰু দুৰ্বিসহ হৈ আহিব ধৰিলে।

ইয়াৰ পৰা অব্যাহতি পাবৰ কাৰণেই যেন গৌতমে পৰাশৰ ভুৱৰাৰ বাগিচা চলোৱাৰ দায়িত্ব নিজে মূৰ পাতি ললে। আৰু ঘৰত থাকিলে ব্যৱসায়ত চকু দিয়াত বেছি সুবিধা হয বুলি প্ৰায়ে পৈত্ৰিক ঘৰত থাকিবলৈ ললে।

আৰু অলকায়ো যেন আত্মৰক্ষা কৰিবৰ কাৰণেই, য'তে ত'তে, যাৰে তাৰে নিমন্ত্ৰণ ৰক্ষা কৰি নৃত্য প্ৰদৰ্শন কৰি ফুৰিব ধৰিলে। ঘৰৰ পৰা আঁতৰে-আঁতৰে, চিনাকী অচিনাকী মানুহৰ মাজে মাজে ঘূৰি ফুৰিব পাৰিলেই যেন অলকা নিজৰ পৰা ৰক্ষা পৰিব।

গৌতমে দেউতাকৰ গাড়ীখনকে চলাইছে। নিজৰ গাড়ীখন ড্ৰাইভাৰ সহ অলকাৰ তত্ত্বাৱধানতে আছে। গৌতমে কৈয়েই দিছে, "এইখন গাড়ী তোমাৰ ওচৰতে থাকক, যলৈ দৰকাৰ হয় নিবা, মই দেউতাৰখনকে চলাম।"

অলকাই বুজিলে যে গোটেই কথাখিনিৰ অৰ্থ হ'ল: তুমি তোমাৰ মতে চলা, মই মোৰ মতে চলো। মই টি প্লাণ্টাৰ পৰাশৰ ভুৱৰাৰ পুত্ৰ—তেওঁৰ ঘৰেই মোৰ ঘৰ। তুমি নাচনী অলকা চৌধুৰী—এইটো ঘৰেই তোমাৰ ঘৰ। যদিও তুমি আজি অলকা চৌধুৰী নহয়, অলকা ভুৱৰা।

এদিন কথাছবিৰ ডাইৰেক্টৰ মকবুল আহমদ আহিছিল। পুৰণি চিনাকী মানুহ। মকবুল ভাল অভিনেতা। এখন কথাছবি ডাইৰেক্‌চন্ দিয়াৰ পিছত দ্বিতীয় খনৰ চিত্ৰ-নাট্য ৰচনা কৰি আছে। ইটো-সিটো কথাৰ পিছত দুয়ো শিল্পজগতৰ সমস্যাৰ আলোচনাৰ মাজত সোমাই পৰিল। ক্ষোভ আৰু অভিমান ভৰা মাতেৰে অলকাই কৈছিল, "কোনো এজন মানুহকে বা কোনোবা এটা বিশেষ পক্ষিয়ালিক দোষাৰোপ কৰি

লাভ নাই। যদি কোনোবা দোষী, সমাজখনেই দোষী, সমাজৰ দৃষ্টি-ভঙ্গী আৰু মনোবৃত্তি দোষী, নৃত্যগীত বাদ্য অভিনয়ক নাম দিয়া হৈছে সংস্কৃতি, কালচাৰ। এইবোৰৰ মাধ্যমেৰে মানুহৰ জীৱন দৰ্শনে, মানুহৰ সৌন্দৰ্য্য সাধনাই প্ৰকাশ লাভ কৰে, এইবোৰে জীৱনক সুন্দৰ কৰে, সমাজক সুন্দৰ কৰে কিন্তু সমাজে এই শিল্পী আৰ্টিষ্টক কি চকুৰে চায়? আমি যেন এবিধ অধঃপতিত প্ৰাণী। নাচ ভাল, কিন্তু নাচনী ভাল নহয়। একোটা সুন্দৰ নাচে মানুহক আকাশমুখী কৰিব পাৰে, ঈশ্বৰমুখী কৰিব পাৰে, কিন্তু যি সেই নাচটো নাচি দেখুৱালে, সি আপোনাক নৰ্কৰ পথলৈ টানি নিয়ে, ধ্বংশৰ পথলৈ টানি নিয়ে! শিল্পীক গ্ৰহণ নকৰিলে, শিল্পক গ্ৰহণ কৰিব কেনেকৈ? শিল্পীক শ্ৰদ্ধা নকৰিলে, শিল্পক শ্ৰদ্ধা কৰা বুলি কোৱাৰ কিবা অৰ্থ, কিবা সাৰ্থকতা আছে জানো?

মকবুলে বুজিলে গৃহিনী বা পত্নী হিচাপে সকলো মান চেনেহ পায়ো, অলকাই গৌতমৰ পৰা কোনো শ্ৰদ্ধা বা স্বীকৃতি শিল্পী হিচাপে পোৱা নাই। সেয়ে অলকাৰ অসন্তুষ্টিৰ কাৰণ।

মকবুলে তেওঁৰ হাতত লোৱা ছবিখনত অলকাক নমোৱাৰ কথা চিন্তা কৰিছিল। কিন্তু কথা উত্থাপন কৰিবলৈ সাহস নকৰিলে।

মাজে মাজে গৌতম আহে। অলকাৰ খবৰ কৰি যায়, টকা পইচা দি যায়, দুই চাৰিদিন থাকিও যায়। কেতিয়াবা অন্য কথা পাতিবলৈ নেথাকিলে, ক'ৰবাত হোৱা এটা নৃত্যানুষ্ঠানত অলকাই কেনেকুৱা পালে সাধাৰণভাবে সোধে।

কিন্তু অলকাই বুজিব পাৰিলে গৌতম দুৱৰাই এইবোৰ কৃত্ৰিম সম্পৰ্ক ৰক্ষা কৰি চলিছে কেৱল দুৱৰা পৰিয়ালৰ খ্যাতি আৰু মৰ্য্যাদাক সমালোচনাৰ উৰ্ধত ৰাখিবৰ কাৰণেহে। মানুহে গৌতমতকৈ অলকাক বেছি জানে। গৌতমৰ নিচিনা ধনী, সম্পত্তিবান, চাহ বাগিচাৰ মালিক

আৰু বহুত আছে। সেই অনুপাতে অলকাৰ নিচিনা নৃত্যশিল্পী আৰু অভিনেত্ৰী আছে কেইজনী? পাৰিবাৰিক সম্পৰ্কত ফাট ধৰা বুলি বাহিৰৰ মানুহে জানিব পাৰিলে মানুহে অপযশ বতিব গৌতমহে, অলকাৰ নহয়।

কিন্তু গৌতমে অলপ অন্য ধৰণে অলকাক মানসিক কষ্ট দিয়াৰ পৰিকল্পনা কৰিলে মনে মনে। অলকাক মই এজনী বিবাহিতা, সাধাৰণ ছোৱালীতকৈ একো বেছি বুলি নেভাবো— অলকাৰ কোনো কথাতে বাধা নিদি, তেওঁৰ শিল্পী জীৱনৰ প্ৰতি কোনো কৌতুহল বা শ্ৰদ্ধা প্ৰকাশ নকৰি, সেই বিষয়ত সম্পূৰ্ণ উদাসীনতা প্ৰকাশ কৰি; অন্য ভাষাত, শিল্পী হিচাপে অলকাক সম্পূৰ্ণ অৱজ্ঞা আৰু অৱহেলা কৰি, অলকাৰ শিল্পী সত্তাটোক অস্বীকাৰ অপমান কৰি এটা আনন্দ লাভ কৰিবৰ যত্ন কৰিলে। অলকাই মনত আঘাত পালে। কিন্তু অলকাৰো আত্মাভিমান আছিল: অন্য দহজনী ছোৱালীৰ নিচিনা এজনী ধুনীয়া যুৱতী বুলিয়ে গৌতম ছুৰবাই অলকাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰি পৰিয়ালৰ অমতেও অলকাক বিয়া কৰোৱা নাছিল। গৌতমে অলকাৰ দেহৰ সৌষ্ঠৱ আৰু প্ৰতিভাৰ ওচৰত এক প্ৰকাৰ আত্মসমৰ্পনেই কৰিছিল। আজিও গৌতমে অলকাৰ আকৰ্ষণৰ পৰা নিজক মুক্ত কৰিব পৰা নাই। মতৰ অমিলৰ কাৰণে মনৰ মিল দুৰ্ব্বল হৈ আছিছে। ঘৰ-টকা-গাড়ীৰ কাৰণে গৌতমৰ ওচৰত নিৰ্ভৰশীল হৈ থাকিবলৈ অলকা প্ৰস্তুত নহয়। শিল্পী হিচাপেই নহয়, পত্নী হিচাপেই নহয়, নাৰী হিচা-পেও অলকাই নিজৰক অক্ষুণ্ণ ৰাখিবলৈ বিচাৰে—মই শিল্পী, মই পত্নী, কিন্তু মই নাৰীও। এই স্বীকৃতি গৌতমেও মোক দিব লাগিব।

কিন্তু গৌতমে যে অলকাক আনকি পত্নী হিচাপেও প্ৰাপ্য স্বীকৃতি আৰু মৰ্য্যাদা নিদি, ভাত-কাপোৰ দি এটা পোহনীয়া কুকুৰ, মেকুৰী বা মইনা চৰাই পুহি থকাদি পুহি থাকিবলৈ যত্ন

কৰিছে সেইটো, দিন বাঢ়ি যোৱাৰ লগে লগে অলকাই যেহি উপলব্ধি কৰিব ধৰিলে।

বাহিৰত স্বীকৃতি, ভিতৰত অস্বীকৃতি, বাহিৰত সন্মান, ঘৰত অসন্মান, বাহিৰত মুক্তি, ভিতৰত বন্দীত্ব— এনে এটা পৰিস্থিতিত অলকাৰ শ্বাসৰুদ্ধ হোৱা যেন লাগিল! গৌতমৰ লগত বিয়া হোৱাৰ পিছত অলকায়ো বুজিছে যে ঘৰ আৰু নাটমঞ্চৰ মাজত এটা পাৰ্থক্য আছে। মঞ্চক ঘৰ আৰু ঘৰক মঞ্চ কৰিবলৈ চেষ্টা কৰিলে ফল ভাল নহ'ব। ঘৰৰ ভিতৰত মই নেনাচো, কিন্তু ঘৰৰ ভিতৰতো যদি মই শিল্পী হৈ থাকিবলৈ বিচৰো তাৰ পৰা গৌতমৰ কি ক্ষতি হ'ব?

আৰু মই কথাছবিত অভিনয় কৰো। মোৰ অভিনয়েৰে মই সচা বা কল্পিত অন্য নাৰীৰ সুখ দুখ, হাঁহি-অশ্রু, আশা-নৈৰাশ্যৰ ৰূপ মানুহৰ চকুৰ আগত দাঙি ধৰো। সঁচাকৈ সদৰেই নাট্যাভিনয়তো মই একেটা জীৱনতে বহু জীৱনৰ আস্বাদ উপলব্ধি কৰিবলৈ বিচাৰো - কেতিয়াবা মহিমাময়ী মাতৃৰূপে কেতিয়াবা প্ৰেমিকা ৰূপে, কেতিয়াবা বিৰহিণী ৰূপে, কেতিয়াবা বিদ্ৰোহী ৰূপে মই নিজক অভিব্যক্ত কৰো!

গৌতমে এইবোৰ বেয়া পায়। গৌতমে মোক বন্ধ খাঁচৰ পখী কৰি ৰাখিবলৈ বিচাৰে, মোক বোৱাৰী নৈ হ'বলৈ দিব নোখোজে। মোক সৰু, ক্ষুদ্ৰ কৰি ৰাখিবলৈ বিচাৰে, ডাঙৰ হ'বলৈ দিব নোখোজে।

যিমানেই অলকাই কথাবোৰ এনেকৈ চিন্তা কৰে, সিমানেই তেওঁৰ মনত লাগে যেন তেওঁ গৌতমৰ পৰা ক্ৰমে দূৰলৈ আঁতৰি গৈ আছে। আৰু গৌতমো তেওঁৰ পৰা দূৰলৈ আঁতৰি গৈ আছে। লাহে লাহে অলকাই অনুভৱ কৰিব ধৰিলে যেন গৌতম এজন বাহিৰা মানুহ, অলকাৰ জীৱনৰ বাহিৰত আছে, একেখন ৰেলতে গৈ থকা দুজন দূৰণীয়া সহযাত্ৰী—গন্তব্যস্থান দুয়োৰে সুকীয়া।

এদিন পিচবেলা অলকাৰ ঘৰৰ আগত এখন গাড়ী ৰ'লহি। সেই গাড়ীখন অলকাৰ চিনাকী নহয়। তাৰ পৰা যিজন মানুহ সহজ ভাৱে নামি আহিল, সেই মানুহজনো অলকাৰ চিনাকী নহয়। মানুহজন অহা সময়ত দুজন ডেকা লৰাই অলকাৰ ড্ৰয়িং-ৰুমত বহি তেওঁলোকে কৰিবলৈ লোৱা কথা-ছবিখনত অলকাৰ ভূমিকা সম্পৰ্কে কথা পাতি আছিল। দুয়ো প্ৰায় সমান বয়সীয়া—২৭/২৮ বছৰীয়া। এজন অভিনেতা, আনজন সহকাৰী প্ৰযোজক।

গাড়ীৰ পৰা নামি অহা মানুহজন কিছু চুটি-চাপৰ, মূৰটোৰ পিছফালে কিছু চুলি আছে, আগফালে টপা।, মুখখন ঠোপোকা, শকত আৰু দীঘলকৈ গোফ ৰাখিছে, দাড়ি নিমজকৈ খুৰুৱা। চকুত এজোৰ শকত ফ্ৰেমৰ চশ্‌মা। মানুহজনে পাতল ধোঁৱাবৰণীয়া এজোৰ পাতল চুট পিন্ধিছে, ৰং মিলাই এডাল টায়ো মাৰিছে।

গাড়ীৰ পৰা তেওঁক নমা দেখিয়ে অলকা ভিতৰৰপৰা ওলাই আহিল। ওচৰ পালত মানুহজনে মূৰ দাঙি অলকালৈ চালে আৰু দুয়োহাত কপাললৈ তুলি সম্ভ্ৰমেৰে অলকাক প্ৰণাম জনালে। অলকায়ো একেই বিনয় আৰু নম্ৰভাৱে অভ্যাগতক নমস্কাৰ জনালে। আৰু সকৈকে ক'লে, "আহক—"

খট্‌খটিত ভংগি দি মানুহজনে ক'লে, "মোক আপুনি চিনি নেপায়, আগেয়ে দেখা নাই নহয়। মই কিন্তু আপোনাক বহুত বাৰ বহুত ঠাইত দেখিছো।" অৱশ্যে ঘৰুৱা সাজত আজিহে দেখা পাইছো আপোনাক।"

ইতিমধ্যে তিনজন পৰা ডেকা দুজনো উঠি আহিল। ডেউ দুয়োৰে মুখলৈ চালে।

"হেৰা, তুমি পল্লৱ নোহোৱানে? আপোনাক অসংখ্য — "

অলকাই মাতি নি মানুহজনক ড্ৰিংকমত বহুৱালে।

"মোক আপুনি চিনি নেপাব—মোৰ নাম দীপক ফুকন— "

এইবাৰ মানুহজনে অলপ হাঁহাৰ নিচিনা কৰি ক'লে, "মোক আপোনালোকে কোনোৱেই চিনি নেপায়। পল্লৱে জানো পাইছেনে নাই। মই উৎপল চৌধুৰী—আৰ্ট' কালচাৰ একো বুজি নেপাও, সৰু-সুৰা, খুচুৰা-ব্যৱসায় কৰা মানুহ। আহিছো কিছু দূৰৰ পৰাই। গৌতমে আপোনাক বিয়া কৰোৱাৰ আগতে দুই এবাৰ ইয়ালৈ আহিছিলো—।"

কৈ কৈ উৎপল চৌধুৰী সহজভাৱে চ'ফাখনত বহিল।

"আমি এতিয়া যাওঁ বাইদেউ— পিছত আহিম—" ডেকা দুজনে প্ৰায় একে সুৰতে ক'লে।

"বাৰু, আজিলৈ যোৱাহঁক তেনেহলে। মই আছোৱেই। যেতিয়াই হয় আহিবাহঁক।"

অলকাই দীপক আৰু পল্লৱক দুখোজমান আগুৱাই দিলে।

উৎপল চৌধুৰীয়ে বহি লৈ এটা চিগাৰেট জলালে আৰু ড্ৰিংকমটোৰ ওপৰত এবাৰ চকু ফুৰালে।

"গৌতম এই কেইদিন অহা নাইনেকি?" ডেউ সুধিলে।

"আজি দহদিন মানেই হ'ল, ছুবলা কলিকতালৈ গ'ল। চাহৰ কিবা সম্পৰ্কত— মই তালৈকে বুজি নেপাওঁ। আপুনি দুখোজ চিনে?"

চিগাৰেটৰ ছাইখিনি টুকুৰিয়াই মেজৰ ওপৰত থকা কাগজখনৰ ওপৰত পেলাই উৎপল চৌধুৰীয়ে ক'লে, "গৌতমক চিনি নেপালে মোৰ নচলে— ময়ো ব্যবসায়ী মানুহ।"

অলকাই কণপাইক অলপ চিয়ৰি মাতিলে।

"চাহ খাব নহয়? নে কফি-চফি অন্য কিবা খাবনেকি?"

"এপিয়লা চাহ— বচ্—"

"অলপমান বহকচোন। ল'ৰাটো কেনিবা গ'লনেকি জানো—"

"আপুনি কষ্ট কৰিব নেলাগে। চাহ নহলেও হ'ব, মই যাওঁ!"

অলকা উঠি ভিতৰলৈ গ'ল আৰু কণপাইক চাহ বনাবলৈ ক'লে।

"আপুনি এতিয়া ক'ৰপৰা আহিলনো?" অলকাই সুধিলে।

"কেইবাটাও কাম লৈ, কেইবা ঠাই পাক মাৰি আহিলো! গৌতম কলিকতালৈ কেলেই গৈছে ক'ব পাৰেনে?"

"বাগিচাৰ কিবা কামতে গৈছে বোধ কৰো। তেওঁৰ সেইবোৰ কথাৰ মই বৰকৈ খবৰ নেৰাখো, আৰু মই বুজিও নেপাওঁ—"

"আপুনি অৱশ্যে অন্য জগতৰ মানুহ। আমি আপোনাক আৰ্টিষ্ট হিচাবেহে জানো। পৰৱৰ্তী কিবা চিনেমা-টিনেমা কৰিব খুজিছেনেকি?"

"হয় মোক দিব খোজা ব'লটোৰ বিষয়েই আমি অলপ আলোচনা কৰিছিলো।"

"কাহিনীটো কাৰ? মানে কোনে লিখিছে মূল ষ্টোৰীটো?"

"তেওঁলোকে কোৱা মতে এজন কলেজীয়া ল'ৰাই লিখিছে। লিখকজনৰ নামটো মোক এতিয়াও কোৱা নাই।"

"সেই 'কলেজীয়া ল'বাটো কোন জানে?"

অলকাই মূৰ তুপিয়ালে,— নেজানে।

"বাৰু পিছত জানিব। ময়ো সঠিককৈ নেজানো। অনুমানহে কৰিছো। অসমত চিনেমাৰ কাহিনী লিখাটোকে আটাইতকৈ সহজ আৰু সাধাৰণ কথা বুলি ভাবে বহুতে।"

কণপায়ে ট্ৰে এখনত কিছু আহাৰীয় আৰু এপিয়লা চাহ আনিলে আৰু সৰু টিপয়খনতে থলে।

"আপুনি নেখায়?"

"অলপ আগতে খাইছো— আপুনি খাওক।"

চাহত শোহা মাৰি উৎপল চৌধুৰীয়ে ক'লে, "আপুনি ইয়াত অকলে অকলে কিয় থাকে? গৌতমৰ লগতোতো থাকিবগৈ পাৰে। ইয়াত অকলে অসুবিধা নেপায়?"

"তাত থাকিলেও মই অকলশৰীয়া হৈয়ে থাকিব লাগিব। তেওঁ সদায় নিজৰ কাম লৈয়ে ব্যস্ত থাকে।"

"অৱশ্যে—" কিছু চিন্তা কৰাৰ ধৰণে উৎপলে ক'লে।

মানুহজন কিয় আহিছে অলকাই একো আন্দাজ কৰিব নোৱাৰিলে। সোধাটোও বৰ শোভনীয় নহব। হয়তো তেওঁ অলকাৰ লগত সহজ হ'বৰ চেষ্টা কৰিছে, পিছত নিজেই ক'ব।

মিঠাই এডোখৰ মুখত ভৰাই উৎপলে ক'লে, "মোৰ ছোৱালী হুজনী—" অলপ ৰ'ল। তাৰ পিছত ক'লে, "আপোনাৰ চিনিনা থুনীয়া নহয় অৱশ্যে—"

অলকাই সামান্যভাৱে উত্তেজিত হোৱা যেন অনুভৱ কৰিলে। কিন্তু শান্ত হৈ থাকিবৰ যত্ন কৰিলে। আৰু তাৰ পিছত কি কয়

শুনিবৰ কাৰণে উৎপল চৌধুৰীৰ মুখলৈ চালে। তেওঁৰ দুজনী ছোৱালী থকাটো কোনো বিশেষ কথা নহয়। তিনিজনীও থাকিব পাৰে। মানুহজনৰ বয়স যথেষ্ট হৈছে যেন দেখি।

উৎপলে আকৌ আৰম্ভ কৰিলে, "সিহঁতৰ মাক নাই। কেইবা-বছৰো হ'ল—ঢুকাল।"

কথাষাৰ উৎপল চৌধুৰীয়ে সহজভাৱে কৈছিল যদিও, অলকাই সিমান সহজভাৱে লব নোৱাৰিলে।

পোনপটীয়াভাবে অলকাই উৎপল চৌধুৰীৰ মুখলৈ চালে। তেওঁ নিৰুদ্বেগভাবে চাহ খাই আছে। যেন পত্নীৰ মৃত্যুটো কালি ৰবৰুণ-দিয়াৰ নিচিনা কথা এটা।

"ঘৰত আৰু কোন থাকে?" একো কবলৈ নেপাই অলকাই সুধিলে, আৰু কথাষাৰ যেন সমবেদনা জনাবৰ কাৰণেহে কৈছে এনেভাবে মাতটো কোমল কৰি অলকাই ক'লে।

"আমাৰ ঘৰত মানুহ ভালেখিনি। আমি ভাই-ককাই তিনিটা একে লগেই থাকো—জইণ্ট ফেমিলি তেনেকৈ থাকি থাকি মানুহ যে অকলে কেনেকৈ থাকে বুজিবই নোৱাৰা হৈছো। ৰাতি, যেতিয়া এই ফালৰ মানুহবোৰ চব শুই যায়, আৰু আপুনি অকলে বিচনাত পৰি থাকে, আপোনাৰ বৰ বেয়া নেলাগেনে?"

উৎপল চৌধুৰীৰ প্ৰশ্নৰ পোনপটীয়া উত্তৰ নিদি অলকাই সুধিলে, "আপোনাৰ ছোৱালী দুজনী কিমান ডাঙৰ হৈছে? পঢ়ি আছে?"

"ডাঙৰজনীয়ে পঢ়ি আছে।"

"সৰু জনীয়ে?"

"সেই কাৰণেই আপোনাৰ ওচৰ ওলাইছোহি। মেট্ৰিক পাছ কৰি তাই পঢ়া এৰি দিলে।"

কথাযাৰে অলকাৰ মনত বিশেষ কোনো কৌতুহলৰ সৃষ্টি কৰিব নোৱাৰিলে। মেট্ৰিক পাছ কৰাৰ পিছত পঢ়া এৰি দিয়া ছোৱালী দে'চাৰ আছে।

উৎপল চৌধুৰীয়ে কৈ গ'ল, "তাই অলপ গাব পাৰে, অলপ নাচিবও পাৰে, থিয়েটাৰতো সৰু সুৰা পাৰ্ট কৰে।"

এইবাৰ অলকাই উৎপলৰ কথাত কিছু ইণ্টাৰেষ্ট পালে। তেওঁ সুধিলে, "কিমান বয়স হৈছে তেওঁৰ ?"

"ডাঙৰ ছোৱালীজনী দেখাই-মেলাই ভাল, বৰণটোও বগা। নাম কৃষ্ণা। সৰুজনী সিমান বগা নহয়, পিছে গঢ়িত। ওখ-পাখ, নিয়মীয়া, মাতটোও মিঠা বুলিব পাৰি।"

"তেওঁৰ নাম ?"

উৎপল চৌধুৰীয়ে সামান্য হাঁহিলে। "তাইৰ নাম শুভ্ৰা। পিছে তাই বগী নহয়।"

ক্ৰমে আন্ধাৰ নামি আহিছিল। অলপ ঠাণ্ডাও পৰিছিল। এতিয়ালৈকে অলকাই ইমানকে বুজিছে যে কৃষ্ণা আৰু শুভ্ৰা নামে দুজনী ছোৱালী আছে। সিহঁতৰ বাপেকৰ নাম উৎপল চৌধুৰী। তেওঁ অলকাৰ সন্মুখত বহি আছে। শুভ্ৰাই নাচে আৰু গান গায়।

কি কৰবলৈ আহিছে কৈ শেষ কৰি মানুহজন সোনকালে গলে-গৈয়ে অলকাই ভাল পাব। এনেকুৱা কোমল, শান্ত সন্ধিয়াৰ নিঃসঙ্গতা অলকাৰ বৰ ভাল লাগে কেতিয়াবা। কিন্তু মানুহজনৰ যেন ঘৰলৈ ঘূৰি যোৱাৰ চিন্তা মনতে নাই।

খিৰিকীখনেদি বাহিৰৰ ফালে চাই থাকি উৎপল চৌধুৰীয়ে ক'লে, "শুভ্ৰা আপোনাৰ দুৰ্দ্দাৰ ভক্ত। আপুনি তাইৰ আদৰ্শ।

তাই হেনো আপোনাৰ নিচিনা আৰ্টিষ্ট হ'ব—পঢ়া শুনা চব বাদ।"

উৎপল চৌধুৰী মানুহজনে অসহায় ভাবে কথা কৈছেনেকি বাৰু? সে জনাব খুজিছে যে তেওঁৰ ছোৱালীজনীও অলকাৰ নিচিনা এজনী আৰ্টিষ্ট, শিল্পী?

"গুৱাই ক'ৰবাত নাচগান শিকিছেনেকি?"

উৎপল চৌধুৰী বহাৰ পৰা উঠিল। লগে লগে অলকাও ঠিয় হ'ল।

"মই যাওঁ—আপোনাক আমনি কৰিলো, বেয়া নাপাব।" উৎপল যাবলৈকে ওলাল।

"হঠাৎ যে যাব খুজিছে! কিয় আহিছিল নকলেই দেখোন। কিবা বেয়া পালেনেকি?"

'ভাল পোৱা বেয়া পোৱাৰ কথা নাই। আপোনাৰ নিচিনা এজনী আৰ্টিষ্ট ছোৱালীক কোনোৱে বেয়া পাব নোৱাৰে। মইতো নোৱাৰোৱেই।"

"ৰাতি ভাত খাই যাব—থাকক।" কিছু ভদ্ৰতাৰ খাতিৰত কিন্তু কৃত্ৰিম সৌজন্য প্ৰকাশ নকৰাকৈ অলকাই ক'লে।

ৰাতি ভাত খাবলৈ থাকিলে আৰু যোৱাই নহ'ব। অ' মই আপোনাৰ ওচৰলৈ কিয় আহিছিলো কোৱাই নাই নহয়। গুৱাই পঠিয়াইছিল—সেয়ে আহিছিলো। তাইৰ খুব ইচ্ছা তাই আপোনাৰ লগত থাকি নাচ আৰু অভিনয় শিকিব। পিছে নহ'ব—"

"কিয় তেনেকৈ ভাবি ললে? আপুনিতো মোক সেই বিষয়ে কোৱাই নাই—"

"মই বুজিছো নোৱাৰিব। আপোনাৰ এটা অদ্ভুত মোহ আছে। এটা কিবা বেলেগ আকৰ্ষণ আছে— আপোনাক মঞ্চত দূৰৰ পৰা প্ৰেক্ষাগৃহত যেনেকুৱা দেখিছিলো তাতকৈ বহুত বেলেগ। আপুনি কিবা বেলেগ ধুনীয়া। আৰু ........."

"কিন্তু শুভ্ৰাই নাচগান শিকিব নোৱাৰিব বুলি ভাবিছে কিয়!"

"পাৰিব বুলিয়ে ভাবিছিলো। কিন্তু আপোনাক লগ পাই বুজিছো তাই নোৱাৰিব। তাই আপোনাৰ নিচিনা ধুনীয়া নহয়। তাই আপোনাৰ নিচিনা নহয়। আপুনি বেলেগ—"

খোপোকা মুখৰ এই টপ। মানুহজন বৰ ভাবপ্ৰৱণনেকি? নে কিছু খেয়ালী— লুইম্‌জিকেল?

"শুভ্ৰাৰ যদি ইচ্ছা আগ্ৰহ আছে, আৰ্টিষ্ট হ'ব নোৱাৰিবৰ কাৰণতো নাই"

"ইচ্ছা আগ্ৰহ থাকিলে এজনী ছোৱালীয়ে এম, এ, পাছ কৰিব পাৰে, ডক্টৰেট ল'ব পাৰে, এম, এল, এ, মিনিষ্টাৰ হ'ব পাৰে, আৰ্টিষ্ট হ'ব নোৱাৰে। শিল্পী— মানে আপোনাৰ নিচিনা হ'ব নোৱাৰে। মই যাওঁ— আপোনাক বৰ আমনি কৰিলো।"

"ময়ো শিকিছে আছো। আপোনাৰ ছোৱালীজনীক যেকোনো নৃত্য-গীতৰ শিক্ষানুষ্ঠানলৈ পঠিয়াই দিব পাৰে— আগ্ৰহ থাকিলে আছে—"

"ক'লোৱেই নহয়, শিল্পী হোৱাৰ সম্ভাৱনা আৰু প্ৰতিভা নথাকিলে শিক্ষানুষ্ঠানত ঢুকি ডিগ্ৰী ডিপ্লমা ল'ব পাৰিব— অলকা চৌধুৰী হ'ব নোৱাৰিব—"

ধুনীয়া এটা হাঁহি মাৰি উৎপলৰ চকুলৈ মৰমেৰে চোৱাদি চাই অলকাই ক'লে, "মোৰ নাম অলকা ছুৱাহে।"

"মিছা কথা। অলকা চৌধুৰী সদায় অলকা চৌধুৰী। আপুনি আকৌ অলকা দুৱৰা হ'ব কি দুখত? চেষ্টা কৰিলেও কোনো অলকা চৌধুৰী অলকা দুৱৰা হ'ব নোৱাৰে। কোনো প্ৰকৃত আৰ্টিষ্টই নিজকে ফাকি দিব নোৱাৰে। আপুনি কাহানিও অলকা নাছিল। সেইকাৰণে হ'ল বিয়া হোৱাৰ? সঁচাকৈ কওকচোন এদিনৰ কাৰণেও আপুনি অলকা দুৱৰা হ'ব পাৰিছে?"

উৎপল চৌধুৰী ভিতৰৰ পৰা বাহিৰ ওলাই আহিল। লগে লগে অলকাও ওলাই আহিল।

"দুৱৰাক আপুনি কিমান জানে মই ক'ব নোৱাৰো। মই কিন্তু সচাকৈয়ে অলকা দুৱৰায়েই। এনেকৈ আমি দুয়ো দুঠাইত থকাৰ কাৰণেই আমাৰ সম্বন্ধ সলনি হোৱা নাই।"

উৎপল খট্খটিয়েদি তললৈ নামিল।

"মই গৌতমৰ লগত কেইবাদিনো কথা পাতিছো। তেওঁ মোক সকলো কৈছে। বাগিচাত আছে, বাগিচা চলাইছে। কিন্তু এখন ভালকৈ চলি থকা বাগিচা 'চিক্' হৈ গৈছে কিয়? অসুস্থ হৈ গৈছে কিয়? বাগিচা চলাওঁতাজন অসুস্থ হ'লে বাগিচাখন অসুস্থ নহব?"

"আকৌ এইফালে কেতিয়ামানে আহিব?"

"ক'ব পৰা নাই। তা' আপোনাক কোৱাই নাই। মযো থিয়েটাৰে-চিয়েটাৰে কেতিয়াবা অভিনয় কৰো। পিছে মোক সদায় ভিলেইনৰ পাৰ্টৰ কাৰণেহে উপযুক্ত বুলি ভাৱে। সমাজত ভিলেইন ভৰি আছে, কিন্তু থিয়েটাৰ চিনেমাত ভিলেইনৰ পাৰ্ট কৰা মানুহ পাবলৈ নাই। সমাজততো ভিলেইনবোৰেই হিৰ'— আহো দেই মিচ চৌধুৰী।"

তেওঁৰ সম্বোধনটোত অলকাই আমোদ পালে। কিছু ৰহস্যও অনুভৱ কৰিলে। এবাৰ মিচেছ দুৱৰা হোৱাৰ পিছত আৰু মিচ চৌধুৰী হোৱাৰ বাট নেথাকে। উৎপল চৌধুৰী সচাকৈয়ে এটা ভিলেইন নে কি?

ভদ্ৰতাৰে নমস্কাৰ জনাই লাহে লাহে উৎপল চৌধুৰী বুলি পৰিচয় দিয়া মানুহজন গেটৰ বাহিৰত থকা গাড়ীখনৰ ফালে আগবাঢ়িল। তেওঁ বাৰু প্ৰকৃততে মোৰ ওচৰলৈ কি উদ্দেশ্যে আহিছিল? অলকাই চিন্তা কৰিলে।

পল্লৱহতৰ ছবিখনৰ কিছু ছবি আউটড'ৰত লোৱা হ'ব, কিছু হ'ব কলিকতাৰ ষ্টুডিঅ'ত। প্ৰধান ভূমিকাত থাকিব অলকা দুৱৰা —। কাহিনীটো গতানুগতিক, বৰ বিশেষত্ব নাই। বোম্বাই মাৰ্কা ফৰ্মুলামতে কাহিনীটো খাড়া কৰা নহব বুলি যিটো ফৰ্মুলা চলিছে সেই ফৰ্মুলা-মতেই কাহিনীটো ৰচনা কৰা হৈছে।

অলকাৰ কাৰণে একৃটিঙৰ স্ক'প থাকিব লাগিব। আৰু চেক্স এপীলতকৈ কিছু বৌদ্ধিক অৰ্থাৎ ইনটেলেকচুৱেল আৰু ইম'চনেল এপীল থাকিব লাগিব। নাচো যেতিয়া আছে, চেক্স এপীল এনেয়ে হ'ব।

কন্‌ট্ৰেক্টখন চহী কৰাৰ আগতে অলকাই কথাটো সাধাৰণভাৱে হলেও গৌতমৰ লগত এবাৰ আলোচনা কৰাটো দৰকাৰী বুলি ভাবিলে। কিয়নো এখন পূৰ্ণদৈৰ্ঘ্য কথাছবিত অভিনয় কৰা আৰু ক'ৰবালৈ গৈ এৰাতি নৃত্যপ্ৰদৰ্শন কৰা একে কথা নহয়। মাজে মাজে একে লেঠাৰিয়ে কেইবাদিনো আঁতৰি থাকিবলগীয়া হ'ব। কথাটো গৌতমক জনোৱা দৰকাৰ।

কলিকতাৰ পৰা ঘূৰি আহি গৌতম এবাৰ ঘৰলৈ আহিব বুলি অলকাই আশা কৰিছিল। আগে তেনেকৈ আহে। কিন্তু, দুদিন গ'ল, তেতিয়াও গৌতম নাহিল দেখি, অলকাই নিজে যোৱাকে ঠিক কৰিলে। তেওঁ ভাবিলে এই বিষয়ত গৌতমে কোনো বাধা নিষেধ আৰোপ নকৰিব যদিও, আৰু কৰিলেও তেওঁ সেই বাধা নেমানিব যদিও, এবাৰ গৌতমক কথাটো জনাই যোৱাটো বেয়া নহব।

লগতে অলকাই ঠিক কৰিলে যে কেইদিনমান তেওঁ তাতে গৌতমৰ লগতে থাকিও আহিব।

অলকা গৈ যেতিয়া গৌতমৰ বাগিচাৰ বঙলা পালেগৈ, তেতিয়া সন্ধিয়া লাগি আগিছিল। কণপাই ঘৰত থাকিব—ড্ৰাইভাৰক লৈ অলকা অকলেই আহি ওলালহি।

সহজভাবে অলকা গাড়ীৰ পৰা নামি ভিতৰ সোমাই গ'ল। ড্ৰয়িংৰুমৰ দুৱাৰ খোলা আছিল, লাইট জ্বলি আছিল, কিন্তু তাত তেতিয়া কোনো নাছিল।

অলকাৰ অলপ আগৰ লগা যেন লাগিছিল। তেওঁ চ'কা এখনতে বহিল। ড্ৰয়িংৰুমটো কিছু বিশৃঙ্খল হৈ আছে। আলেআল দিন যেন কোনোৱে চাফ-চিকুণ কৰা নাই, আৰু সজোৱাও নাই। অলপ পৰ বহি থকাৰ পিচত অভ্যাসবশতঃ তেওঁ উঠিল, মেজৰ কাপোৰ, এস্‌ট্ৰে ফুলদানী আদি অলপ চিজিল লগাই থলে। কিছুমান খবৰ কাগজ, আলোচনী, চিঠি পত্ৰ আদি কাৰ্পেটৰ ওপৰতে পৰি আছিল। সেইবোৰ তুলি লৈ জাপি কাষৰ কিতাপৰ ৰেকডালত থলে।

এনেতে ভিতৰৰ পৰা এজনী ছোৱালী ওলাই আহিল। অলকাই সেইবোৰ কৰি থকা অলপ সময় চাই থাকিল। তাৰ পিছত উত্তেজনা-মিহলি এটা চেপা মাতেৰে কৈ উঠিল, "বাইদেউ! কেতিয়া আহিল? সেইবোৰ থক, মই ঠিক কৰিম।"

অলকাই ছোৱালী জনীৰ মুখলৈ সাধাৰণ ভাবে চালে।

"তুমি?"

"মোৰ নাম শুভ্ৰা চৌধুৰী। আপুনি বহক বাইদেউ— নহয়, আপুনি ভিতৰলৈকে আহক। চাহ খাবনে অনা কিবা দিম?"

অলকা চ'কাখনতে আকৌ বহিল।

"দাদা আগবেলাতে ক'ৰবালৈ গল। আহোঁতে দেৰী হ'ব বুলি মোক কৈ থৈ গৈছে।"

"তুমি ইয়াতে থাকানেকি?"

শুভ্ৰাই অলপ থতমত খালে।

"নেথাকো, দাদা দেউতাৰ পুৰণি বন্ধু। দেউতাৰ লগতহে মই আহিছো। দাদাৰ লগতে দেউতাও গৈছে। মই চাহকে কৰো?

"গাড়ীত কিবা-কিবি বস্তু আছে, ড্ৰাইভাৰক কোৱা উলিয়াই ভিতৰলৈ আনক।"

শুভ্ৰা গাড়ীৰ ওচৰলৈ গ'ল। ইতিমধ্যে ড্ৰাইভাৰে বস্তুবোৰ উলিয়াই দিলেই। দুয়ো সেইবোৰ ভিতৰলৈ আনিলে।

ইতিমধ্যে শুভ্ৰাই দিহা দিয়া মতে বান্ধনী লৰাটোৱে চাহ উলিয়াইছিলেই। অলকা ভিতৰলৈ গ'ল—খোৱা কোঠালৈ। অলকাই শুভ্ৰাকো চাহ খাবলৈ লগতে বহুৱাই কলে,—"আহা, তুমিও বহা। মই অ.কলেই ইমানবোৰ কেনেকৈ খাম?"

শুভ্ৰা অলকাৰ মুখামুখীকৈ বহিল। গঢ়িত, মিঠা-বৰণীয়া, শান্ত যেন লগা হোৱালীজনী। চকু দুটা বৰ তেজাল।

শুভ্ৰাই ক'লে, "মই বাইদেউক ছবিতো দেখিছো, ষ্টেজতো দেখিছো।"

"হয়নেকি?" সাধাৰণভাৱে অলকাই ক'লে।

"ইমান ডাঙৰ এগৰাকী আৰ্টিষ্টৰ লগত বহি মই চাহ খাইছো—মোৰ নিজৰ বিশ্বাস কৰিবলৈ টান লাগিছে।" হোৱালীজনীৰ মাতত এটা আনন্দ আৰু উত্তেজনাৰ সুৰ।

"আপুনি এতিয়া বাৰু কি ছবি কৰি আছে বাইদেউ?"

"নাই কৰা। কৰাৰ কথাহে আছে। তুমিও আহা। নাহয় আহকো?"

"আপোনাক কোনে ক'লে?" শুভ্ৰাৰ গাল দুখন লাজত ৰঙা পৰিল।

"শিকিছে আছো—সুবিধই নাই নহয়। তাতে অন্য ঠাইত গৈ শিকিলে আমাৰ ঘৰৰ অৱস্থাও ভাল নহয়। সেইভাই ইটো সিটো কৰি কোনোমতে চলাই আছে আৰু—"

চাহ খাই উঠি অলকাই সুধিলে; "দুৰণা বাৰু আজি ঘূৰি আহিবনে নাহে ক'ব পাৰানে?"

"আহিব সেখান লাগে। লগত সেইতাও গৈছে, ময়ো অকলে আছো। বাইদেৱে কাপোৰ-কানি সলাওক, ময়ো ভাতপানীৰ জোগাড় কৰো—।"

কাষৰ শোৱা-কোঠাটোলৈ নিজৰ চুটকেচটো নি অলকাই কাপোৰ সলালে, আৰু দুৰবাৰ বিচনাখনতে দীঘল দিলে।

মেজৰ ওপৰত থকা ডাঙৰ ৰেডিঅ'টো বজালে গান তান কিবা এটা বাজিব, কিন্তু সি এই শান্ত পৰিবেশটো নষ্ট কৰি পেলাব। তাতকৈ চকু মুদি মনে মনে পৰি থকাই ভাল। কোলাহল আৰু হুল-স্থুলে আমনিাইছে আৰু। অৱশ্যে নিৰৱতা আৰু নিৰ্জনতায়ো অলকাক নাই আমনিওৱা বুলিব নোৱাৰি। মাজে মাজে, অকলে অকলে ঘৰত থাকিলে কেতিয়াবা অলকাৰ এটা নিৰ্জনতাৰ অথেদা বন্দীশালত বন্দী হৈ থকা যেনেই লাগে। কোলাহলৰ কাৰাগাৰ ভাল নে নিৰৱতাৰ বন্দীশাল ভাল?

হয়তো বান্দনীশালত নাইবা কাষৰে কোঠা এটাত শুভ্ৰাই—হয় তায়ে নিশ্চয়— কিবা এটা গুণগুণাই গাইছে। মাতটো মিঠা, সুৰটোও ভাল। কথাখিনি অস্পষ্ট। কথাখিনি আৰু স্পষ্ট হোৱা হলে হয়তো অলকাৰ আৰু ভাল লাগিলহেতেন। অলকাই শুনক, কিন্তু আমনি নেপাওক—এনে ধৰণে গুণগুণাইছে ছোৱালীজনীয়ে। কাণ নিদিবৰ চেষ্টা কৰিও, কাণ দি পৰি থাকিল অলকা। ক্ৰমে যেন শুভ্ৰাৰ মাতটো ডাঙৰ আৰু স্পষ্ট হৈ আহিছে। দুৰৰ পৰা নহয়, যেন ওচৰৰ, কাষৰ

কোঠাটোতে গাইছে শুভ্ৰাই। ঘৰটোৰ আৰু ঘৰটোৰ বাহিৰৰ নিৰৱতাৰ মাজত শুভ্ৰাৰ মাতটো অলকাৰ আৰু মিঠা আৰু গভীৰ যেন লাগিল। এই গীতটো আগে অলকাই ক'ৰবাত শুনা যেন মনত নেলাগিল। লোকগীতৰ সুৰত ভিত্তি কৰি কোনোবাই কথাখিনি ৰচনা কৰিছে :—

ফাগুনৰ পচোৱাই
কাণে কাণে মোক সুধি যায়,
অ' ফুল, অ' ফুল
মুফুল কিয় ?
ৰতাহক সুধিলো,
তই জানো কেতিয়াবা
মোৰ পাহীত ৰং সানি দিয় ?
পাচোৱাক সুধিলো
মোৰ পাহীত তই
ৰং সানি নিদিয় কিয় ?
গোন্ধৰে সফুৰা
ক'ভে লুকুৱালি
মোৰ পাপৰিত নেসান কিয় ?
অ' ফুল, অ' ফুল
ফুলিবৰ বতৰত
তইনো মুফুল কিয় ?.........

শুভ্ৰাৰ মাতটো কৰুণ। এই মিঠা ৰমণীয়া ছোৱালীজনীয়ে নিজৰ কথাকে কৈছেনেকি ? এইটো বা কোনে ৰচনা কৰা গীত !

শুভ্ৰা আঁতৰি গ'ল বান্ধনী ঘৰৰ ফালে।

গীত বন্ধ হ'ল। অলকাৰ আৰু তনিবৰ মন গৈছিল। কিন্তু তাৰ বাবে শুভ্ৰাক মতাৰ কথা নেভাবিলে। গান ভাল লগাৰ একোটা

সময় আছে। কেতিয়াবা ভাল গান একোটাও শুনি থৈয়া লাগে। গান কাণে শুনিলেই নহয়, মনেও শুনিব লাগে।

অলকা চকু মুদি পৰি থাকিল।

কিছু সময়ৰ পিছত শুভ্রা কোঠাটোলৈ সোমাই আহিল। অলপ সময় অলকাৰ কাষে চাই থাকিল, হয়তো তেওঁৰ টোপনি আহিছেনেকি বুজিবৰ চেষ্টা কৰিলে। হয়তো তাইৰ আদর্শ-শিল্পী গৰাকী শুই থাকিলে কেনেকুৱা দেখি তাকো বুজিবৰ যত্ন কৰিলে। শুৱাই থোৱা এটা মাৰ্বলৰ মূৰ্ত্তিৰ নিচিনাকৈ অলকা ওপৰলৈ মুকৈ বিচনাখনত পৰি আছে। এই ধুনীয়া নিমজ বাহুদুটাৰ সিৰবোৰত, এই জোঙা, দীঘল আঙুলিবোৰত, এই সাগৰৰ ঢৌৰ উঠা-নমাৰ ছন্দ ভৰা শৰীৰটোত, এই দীঘল ভৰি দুখনত— বহুত স্পন্দন শুই আছে, বহুত সুৰ বিয়পি আছে, বহুত সাধুকথাৰ বেদনাভৰা কান্দোন আছে, বহুত নোগোৱা গীতৰ মিঠা কঁপনি আছে। এই সকলোবোৰ অলকা নামে এজনী বাইদেউ হৈ গৌতমৰ ঘৰৰ বিচনা এখনত আধা সাৰ—আধা-টোপনিত পৰি আছে। তেনেই সহজ হৈ, তেনেই চিনাকি হৈ।

অলকাই যেন এটা দীৰ্ঘশ্বাসৰ শব্দ শুনিলে গাৰ কাষতে। তেওঁ চকু মেলিলে। তেওঁৰ কাললৈকে চাই থকা শুভ্রাৰ চকুৰে-চকুৰে পৰিল।

"কি হ'ল শুভ্রা— ?"

"আপোনাৰ টোপনি আহিছেনেকি ?"

"গান কোনে গাইছিল ?"

"গান নহয়, এনেয়ে"—শুভ্রাই যেন লাজ পাইছে।

"তুমি গোৱা গানটো কোনে লিখা ?"

"মিহিৰ দত্তই।"

"কোন মিহিৰ দত্ত ? মই দেখোন নামেই শুনা নাই।"

অলকা বিচনাতে বহিল।

"আহাচোন বহা ইয়াতে।"

শুভ্রা বিচনাখনতে বহিল—অলকাব পবা কিছু আঁতৰি।

"তুমি গোৱা গানটো মই শুনি আছিলো। বৰ ভাল লাগিল তোমাৰ মাতটো। গানটোৰ কথাখিনিও ভাল। এই মিহিৰ দত্ত কোনহে ?"

"ক'ব মানুহ ময়ো নেজানো—। কি কবে তাকো ক'ব নোৱাৰো—। মাজে মাজে দুই এটা গান লিখে, নিজেই সুৰ দিয়ে, পিছে অইনৰ আগত নেগায়, নিজে নিজেহে গায়।"

"এতিয়া ক'ত থাকে ?"

"কেইদিন মানৰ আগতে আমাৰ ঘৰতে আছিল। তাৰ পৰা ক'ৰবালৈ গ'ল। কলৈ যায় কৈ নেযায় নহয়। বাইদেউৰ ভোক লাগিছেনেকি ?"

"এতিয়াইনে ? মোৰ খোৱাৰ কোনো ধৰাবন্ধা সময় নাই। যেতিয়াই ভোক লাগে পালে তেতিয়াই খাওঁ। আৰু দাদাৰহঁতো নাহিব জানো ?"

"অহাৰ কথা আছে। তেনেহলে মই ভাত দেবীকৈ উলিয়ালে হ'ব বুলি কৈ থৈ আহো।"

শুভ্রা উঠি গ'ল।

অলকাই এনেই গুণ গুণাবৰ যত্ন কৰিলে—

অ' ফুল, অ' ফুল,

মুকুল কিয় ?

কিন্তু ক'ৰবাত ফুল ফুলিছে। হয়তো গৌতমৰ ঘৰৰ আগৰ ফুলনি খনতে। বতাহত ফুলৰ গোন্ধ উটি আহিছে। অলকাৰ কোঠাটো সেই

ফুলৰ গোন্ধেৰে ভৰি পৰিছে। পৰিবেশটো বৰ অভাৱনীয়ভাৱে কাব্যিক যেন লাগিল অলকাৰ—ফুলৰ গোন্ধেৰে ভৰা বাসন্তী নিৰ্জনতা, গীতৰ সুৰেৰে ভৰা বেদনাময় নিঃসঙ্গতা। গৌতম নাই, থকা হলেও হয়তো এই নিবৰভাৱ আবেদন স্বীকাৰ কৰিবলৈ আজৰি নেপালেহেতেন। তেওঁ বৰ গতানুগতিক ভাবে সাংসাৰিকতাত ব্যস্ত। তেওঁ দুৰবা পৰিয়ালৰ মৰ্য্যাদাৰ দুৰ্গৰ জাগ্ৰত প্ৰহৰী। পৰাশৰ দুৰবাৰ বংশ-গৌৰৱ জীয়াই ৰাখিবৰ কাৰণে অলকা নামৰ জীয়া মানুহ এজনীৰ খবৰ ৰাখিবলৈকো তেওঁৰ আজৰি নোহোৱা হৈছে।

অলকা আকৌ ড্ৰয়িং-ৰুমলৈ ওলাই আহিল। মন গৈছিল আন্ধাৰত লুকাই থকা সেউজীয়া বনে-ঢকা চোতাল খনলৈ ওলাই যাব, আৰু একাষে মনে মনে বহি থাকি শুভ্ৰাৰ আগে সুগুনা এটা গান শুনিব। কিন্তু একো নকৰি অলকা বহি থাকিল-গৌতমহঁত অহালৈ অপেক্ষা কৰি।

অন্য গাড়ী মটৰ, অন্য মানুহং আলিবাটেদি অহা যোৱা কৰি আছে। এইবোৰ সকলো ঘৰমুৱা।

শুভ্ৰা আকৌ আহিল।

"দাদাহঁত দেখোন এতিয়াও ওলোৱাহি নাই। বাইদেউ আপুনিয়ে ভাত খাওকহি—উলিয়ামনে?"

"এৰা, তোমাৰ চাগৈ আমনি লাগিছে। আৰু অলপ ৰওঁ, নহলে ভাত খাই শুই থাকিব লাগিব। লাগিলে তেতিয়া তোমাৰ গানকে দুই এটা শুনিম। অথনি গোৱা গানটো মোৰ বেচ ভাল লাগিল।"

গাড়ীখন আহি ৰ'লহি। গৌতমহঁতেই হয়।

"দাদাহঁত আহিল।"—শুভ্ৰাৰ মাতত ফুৰ্ত্তি।

অলকা যেন হঠাৎ অপ্ৰস্তুত হৈ পৰিল। অথচ গৌতমৰ ওচৰত কোনো সঙ্কোচৰ কাৰণ নাই অলকাৰ।

গৌতম সোমাই আহিল। এবাৰ অলকাৰ ফালে চালে।

"আহিল ?"

"তুমি কেতিয়া আহিলা ?"

উত্তৰৰ কাৰণে নবৈ গৌতম ভিতৰলৈ সোমাই গ'ল।

অলকাও লগতে উঠি গৌতমৰ কোঠালৈকে সোমাই গ'ল।

অলপ পৰৰ পিছতে শুভ্ৰা আহি সুধিলে, "দেউতা নাহিলনেকি ?"

"দেউতাৰ থাকি আহিল। কাইলৈ বা পৰহিলৈ আহিব পাৰিব কিজানি।"

"ভাত উলিয়াওঁগৈনে ? হৈয়ে আছে।"

"উলিওৱাগৈ যোৱা। ভোক লাগিছে।" অলকা কাষতে থিয় দি থকাটো যেন কোনো কথা নহয়, এনে ধৰণে গৌতমে কাপোৰ সলোৱাত লাগিল।

"মই অথনিয়ে আহিলো। কলিকতাৰ পৰা কেতিয়া আহিল ?"

"যোৱা সপ্তাহতে আহিলো। এটা বিশেষ কামৰ কাৰণে ঘূৰা-ঘূৰি কৰিবলগীয়া হৈছে। তুমি যে আহিলা ?"

"ঘাৰ যাব বুলি বাট চাই আছিলো। আপুনি নোযোৱা দেখি ময়ে আহিলো। শুভ্ৰাক ইয়াত লগ নোপোৱা হলে, অকলে অকলে বহি থাকিব লাগিলহেঁতেন।"

একাষে থকা চকীখনত বহি লৈ চুলিযোৰ হাতৰ অনুপাতে সমান কৰি কৰি গৌতমে অন্যমনস্কভাৱে সুধিলে, "পল্লৱাঁৰ ছবিখনৰ চুটিং কেতিয়াৰ পৰা আৰম্ভ হ'ব ?"

"আপুনি কেনেকৈ জানিলে ?"

"সিহঁত আহিছিল। তোমাক একটিং কৰিবলৈ দিবলৈ অনুমতি বিচাৰি।"

"আপুনি কি ক'লে ?"

"আগে জানো কেতিয়াবা মোৰ অনুমতিৰ দৰকাৰ হৈছে ?"

"ময়ো সেই কাৰণেই আহিলো। কাহিনীটো ভাল। অৰ চিন বা ভালগাৰ নহয়। একটিও ভাল স্কপ আছে।"

"তেন্তে আৰু মোক সুধিবলগীয়া কি আছে ? এগ্রিমেণ্ট চহী কৰা নাই জানো ?"

"তেনেহলে আপোনাৰ আপত্তি নাই ?"

"আপত্তি কোনে মানিব ?"

এনেতে শুভ্রাই আহি মাতিলে, "দাদা, ভাত উলিযাইছো। আহক—বাইদেউ— ।"

অলকাই মতা সত্বেও শুভ্রা ভাতৰ মেজত একেলগে খাবলৈ নবহিল।

"এওঁ ভাল গান গায়—" অলকাই ক'লে।

"নাচেও—"

"নাচ মই দেখা নাই।"

"নাচ দেখুৱাবৰ কাৰণে মোৰ ঘৰত কোনো উপায় নাই। ময়ো দেখা নাই, অইনে কোৱা শুনিছো।"

কথা অন্য ফালে নিবৰ কাৰণেই অলকাই সুধিলে, "কলিকতাৰ কাম হ'ল ?"

"তাত কাম ওলায়ে থাকে। পিছে ইমানহে এটা বেলেগ কাম ওলাইছে।" অলকাই গৌৰৱ কালে চালে।

"কি কাম?"

"ক'ম বাক"

শুভ্ৰা ভাত-ভৰকাৰী অনাৰ চলেৰে আঁতৰি গ'ল।

"কি হৈছেনো?"

"সেইবোৰ বহুত কথা। আমাৰ ঘৰৰ সম্পত্তি লৈ মোকৰ্দমা লাগিছে।"

"মোকৰ্দমা? কাৰ ওপৰত কোনে কৰিছে?"

"মই কৰিছো।"

"কি?"

"তোমাক দেউতাৰ অমতে বিয়া কৰোৱাৰ কাৰণে মোক সম্পত্তি নিদিওঁ বুলি দেউতাই উইল কৰি গৈছে—"

অলকা বৈ গ'ল।

"সচা?"

"হুঁ— "

অলপ চিন্তা কৰি অলকাই ক'লে, "সেইবোৰ মোকৰ্দমা মোকৰ্দমা কৰাৰ কি দৰকাৰ? আমি সেইবোৰ সম্পত্তি নহলেও চলিব নোৱাৰিম জানো? "

"পৈত্ৰিক সম্পত্তিৰ কাৰণে মই এই মোকৰ্দমা কৰা নাই।"

"তেন্তে? আকনো কিহৰ কাৰণে কৰিছা?"

'আত্মমৰ্য্যাদা ৰক্ষাৰ কাৰণে। মোৰ নিজৰ সিদ্ধান্ত লিজে লোৱাৰ মোৰ অধিকাৰ আছে। সেই সিদ্ধান্ত এটা ভুল সিদ্ধান্ত। কিন্তু এটা ভুল সিদ্ধান্ত লোৱাৰো অধিকাৰ মোৰ নেথাকিব, সেইটো হ'ব নোৱাৰে। "

"দেউতাই জানিবা তেনেকুৱা উইল কৰিছিলেই, কোনোবাই জানো তাঁতে ধৰি আছে? কোনোবাই পৈত্রিক সম্পত্তিৰ ভাগ নিদিও বুলিছেনেকি?"

"দেউতাৰ অভিমত জনাৰ পিছত মই যদি সেই সম্পত্তি লবলৈ যাও, সেইয়া আনৰ অনুগ্রহ গ্রহন ক'ৰা হ'ব। সেইটো মই নকৰো।"

ছুয়ো ভাতৰ মেজৰ পৰা উঠি আহিল।

"দেউতাৰ অসন্মতিত আপুনি মোক বিয়া কৰাব নেলাগিছিল।" অলকাই ক'লে।

"মোৰ সিদ্ধান্ত লোৱাৰ অধিকাৰৰ অমৰ্য্যাদা কৰা হলে মই অমানুহ হলোহেতেন। অৱশ্যে দেউতাই সন্মতি জনোৱা হলেও এটা ভুল সিদ্ধান্তই থাকি গ'লহেতেন।"

তামোলৰ বটাটো লৈ শুভ্রা আহি দুয়োৰে মাজত ঠিয় দিলেহি। অলকাই এখন তামোল লৈ মুখত ভৰালে। গৌতমে চিগাৰেট এটা জলাই এটা দীঘলীয়া হোপা টানিলে।

"তুমি ভাত খালা জানো শুভ্রা—? ৰাতি বহুত হ'ল, যোৱা ভাত খোৱাগৈ।"

শুভ্রাই বটাটো মেজত থলে আৰু ভাত খাবৰ কাৰণে ভিতৰলৈ গ'ল।

ফুলনিৰ পৰা ওপঙি আহিছিল কিবা ফুলৰ এটা তীব্র গোন্ধ। গৌতমৰ চিগাৰেটৰ ধোঁৱাৰ গোন্ধে তাক নোহোৱা কৰি দিব পৰা নাছিল।

নিষ্তব্ধতাখিনি ভাল নলগাৰ কাৰণে অলকাই ক'লে, "শুভ্রাক কেনেকৈ চিনি পোৱা?"

"বাপেক উৎপল চৌধুৰী আমাৰ অলপ দূৰ সম্বন্ধীয় ককাই হয়। কেনেকৈ মই ভালকৈ নেজানো। নিজৰ একো আৰ্'ন-উপাৰ্জন নাই, ভাই ককাই আটাই কেইটা লগ লাগি থাকে। মাজতে ফাকতে চলি আছে। ডাঙৰ ছোৱালীজনীয়ে কলেজত পঢ়ি আছে। শুভ্ৰাক নাচ গান শিকিবলৈ দিছে-ভাবে যে তাই তাকে কৰি বহুত ধন ঘটিব আৰু সেই ধনেৰেই সিহঁত চলিব।"

"ছোৱালীজনীৰ মাতটো বৰ মিঠা। নাচিবও পাৰিব কিজানি—"

"শুভ্ৰা হেনো অলকা চৌধুৰী হ'ব।"

"অলকা চৌধুৰী নে অলকা ছুৰবা?"

"অলকা ছুৰবা হলে নাচ গানৰ ওস্তাদ হোৱাটো নহয়। মোক ধৰিছে তোমাৰ শিষ্যা কৰি দিব লাগে। তোমাৰ নামটোকো নমস্কাৰ কৰে শুভ্ৰাই।" লঘুভাবে গৌতমে ক'লে।

"নাচ গান কৰা মানুহবোৰ যে বেয়া, অপদাৰ্থ সেই কথা বুজাই দিয়া নাইনেকি?"

"বুজাই নিদিলেও বুজিছে চাগৈ—। শুভ্ৰা—"

"গৈছো দাদা—"

"মিহিৰ দত্ত কোন?" অলকাই সুধিলে।

"ক'ত লগ পালা—?"

"লগ পোৱা নাই। শুভ্ৰাই তেওঁ লিখা গান এটা গাইছিল, কথাখিনি মোৰ ভাল লাগিল।"

"কোনটো? গৰুৱে আগ খোৱাটো?

"নহয়, অ'ফুল ছুফুল কিয়টো—"

"অসমীয়া মানুহে বুজনি পাচে, জেওৰা এখন নিদিয়ে। গৰুৱে আগ খোৱাৰ কেলেই? আৰু আগটো মানে লোপা কলিটো খাই দিলে ফুল ক'ৰপৰা ফুলিব?

"শুভ্ৰা আহি ৰ'লহি।

"তাত থকা শুভ্ৰা?"

'হয়।"

গৌতমে ক'লে, "হেৰা শুভ্ৰ, তোমাৰ কাৰণে মই ওকালতি কৰিবই নেলাগিব যেন পাইছো। মিহিৰ দত্তৰ অ'হ্বান গানটোৰেই তুমি কিল্লাফতেহ কৰি বহি আছা।"

শুভ্ৰাই শান্তভাৱে হাঁহিলে।

"শান্তি বহুত হ'ল। ঘৰত থাকিলে ইমান সময়ত মোৰ অনুমতি পাব হয়। টোপনিয়ে ধৰিছে আৰু। শুভ্ৰা, তুমি থিয়েটাৰত কেতিয়াবা এক্‌টিং কৰিছা জানো?"

"সৰু সৰু পাৰ্ট কৰিছো।"

"চিনেমাত এক্‌টিং নাই কৰা নহয় কৰিবা জানো?"

শুভ্ৰাই গৌতমৰ মুখলৈ চালে।

"মোৰ ক'লে চাবই নেলাগে। সোণালী সুযোগ শুভ্ৰা, গল্ডেন অপৰচুনিটি। একেবাৰে চিত্ৰ-তাৰকা। টুইংকল্ টুইংকল্ লিট্‌ল ষ্টাৰ......"

অলকাই শান্তভাৱে ক'লে, "পল্লৱহতে এখন ছবি কৰিবলৈ লৈছে। মোকো তাত নামিবলৈ কৈছে। কাহিনীটো ভালেই। তাত আৰু এজনী ছোৱালীৰ ৰ'ল এটা আছে -নাচ গান জনা আৰ্টিষ্ট হ'ব লাগিব। নায়কজন দাদাৰৰ ঠিক বিপৰীত। নাচগান বুলিলে ঘৰবাৰী, ভাতপানী এৰি মৰিব পাৰে। ছোৱালী দুয়োজনীয়ে নাচগান কৰে—এজনী অলপ বয়সীয়া, আনজনী কম বয়সীয়া।"

'প্ৰ'তিযোগীতা কিহৰ হব? নাচ গানৰ, নে—?"

অলকাই হাঁহি এটা মাৰি ক'লে, "টোপনিয়ে হেচি আনিছে। মই শুইছে আৰু। বিচনা হ'ব নহয়?"

"মই সিটো কোঠাত শুম—" শুভ্ৰাই ক'লে।

"তোমাৰ টোপনি নাই অহা যদি মিহিৰ দত্তৰ সেই গানটো গোৱাচোন শুভ্ৰা- সেইযে—জোনবাই এ'

এটি তৰা দিয়া—"

লগে লগে অলকায়ো ক'লে, "গোৱা, গাবানেকি? ভাত খাই উঠি গান গাবলৈ ভাল নেলাগে অৱশ্যে।"

"তুমি গান শুনি আহিবা। মই তাৰ পৰাই শুনিম—"

কৈ গৌতম নিজৰ শোৱা কোঠালৈ গ'ল।

শুভ্ৰা খিৰিকীখনৰ কাষলৈ গ'ল, আৰু বাহিৰৰ আকাশখনৰ ফালে চাই লাহে লাহে গালে—

"জোন বাই এ' এটি তৰা দিয়া;
এটি তৰা নেলাগে ছটি তৰা দিয়া।
এটি তৰা অকলই উৰি ঘুৰি ফুৰে;
ইটি তৰা অকলই ফুৰে দূৰে দূৰে।
দুয়োটিকে বুকুলৈ কাষ চপাই নিয়া।
এটি তৰা নেলাগে, ছটি তৰা দিয়া।
এটিৰ চকুত চকুপানী,
ইটিৰ চকুত হাঁহি,
চকুৰ পানীত হাঁহিৰ পোহৰ
কোনে সানে আহি—
ফুলৰ পাহীত কোনে জানো
হাঁহিৰ সতে চকুপানীৰ
পাতি দিয়ে বিয়া।
এটি তৰা নেলাগে
ছটি তৰা দিয়া..."...

শুভ্ৰাই আপোনমনে গানটো গাইছিল। হয়তো দূৰণিত আকাশখনৰ বুকুত ক'ৰবাত ছুই এটা তৰা আছিল। ৰতাহত ফুলৰ গোন্ধ আছিল। সেই গোন্ধ কোঠাটোৰ ভিতৰলৈ সোমাই আহিছিল। সেই গোন্ধ শুভ্ৰা আৰু অলকাৰ চুলিৰ মাজলৈকো সোমাই গৈছিল।

অলকাৰ চকু মুদ খাই আহিছিল। মাথোন অস্পষ্টভাৱে অলকাই ভাবিছিল, মানুহে যদি আকাশৰ তৰাৰ লগত সম্পৰ্ক ৰচনা কৰিব পাৰিলেহেঁতেন! মানুহ যদি দূৰৰ তৰাৰ অকণমান পোহৰৰ অধিকাৰী হব পাৰিলেহেঁতেন! এটি সৰু তৰা হ'ব পাৰিলেহেঁতেন! ●

বয়স ২২/২৩ বছৰৰ বেছি ন'হ'ব। মুখখন দাড়িয়ে ঢাকি ৰখাৰ কাৰণে বেছি যেন লাগে। চুলিবোৰ দীঘলকৈ ৰাখিছে। চুলিয়ে কেতিয়াবা ফণিৰ লগত দন-কাজিয়া কৰিছে যেন ধাৰণা নহয়। গাটো লাহী, ওখ হোৱাৰ কাৰণে ক্ষীণ যেন লাগে। নাকটো জোঙা, দাঁত দুপাৰীও সমান, কলডিলীয়া মুখখনক পুৰঠ কৰি ৰাখিছে।

ডেকাজন কোঠাটোৰ একোণে চকী এখনত বহি আছিল— চিগাৰেট হুপি-হুপি। পাইজামাটোৰ পাতলিটো কিছু ফটা, কুৰ্ত্তাটো ভাল, কিন্তু মলিয়ন, দুদিনমান পিন্ধা। চেণ্ডেলজোৰত হয়তো কোনো কাহানিও ৰং দিয়া নাই।

হাৰ্মনিয়ামটো লৈ অখিল কাকতীয়ে গানৰ সুৰ ঠিক কৰিছিল। তবলা লৈছিল খাদিম হুছেনে। ছবিখনত ৪টা গান আছে। তাৰে তিনিটা গায়িকাৰ মুখত, এটা কোনোবা বৈৰাগী নে সন্ন্যাসীৰ মুখত। গীত গাই ভিক্ষা কৰি ফুৰা বৰাগী আজিকালি নোহোৱা হ'ল যদিও চিনেমাত আছে। নাচ আৰু গান ভাৰতীয় চিনেমাৰ অপৰিহাৰ্য্য অঙ্গ। কাহিনী নহলেও হয়, নাচ গান লাগিবই।

এক নতুন আৱিষ্কাৰ 'শুভ্ৰা চৌধুৰী'। কোনোবাই পৰামৰ্শ দিছিল— এটা 'চিনেমাৰ নাম' দি লবৰ কাৰণে শুভ্ৰা চৌধুৰী, অথবা চৌধুৰী'বা জেনেকুৱা কিবা নাম এটা। তেতিয়া আচল 'নামটো ঢকা পৰে'। পিছে অজন্তাকে 'ক'লে, "শিল্পীয়ে নিজৰ 'আচল নামটোৰেই নিজৰ চিনাকি" দি ভাল পাইছে অন্য' নামনো কেলেই? 'শুভ্ৰা' চৌধুৰী' একো' বেয়া' নাম নহয়'।"

শুভ্ৰাই নাচিব আৰু গাব পাৰে, অভিনয় কৰিব নোৱাৰাৰ কাৰণ নাই। সুযোগ পালে শুভ্ৰা এজনী জাকত-জিলিকা অভিনেত্ৰী হৈ উঠিব পাৰিব।

এইয়া অকল অলকাৰে নহয়, পল্লৱ, অখিল কাকতি আদি বহুতৰে অভিমত।

আজি অলকা আৰু শুভ্ৰা দুয়োৰে অহাৰ কথা—চিত্ৰনাট্য পাঠ তথা কিছু দৃশ্যৰ ৰিহাৰ্চেলৰ কাৰণে। বিশেষকৈ শুভ্ৰা যেতিয়া চিনেমা অভিনয় জগতত নতুন, গতিকে কিছু শিকাৰ প্ৰয়োজন হ'ব। চৰিত্ৰটোও বুজি-বাজি লব লাগিব।

কাহিনীটো এজন নতুন লিখকৰ — নাম তেওঁৰ মিহিৰ দত্ত। চিনেমা হৈছে বজাৰত বিক্ৰী যাবৰ কাৰণে প্ৰস্তুত কৰা এবিধ সামগ্ৰী। কাহিনী মনোগ্ৰাহী নহলে, ফটোগ্ৰাফী নয়নৰঞ্জক নহলে, সংলাপ-বচন হৃদয়স্পৰ্শী বা বুদ্ধিদীপ্ত নহলে, অভিনয় সাবলীল আৰু স্বাভাৱিক নহলে, দৰ্শকক এখন ছবি চাবৰ কাৰণে কোনেও বাধ্য কৰিব নোৱাৰে। এখন ছবি ভাল হোৱা নোহোৱা'ৰ জোখকাঠি দৰ্শকৰ স্বাভাৱিক প্ৰতিক্ৰিয়া। দৰ্শকে ভাল বুলি গ্ৰহণ কৰিলে চলিব, দৰ্শকে ভাল নহয় বুলিলে, ভাল হলেও অচল। অৱশ্যে উপকৰা ৰুচিৰ ব্যৱসায়-ভিত্তিক কথাছবিবোৰে প্ৰায়বোৰ কম বয়সীয়া দৰ্শকৰ ৰুচিৰ ওপৰত এটা চাঁচ বহুৱাইছে, এক বিশেষ ধৰণৰ কাহিনী, বিশেষ ধৰণৰ অভিনয় দৰ্শকে ভাল পোৱা হৈছে। সহজে এই ৰুচি সলনি কৰিব নোৱাৰি। ৰুচি সলনি কৰিবৰ কাৰণে, প্ৰযোজক, পৰিচালক, অভিনেতা, অভিনেত্ৰী সকলোৰে এক শক্তিশালী আত্মবিশ্বাস আৰু বিশেষ প্ৰতিভা থকা দৰকাৰ। তেনে প্ৰতিভা থকা বুলি অলকাই মনে মনে নিজৰ বিষয়ে ভাবিলেও অন্য কাৰোবেই গতানুগতিকতাৰ বাহিৰ ওলাই যোৱাৰ দুঃসাহস নাই। কিন্তু সংশ্লিষ্ট কাৰোবেই সততাৰে পৰিশ্ৰম কৰিছিলে অকণো শ্ৰেয়াৰ অভাৱ নাই। সৎ নহলেও সফল শিল্পী হ'ব নোৱাৰে।

মিহিৰ দত্তক অলকাৰ বাহিৰে তাত সেইদিনা থকা আন সকলোৱে চিনি পায়। শুভ্ৰায়ো চিনি পায়। এজন নতুন গীতিকাৰ, এজন সম্ভাবনা থকা নতুন কাহিনীকাৰ হিচাপে, আৰু এজন নতুন ধ্যান-ধাৰণা থকা যুবক হিচাপে।

ৰুচিসম্মতভাৱে সাজ-সজ্জা কৰি আৰু সাধাৰণ বেশভূষাৰেই অলকা আহিছিল। উপস্থিত আটাইকেজনে সম্ভ্ৰমেৰে তেওঁক নমস্কাৰ জনাইছিল। লগতে শুভ্ৰাকো জনাইছিল। বয়সত যথেষ্ট তাওৰ যদিও অলকাক শুভ্ৰাৰ সমনীয়া যেনেই দেখাইছিল।

অলকা সোমাই আহিলত মিহিৰ দত্ত বহাৰ পৰা উঠি থিয় হৈছিল। কিছুপৰ অলকাৰ মুখৰ ফালে বিস্মিত হৈ চোৱাৰ দৰে চাই আছিল, অলকায়ো চাইছিল, অৱশ্যে অলকাৰ চকুত কোনো বিস্ময় বা কৌতুহল নাছিল। এজন নতুন ডেকা মানুহৰ লগত প্ৰথম চিনাকি হোৱাৰ সৌজন্যৰ বাহিৰে অন্য একো নাছিল।

"আপোনাৰ ৰচা গান মই শুভ্ৰাৰ মুখত শুনিছো-- আপুনিয়ে মিহিৰ দত্ত? মই আপোনাক বয়সস্থ মানুহ বুলিহে ভাবিছিলো।" অলকাই সহজভাৱে ক'লে।

"মোৰ বয়স একেবাৰে নোহোৱা নহয়। তথাপি আপুনি মোক ডুমিয়ে বুলিব! বয়সত মই নিশ্চয় আপোনাতকৈ সৰু হ'ম –" মিহিৰে ক'লে।

অলকাই সামান্যভাৱে হাঁহিলে, একো ন'কলে। মিহিৰৰ কথা মিছা নহয়?

মিহিৰে ক'লে, "শুভ্ৰা অৱশ্যে মোতকৈ সৰু,—নহয় শুভ্ৰা?"

কথাবাৰত যেন শুভ্ৰাই তৃপ্তি পালে। তাই মৰম লগাকৈ হাঁহিলে মাত্ৰ।

প্ৰায় তিনিঘণ্টাৰ পিছত, আলোচনা-বিলোচনা, চুৰাৰ চাহ, কিছু ব্যঙ্গ বঙ্গিকতাৰ শেষত অলকাইঁত যাবলৈ উঠিল।

সম্বোধনত জড়তা নোহোৱাকৈ অলকাই মিহিৰক ক'লে "কাহিনীটো ভালেই লাগিছে। অভিনয় কৰিব পৰাৰ ওপৰতহে কথা। তুমিও অভিনয় নকৰিবা জানো ছবিখনত?"

"মই লিখিছোহে। অভিনয় কৰিব মই নেজানো। আপোনা-লোকেহে অভিনয় কৰিব লাগিব।"

শুভ্ৰাই ক'লে, "ময়ো অভিনয় কৰিব নেজানো। ছবিত অভিনয় কৰিব পাৰিম নে নোৱাৰিম জানো—"

মিহিৰে ক'লে, "তোমাক যিটো ৰ'ল দিব খোজা হৈছে, সেই-টোৰ কাৰণে মই তোমাৰ নিচিনা ছোৱালী এজনীৰ কথাই কল্পনা কৰিছিলো।"

"ছবিৰ কাহিনীটোৰ চৰিত্ৰটোৰ লগত কিন্তু মোৰ একো মিল নাই।" শুভ্ৰাই ক'লে।

"মিল থকাৰ কোনো দৰকাৰ নাই। কোৱা শুনিছো সচাসচি ডাক্তৰে ডাক্তৰৰ, সচাসচি পুলিচে পুলিচৰ, নাইবা সচাসচি প্ৰফেচাৰে প্ৰফেচাৰৰ পাৰ্ট অভিনয় কৰিব নোৱাৰে।" মিহিৰে ক'লে।

"পিছে ছোৱালীয়ে ছোৱালীৰ পাৰ্ট কৰিব পাৰিব লাগে—নহয় জানো?" পল্লৱে যোগ দিলে। সকলোৱে হাঁহিলে।

অলকাই ক'লে, "শুভ্ৰা কিছুদিন মোৰ লগতে থাকিব। যেতিয়া দৰকাৰ হয় মোৰ তাত খবৰ কৰিলেই হ'ব। ময়ো যথাতে থাকিম।"

তেওঁলোকে বিদায় ললে।

দিনবোৰ পাৰ হৈ যাব ধৰিলে ।
মাহবোৰ পাৰ হৈ যাব ধৰিলে ।
বছৰবোৰ বাগৰ সলাই বাগৰি আগুৱাই যাব ধৰিলে

প্ৰতিটো মানুহ নিজক লৈ, নিজৰ সমস্যা লৈ ব্যস্ত। সামাজিক আৰু অসামাজিক, সাধাৰণ আৰু অসাধাৰণ সকলো ঘটনা পুৰণি হৈ যায়। কোনোটোৱে সাঁচ ৰাখি যায়। কোনোটোৰ সাঁচ মচ খাই যায়, কোনো চিন নেথাকে।

অনা প্ৰায় সৰ্বাত্মকভাৱে নৃত্য আৰু অভিনয়ৰ জগতখনত সোমাই পৰিল গোষ্ঠমণ্ডলৰ সমালোচনা বা অভিমততকৈ, হেজাৰ-বিজাৰ অন্য মানুহৰ প্ৰশংসা বা অভিমতত তেওঁ অধিক মূল্য দিলে। এই চিনাকি অচিনাকি মানুহবোৰৰ প্ৰশংসাই তেওঁক নতুন প্ৰেৰণা দিলে।

অসমত কোনো স্থায়ী চিনেমা কৰা সংস্থা বা সংগঠন নাই। একোটা হঠাৎ গঢ়ি উঠা সংগঠনে এখন বা দুখন ছবি কৰে, তাৰ পিছত সামৰণি পৰে। একোখন ছবিৰ নায়ক নায়িকা, অভিনেতা অভিনেত্ৰী হঠাৎ নেজাল তৰাৰ দৰে জিলিকি উঠি মৰি যায়। অভিনয়ৰ মঞ্চৰ পৰা তেওঁলোক জীৱনৰ মঞ্চলৈ ঘূৰি আহিবলৈ বাধ্য হয়। জীৱনৰ মঞ্চ অতি নিষ্ঠুৰ, তাত অভিনয় কৰাৰ স্থল নাই। তেওঁলোক মেক বিজিভৰ জগতখনৰ পৰা হাড় ফেক্ট অৰ লাইফৰ মুখামুখী হয়। শিল্পী-জীৱনৰ কাহিনী তেওঁলোকৰ কাৰণে এক যশস্বীল অভিজ্ঞতাৰ তিক্ত মধুৰ সোঁৱৰণী হয়। যাৰ জীৱন অভিনয়-সৰ্ব্বস্ব, তেওঁলোক সঁচা জীৱনৰ মুখামুখী হৈ বিব্ৰত হৈ পৰে, মোৰ নোপোৱা হয়। অতীতত জীয়াই থাকিবৰ ব্যৰ্থ চেষ্টা কৰে তেওঁলোকে।

যিমানে দিন আগবাঢ়ি যায়, সিমানে সচা জীৱনৰ জটিলতাৰ অৰণ্যৰ মাজত সোমাই তেওঁলোকে বাহিৰ ওলোৱাৰ বাট বিচাৰে, সিমানে তেওঁলোক বিভ্ৰান্ত হয়। ক্ৰমে তেওঁলোক এক করুণ নিঃসঙ্গতাৰ জগতত অজ্ঞানিতে সোমাই পৰে। অতীত ৰোমন্থনৰ অস্থায়ী আনন্দ আৰু বৰ্ত্তমান ব্যৰ্থতাৰ নিস্ফল অভিমান লৈ জীয়াই থকাটো তেওঁলোকৰ কাৰণে দুঃসহ হৈ পৰে।

সৰহভাগ শিল্পী শিল্পী হবলৈ এৰি সাধাৰণ মানুহ হৈ পৰে। দৈনন্দিন জীৱনৰ কড়াকড়িৰ হিচাপ নিকাচ লৈ ব্যস্ত হৈ পৰে। তাৰ মাজৰে দুই এজনে কেতিয়াবা আকস্মিকভাবে ক'ৰবাৰ অচিনাকি কাৰোবাৰ সম্বৰ্দ্ধনা পায়, অভিনন্দন পায়, মানপত্ৰ পায় তাৰ পিছত পুনৰ সচা জীৱনৰ নিৰস গতানুগতিকতাত সোমাই পৰে

অলকাই যোৱা কেইবছৰৰ ভিতৰত চাৰি পাচখন বেলেগ বেলেগ ছবিত অভিনয় কৰিলে। কোনোখন ছবিয়ে সাফল্য অৰ্জ্জন কৰিলে, কোনোখন অকৃতকাৰ্য্য হ'ল—যাক কোৱা হয় ফ্লপ। অলকাৰ দোষত নহয়, দুৰ্ব্বল কাহিনী, অনভিজ্ঞ ডাইৰেক্চন, বেয়া ফটোগ্ৰাফী, ইত্যাদি নানা কাৰণত। দুখনমান সম্পূৰ্ণই নহল। সেইবোৰৰ কাৰণে কনট্ৰেক্ট অনুসৰি পাবলগীয়া টকাও অলকাই সম্পূৰ্ণকৈ নেপালে।

নৃত্য প্ৰদৰ্শনীৰ ক্ষেত্ৰত অৱশ্যে অলকাৰ মূল্য হ্ৰাস পোৱা নাছিল। কিন্তু কিছু বছৰৰ আগৰে সদৌ অসম জুৰি সাংস্কৃতিক কাৰ্য্য-কলাপৰ যি হৈ চৈ আৰু উখল-মাখল চলিছিল, ক্ৰমে সি নোহোৱা হৈ আহিল। সকলো যেন ভাগৰি পৰিছে। মানুহবোৰৰ সৌন্দৰ্যগ্ৰাহী বহিৰ্মুখীতা হ্ৰাস পাই আহি, এক নিৰস অন্তৰ্মুখীতা হৈ পৰিছে আশ্ৰয়স্থল। অৰ্থনৈতিক সংগ্ৰাম আগেও আছিল, তথাপি সৌন্দৰ্য্যৰ লগত, সৃষ্টিৰ লগত এক আনুভূতিক সম্পৰ্ক ৰচনাৰ কাৰণে মানুহবোৰ উদগ্ৰীৱ আছিল। এতিয়া যেন সেই স্পৃহা আৰু উদগ্ৰীৱতা মানুহবোৰে হেৰুৱাই পেলাইছে।

গতানুগতিক বাস্তৱিকতাৰ ঠেক গলিৰ পৰা ওলাই আহিবৰ কাৰণেই, এক মনোময় শিল্পী জীৱনৰ মাজত নিজৰ অস্তিত্ব আৰু সম্ভাৱনাক উপলব্ধি কৰিবৰ কাৰণেই অলকাই সহজ দাম্পত্য জীৱনৰ মাজৰ পৰা নিজক বাহিৰ কৰি আনিছিল। নিজস্ব জলাঞ্জলি দি গৌতম দুৱৰাৰ মনোমত, বাধ্য অঙ্কশায়িনী হৈ থকাৰ অপমান মূৰ পাতি লবলৈ অস্বীকাৰ কৰিছিল। প্ৰতিবাদ আৰু চেলেঞ্জৰ মাজেদি আত্ম-উপলব্ধিৰ যত্ন কৰিছিল। আত্মপ্ৰত্যয় আৰু দৃঢ়তাই অলকাক এই ক্ষেত্ৰত সাফল্যৰ পথত আগুওৱাৰ প্ৰেৰণাও দিছিল।

গৌতম দুৱৰা আঁতৰি গৈছিল অলকাৰ পৰা, অলকা আঁতৰি পৰিছিল গৌতম দুৱৰাৰ পৰা। ক্ৰমে দুয়োৰে মাজৰ সম্পৰ্ক ক্ষীণৰ পৰা ক্ষীণতৰ হৈ গৈছিল। আনুস্থানিকভাৱে বিবাহ-বিচ্ছেদ, নহলেও, দুয়ো নিজ নিজ বাটত, ইজনে সিজনৰ পৰা সচেতন ভাৱে আঁতৰি থাকি, দুটা স্বতন্ত্ৰ জীৱন যাপন কৰিছিল।

গৌতমৰ বিষয়ে অলকাই বহুত কথা শুনিছিল। সেইবোৰ তেওঁৰ নিজৰ কথা, তাৰ লগত মোৰ কোনো সম্পৰ্ক নাই—অলকাই কৈছিল।

অলকাৰ বিষয়েও গৌতমে বহুত কাহিনী শুনিছিল। কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি গৌতমে সাধাৰণ ভাৱে মন্তব্য কৰিছিল, "সেই ভদ্ৰমহিলাৰ বিষয়ে মোৰ কোনো কথা জনাৰ ইচ্ছা নাই। তেওঁৰ লগত মোৰ কোনো সম্পৰ্ক নাই। মোৰ সম্পৰ্ক মোৰ ব্যৱসায়ৰ লগত।"

কিন্তু গৌতমৰ চাহৰ ব্যৱসায়তো অভাৱনীয় মন্দা পৰি আহিল। আন্তৰ্জাতিক বজাৰত অসমৰ চাহৰ মূল্য হ্ৰাস, বনুৱাৰ বেতন বানচ বৃদ্ধি, কল কাৰখানা, মেচিন, কয়লা, ডিজেল, পেট্ৰলৰ দৰ বৃদ্ধি আদিয়ে অসমৰ চাহৰ বজাৰখনক লাভজনক কৰি নেৰাখিছিল। অসমৰ

থাকিবৰ পৰা আহি চাহ বাগিচা কিনি চাহ ব্যৱসায় কৰিবলৈ লোৱা কিছুমান নতুন ব্যৱসায়ীৰ অতিৰিক্ত লাভৰ কাৰণে সৎ অসৎ সকলো ধৰণৰ উপায় অৱলম্বন কৰাৰ ফলতো ব্যৱসায়টোৰ অৱনতি ঘটিবলৈ ধৰিছিল। বস্তুত থলুৱা ব্যৱসায়ীৰ কাৰণে ব্যৱসায়টো জীয়াই ৰখাই টান হৈ পৰিছিল। চৰকাৰৰ কাষ চাপিব লগীয়া হৈছিল। চৰকাৰেও উদ্যোগটোক উচর্ন যোৱাৰ পৰা ৰক্ষা কৰিবৰ কাৰণে চৰ্ চিদি হিচাপে লাখ লাখ টকাৰ সাহায্য আগবঢ়াব লগীয়া হৈছিল।

এনে এটা পৰিস্থিতিতে দুৱৰা পৰিয়ালত আৰু এটা দুৰ্যোগে দেখা দিছিল। পৰাশৰ দুৱৰাৰ সম্পত্তি লৈ পুত্ৰকেইজনৰ মাজত মনোমালিন্য হৈছিল। অৱশেষত মীমাংসাৰ কাৰণে তেওঁলোক কাষ চাপিছিল আদালতৰ। তেতিয়াহে এই কথা ওলাই পৰিছিল যে পৰাশৰ দুৱৰাই তেওঁৰ উইলত, তেওঁৰ ইচ্ছাৰ বিৰুদ্ধে গৌতমে অলকাক বিয়া কৰোৱাৰ কাৰণে গৌতমক ত্যাজ্য পুত্ৰ ঘোষণা কৰি থৈ গৈছে আৰু পৈত্ৰিক সম্পত্তিৰ অধিকাৰী হোৱাৰ পৰাও বঞ্চিত কৰি থৈ গৈছে।

এই অন্যায়ক স্বীকাৰ কৰি নলৈ গৌতমেও ন্যায় বিচাৰ পাবৰ কাৰণে আদালতৰ কাষ চাপিছিল ।

পৰাশৰ দুৱৰাৰ নিচিনা এটা সম্ভ্ৰান্ত পৰিয়ালত এনে ধৰণৰ মামলা মোকৰ্দ্দমা লাজ-বিজৰ কথা। কিন্তু প্ৰত্যক্ষে নহলেও পৰোক্ষে পৰাশৰ দুৱৰাৰ সিদ্ধান্ত যে মূলতঃ অলকাৰ বিৰুদ্ধেহে আছিল, সেই কথা বুজিবলৈ কাৰো টান নেলাগিছিল। অলকা আঁতৰি থকাৰ কাৰণে, নিজৰ মৰ্য্যাদাৰ প্ৰশ্ন হিচাপে, অলকাৰ নামত নহলেও, তেওঁৰ স্বাৰ্থতে গৌতমে মোকৰ্দ্দমা কৰিবলগীয়া হৈছিল মৃত দেউতাকৰ সিদ্ধান্তৰ বিৰুদ্ধে।

পোনপটীয়াভাৱে সমস্যাটোৱে অলকাক চোৱা নাছিল। অলকাৰ ভূমিকা আছিল দৰ্শক বা সাক্ষীৰহে। অৱশ্যে গৌতমৰ জয় হলে তাৰপৰা লাভ হ'ব অলকাৰেই বেছি, যদিও এনে লাভ-ক্ষতিক অলকাই বৰ মূল্যবান

বুলি ধৰা নাছিল। গৌতম তথা ডুবৰা পৰিয়ালৰ সম্পত্তিৰ ওপৰত নিৰ্ভৰ নকৰাকৈও চলিব পৰাৰ জোখাৰে অলকাই আৰ্জন নকৰাকৈ থকা নাই। আৰু আৰ্জন কৰিছে শিল্পীৰ জীৱন আৰু মৰ্য্যাদা ক্ষুণ্ণ নকৰাকৈ। শিল্পীৰ জীৱনৰ বিনিময়ত ডুবৰা পৰিয়ালৰ সম্পত্তিৰ ওচৰত নিজক সমৰ্পন কৰি জীয়াই থকাত কোনো মহত্ব নাই বুলিয়ে ধাৰণা কৰিছিল অলকাই। আৰু এতিয়া অলকাই গৌতম ডুবৰাৰ পত্নী হিচাপে চিনাকী দিয়াতকৈ নৃত্যশিল্পী আৰু অভিনেত্ৰী বুলি নিজৰ চিনাকি দিহে অধিক গৰ্ব্ব আৰু আনন্দ অনুভৱ কৰে— মানুহেও অলকাক সেইটো ৰূপতে চাবলৈ আৰু পাবলৈ বিচাৰে।

এনে এটা পৰিস্থিতি চলি থকাৰ মাজতে, এটা একেবাৰে আকস্মিক আৰু অভাৱনীয় দুৰ্ঘটনা ঘটিছিল। যিটোৰ কাৰণে কোনোৱেই প্ৰস্তুত নাছিল। ঘটনাটো ভয়াবহ আৰু বৰ শোকাবহো আছিল।

গৌতম ডুবৰা আহি আছিল চিলঙৰ পৰা অকলে। ড্ৰাইভাৰে গাড়ী চলাইছিল—ৰাতি। সেইদিনাৰ ভিতৰতে তেওঁ নিজৰ বাগিচা পাব লাগে। অৱশ্যে চিলং যাত্ৰাৰ লগত পাৰিবাৰিক মেল মোকৰ্দ্দমাৰ কোনো সম্পৰ্ক নাছিল। এজন ব্যৱসায়ী বন্ধুৰ জীয়েকৰ বিয়াত যোগ দিবলৈ তেওঁ গৈছিল। আনন্দ ফূৰ্ত্তিৰ মাজেৰে চাৰিদিন চিলঙত থাকি তেওঁ ঘূৰি আহিছিল।

সন্মুখা-সন্মুখীকৈ এখন ট্ৰাকৰ লগত সংঘৰ্ষ হৈ গৌতমৰ গাড়ীখন চেপেতা হ'ল। ড্ৰাইভাৰটো কেনেবাকৈ বাচিল। কিন্তু গৌতমে ভয়ঙ্কৰ আঘাত পালে। হস্পিতাললৈ অনাৰ বাটতে তেওঁৰ মৃত্যু হ'ল, কোনো চিকিৎসা পোৱাৰ পূৰ্ব্বেই।

এই মৰ্ম্মান্তিক দুৰ্ঘটনাৰ সম্বাদ পাই অলকা গৈছিল, কিন্তু তেওঁ একো নেপালেগৈ। তেতিয়া অলকা ঘৰত নাছিল। খবৰ

পাই প্ৰায় ২০০ মাইল দূৰৰ পৰা আহিছিল যদিও, তেওঁ যেতিয়া পৰাশৰ হুবৰাৰ ঘৰ পায়হি তেতিয়া মানুহ শ্মশানৰ পৰা ঘূৰি আহিছিল।

অলকাৰ বেজাৰ লাগিছিল। অলকাই কান্দিছিল—কিন্তু অলকাক সান্ত্বনা দিওঁতা তেনে কোনো নাছিল। কাৰো চকুতেই অলকাই শ্ৰদ্ধা বা সমবেদনা দেখা পোৱা নাছিল। গৌতমৰ মৃত্যুৰ কাৰণে যেন অলকায়ে জগৰীয়া · বহুভাৱে আচৰণ আৰু কথাবতৰাৰ পৰা তেনে এটা ধাৰণা হৈছিল অলকাৰ। দুখৰ লগতে অপমানো পালে অলকাই। গৌতমে মোৰ শিল্পী মনটোক এদিনৰ কাৰণেও সহানুভূতিৰে বুজিবৰ চেষ্টা নকৰিলে। শিল্পীৰ জীৱন আৰু পত্নীৰ জীৱন এক কৰি জীৱনক পূৰ্ণ কৰি তোলাৰ যি স্বপ্ন মোৰ আছিল, সেই স্বপ্নক গৌতমে স্বীকাৰ নকৰিলে, সন্মান নকৰিলে। মই সমাজৰ পুৰণি ৰীতিৰ ওচৰত আত্ম-সমৰ্পণ কৰিবলৈ প্ৰস্তুত নাছিলো। সমাজে মোক বুজিবলৈ যত্ন নকৰিলে। আজি মই নিঃসঙ্গ. সমাজ মোৰ নাই।

গৌতমৰ মৃত্যুৰ কাৰণে বহুতেই আহি অলকাক সমবেদনা জনালেহি। বহুতেই টেলিগ্ৰাম কৰিলে, বহুতেই চিঠিৰে সমবেদনা জনালে। অলকাই সকলোকে কৃতজ্ঞতা জনালে। কিন্তু এই আকস্মিক দুৰ্ঘটনাটোৱে অলকাৰ সামাজিক জীৱনৰ স্থিতিত যি পৰিবৰ্ত্তন আনি দিলে, তাত অকাৰণ গুৰুত্ব দিয়াৰ বিশেষ প্ৰয়োজন অলকাই অনুভৱ নকৰিলে। এই বৈধব্য এটা সামাজিক সংস্কাৰ, আৰু একো নহয়। গৌতমৰ লগত মোৰ জীৱনক সামাজিক স্বীকৃতিৰ মাজেদি এক কৰি দিয়া হৈছিল, কিন্তু গৌতম আৰু মই—আমি দুজন পৃথক মানুহ হৈয়ে থাকিলো। আমাৰ মনৰ মিল নহ'ল।

গৌতমৰ মৃত্যুৰ পিছত দুৱৰা পৰিয়ালতো কিছু পৰিবৰ্ত্তন আহিল। সম্পত্তি লৈ চলি থকা মোকৰ্দ্দমাখনৰ সামৰণি পেলোৱা হ'ল। অৱশেষে পৈত্ৰিক সম্পত্তিৰ যি অংশ গৌতমে পালেহেতেন, সেই সকলোখিনি অলকাক দিবলৈ বাকীকেজনে অসম্মতি প্ৰকাশ কৰিলে। সকলোৱে আলোচনা কৰি অলকাক বহুদিন ব্যৱহাৰ নোহোৱাকৈ পৰি থকা ডাঙৰ পুৰণি ঘৰটো দি দিয়াৰ সিদ্ধান্ত কৰিলে। সেইটো অলকাৰ নিজৰ সম্পত্তি হ'ব, দান বিক্ৰী হস্তান্তৰ যি মন যায় অলকাই কৰিব পাৰিব। অৰ্থাৎ গৌতমৰ মৃত্যুৰ পিছত দুৱৰা পৰিয়ালৰ বোৱাৰী বুলি অলকাই স্বীকৃতি পালে। গৌতমৰ লগত প্ৰথমে বসবাস কৰি থকা ঘৰটো এৰি অহাৰ পিছত অলকা ভালেমান দিন এটা ভাড়াঘৰত আছিল। এতিয়া দুৱৰা পৰিয়ালৰ এই পুৰণি, ডাঙৰ, পকী ঘৰটো সম্পূৰ্ণ নিজৰ কৰীয়াকৈ পোৱাৰ পিছত ভালেমান মানুহৰ পৰামৰ্শ অনুসৰি অলকা এদিন নিজৰ সকলো বস্তু-বাহানি, বাকচ-পত্ৰ লৈ এই ঘৰটোলৈ গুচি

আছিল। স্বামীৰ ঘৰৰপৰা ভাড়া ঘৰলৈ অহাৰ যি অস্বস্তি আৰু বেদনা, ভাড়াঘৰৰ পৰা শহুৰৰ সম্পত্তিৰ অধিকাৰী হৈ নিজৰ হৈ পৰা পুৰণি ঘৰটোলৈ গুচি আহি সেই অস্বস্তিৰ পৰা কিছু ৰক্ষা পৰিল অলকা।

অকলই থকাৰ অভ্যাস অলকাৰ হৈ গৈছে। মাজতে আহি শুভ্ৰা কিছুদিন আছিলহি। অলকাৰ ভাল লাগিছিল। শুভ্ৰাই শিল্পী হিচাপে আৰু বয়সস্থ হিচাপে অলকাক বৰ শ্ৰদ্ধা আৰু সম্ভ্ৰম কৰে। অলকায়ো শুভ্ৰাক বৰ মৰম কৰে। কিন্তু লাহে-লাহে অলকাই লক্ষ্য কৰিলে যে তেওঁৰ ঘৰলৈ অহা বহুতেই প্ৰকৃততে শুভ্ৰাৰ লগত মিলামিছা কৰি আত্মীয়তা গঢ়ি তুলিবৰ কাৰণেহে আহে, শিল্পী হিচাপে সমাদৰ জনাবৰ কাৰণে নহয়।

এইবাৰে অলকাৰ মানসিকভাবে অপদস্থ হোৱা যেন লাগিছিল যদিও শুভ্ৰাক বেয়া পোৱাৰ কোনো কাৰণ তেওঁ বিচাৰি নেপালে। মাত্ৰ এটা দুঃচিন্তাই তেওঁক কিছু ক্ষুন্ন কৰিলে —মোৰ আকৰ্ষণ কমি যাব ধৰিছেনেকি ? মোৰ দেহাৰ সৌন্দৰ্য্যৰ আগৰ তীব্ৰতা নোহোৱা হৈছেনেকি ? এই চাম মানুহে, এই চাম ডেক-গাভৰুৱে মোৰ বিশেষত্বক অৱহেলা কৰিবলৈ আৰম্ভ কৰিছেনেকি ?

কিন্তু তেওঁ দুৰ্ভাবনামাত্ত অলকা বৰ বেছি থাকিবলগীয়া নহ'ল। গৌতম চুকুৱাৰ পাঁচ মাহৰ পিছতে এটা নতুন কথাছবি নিৰ্মাতা দলে যথেষ্ট খাটনি-লোটনি ধৰি, অলকাক এখন নতুন ছবিত অভিনয় কৰাবৰ কাৰণে চুক্তিবদ্ধ কৰালে। টকাও সৰহ দিব, আগধনো যথেষ্ট দিব আৰু সন্তুহতে নাম কৰা এটা গল্পৰ অৱলম্বনত কৰিবলৈ লোৱা ছবিখনৰ প্ৰধান চৰিত্ৰটোও অলকায়ে অভিনয় কৰিব।

এতিয়া আৰু অলকাই কোনো ছবিত অভিনয় কৰিবৰ কাৰণে কোনো গৌতমৰ অনুমতি লোৱাৰ প্ৰয়োজন নাই। এতিয়া আৰু অলকা কাৰো পত্নী নহয়, অলকা শিল্পী, কেৱল আৰ্টিষ্ট।

তথাপি এই মুক্তিৰ উপলব্ধিয়ে তেওঁক এটা মান-নোহোৱা বেদনাৰ লগতো পৰিচিত কৰি দিলে । স্বামীহাৰা হোৱা পত্নীৰ নিঃসঙ্গতা উপলব্ধিৰ বেদনা যেন তেনেই স্বাভাৱিক, আৰু তাৰপৰা ৰক্ষা পোৱাৰ কোনো উপায় নাই । এটাই উপায় দেখা পালে অলকাইঃ নিজৰ শিল্পকৰ্মত নিজক ব্যস্ত কৰি ৰখা । পৰিবৰ্ত্তিত পৰিস্থিতিয়ে অনা অৱস্থাৰ ওচৰত আত্মসমৰ্পণ নকৰা, নিজৰ সীমাক নিজে অতিক্ৰম কৰিবৰ যত্ন কৰা ।

কিন্তু সমাজত সামাজিক কাৰ্য্যকলাপৰ গতি মন্থৰ হলে, শিল্পীৰ কাৰ্য্যকলাপৰ গতিও মন্থৰ হবলৈ বাধ্য । দেশ স্বাধীন হোৱাৰ দহ বাৰ বছৰৰ পিছলৈকে অসমৰ সাংস্কৃতিক পৰিবেশলৈ যি তৎপৰতা আৰু সজীৱতা আহিছিল, সি ক্ৰমে যেন গতি হেৰুৱাই পেলাইছে । নতুন নতুন শিল্পী ওলাইছে, কিন্তু তেওঁলোকে কোনো নতুনত্বৰ জোৱাৰ আনিব পৰা নাই । নাটঘৰত নাটক, নৃত্য-শিল্প সম্পৰ্কে আলোচনা চক্ৰ বহে । কিন্তু নাট্যাভিনয় নহয় । ষ্টেজবোৰত মকৰাজাল জমা হৈছে, পাদপ্ৰদীপৰ কাষত জাবৰ আৰু ধুলিৰ দ'ম ।

এই স্থবিৰতা অলকাৰ জীৱনলৈও নামি আহিব ধৰা যেন অনুভৱ হওঁতে-নহওঁতেই, আহ্বান আহিল নতুন ছবিত নতুন অভিনয়ৰ কাৰণে, কোনো কোনো ৰাজহুৱা অনুষ্ঠানত নৃত্য প্ৰদৰ্শনৰ কাৰণে । অলকাই যেন হেৰাব-ধৰা জীৱন এটা ঘূৰাই পালে । এইয়া ব্যস্ত হোৱাৰ সুযোগ, এইয়া লোক-মানসত এক নতুন তৰা হৈ জিলিকাৰ অৱকাশ, এইয়া পুনৰ নিজৰ প্ৰতিভা বিকাশৰ যোগেদি আত্মপ্ৰতিষ্ঠা কৰাৰ শুভ মুহূৰ্ত্ত ।

অলকা ব্যস্ত হৈ পৰিল ।

কিন্তু যিখন নতুন ছবিত অভিনয় কৰিবৰ কাৰণে অলকা চুক্তিবদ্ধ হ'ল, কাহিনীৰ লিখক আৰু প্ৰযোজকৰ মতে সেইটো এটা নতুন ধৰণৰ কাহিনী—অতি-বাস্তৱ কাহিনী, তাত গতানুগতিক নায়ক-নায়িকা নাই, প্ৰেম ৰোমাঞ্চ নাই, তাত আছে আধুনিক সমাজৰ সংঘাত

সংঘৰ্ষৰ কাহিনী, জন আৰু বিবোধৰ কাহিনী আছে সংস্কাৰ, ধৰ্মান্ধতাৰ বিৰুদ্ধে মুক্ত বিদ্ৰোহ। সমাজৰ অবিচাৰত লাঞ্চিত এজনী আদবয়সীয়া মধ্যবিত্ত পৰিয়ালৰ মহিলাৰ ভূমিকাত অভিনয় কৰিব লাগিব অলকাই।

অলকা কিছু হতাশ হ'ল।

এইয়া যেন স্বপ্নৰ জগতৰ পৰা কঠিন বাস্তৱতাৰ জগতলৈ নামি অহা। নায়িকা, প্ৰেমিকাৰ ভূমিকাৰপৰা এক বয়স্থা নাৰীৰ, এক প্ৰৌঢ়াৰ ভূমিকালৈ নামি অহা। কিন্তু চৰিত্ৰটোত বৈচিত্ৰ আছে। আজিৰ বিশ্ব-সমাজৰ পটভূমিত নাৰীৰ ৰূপৰ এটা নতুন অভিব্যক্তি আছে। সেইবাবে ৰোমাণ্টিক নায়িকাৰ ভাও নহয় যদিও, অভিনয় কৌশলৰ পাৰদৰ্শিতা দেখুৱাব পাৰিব বুলি অলকাই আগ্ৰহেৰেই নিজক প্ৰস্তুত কৰিলে ছবিখনত অংশ গ্ৰহণ কৰিবৰ কাৰণে।

অন্য এজনী ছোৱালীৰ ভূমিকাত নামিল শুভ্ৰা চৌধুৰী। সেইটোও ৰোমাণ্টিক চৰিত্ৰ নহয়, কিন্তু আজিৰ যুগত সহজ সৰল জীৱন যাপন কৰিবৰ চেষ্টা কৰাটো যে কি ভয়ানক বিড়ম্বনা তাকে ফুটাই তুলিব লাগিব শুভ্ৰাই। ভাওটো শুভ্ৰাই বেয়া নেপালে। নিজৰ জীৱনৰ লগত কিছু মিল থকা যেনেই লাগিল শুভ্ৰাৰ। গান গাব লাগিব—কেৱল এটা—এটা লোকগীত-সুৰীয়া গান। অৱশ্যে গানটো অন্য এজনী প্ৰতিষ্ঠিত প্লে'বেক চিঙ্গাৰে গাব, শুভ্ৰাই ওঁঠ মিলাব লাগিব। সুযোগ দিয়া হলে হয়তো শুভ্ৰাই নিজেই গাব পাৰিলে-হেঁতেন। ইতিমধ্যে দুটামান সাংস্কৃতিক অনুষ্ঠানত—য'ত অলকাই নৃত্য প্ৰদৰ্শন কৰিছে, তাত শুভ্ৰায়ো গীত পৰিবেশন কৰিছে। গায়িকা হিচাপে শুভ্ৰাক বাইজে গ্ৰহণ কৰিছে।

আগৰ সাংস্কৃতিক পৰিবেশ নাই। সৃষ্টি কৰাৰ দৰকাৰ। এনেকৈ অলকাৰ নৃত্য-অভিনয়, শুভ্ৰাৰ গান, কোনোবা নতুন শিল্পীৰ কিবা নতুন কলাকৃষ্টি— এইবোৰৰ সঘণ পৰিবেশনৰ যোগেদি এটা সাংস্কৃতিক পুনৰ-জাগৰণৰ আৰম্ভনী হ'ব পাৰে। অলকাৰ আনন্দ লাগিল বাইজে তেওঁক মঞ্চ আৰু ছবিৰ পৰ্দাত আগ্ৰহেৰে বিচৰাৰ কাৰণে।

আজি, এবা, আজিযে তেওঁ আহিব, তেওঁ অহাৰ কথা। কেতিয়া পাবহি ক'ব নোৱাৰি — আগবেলাও পাবহি পাৰে, পিছবেলাও আহিব পাৰে। চিঠিখন আবেগ-অনুভূতি ভৰা হলেও, সহজ সৰল। কোনো কৃত্রিমতা নাই। হয়তো অনুভূতিৰ কিছু আতিশয্যৰ কাৰণেই প্রকাশৰ সংযম কিছু কম হৈছে— বয়সৰ কাৰণেও হ'ব পাৰে।

চিঠিৰ লিখকে নামটো নাই দিয়া। তাৰ ঠাইত লিখিছে— "আপোনাৰ ৰূপ আৰু গুণৰ একান্ত অনুৰক্ত এজন ৰসামোদী"।

অলকাই তেওঁৰ নৃত্য- অভিনয় ভাল পাই প্রশংসা কৰি লিখা চিঠি নোপোৱা নহয়। সেইবোৰত উল্লাসৰ অভাৱ নেথাকে। কিন্তু সেইবোৰ প্রায় নৈর্ব্যক্তিক। অন্যান্য শিল্পীলৈ যেনে ধৰণৰ চিঠি এনেবোৰ লিখকে লিখে তেনেকুৱা চিঠি। কিন্তু এইখন চিঠি বৰ ব্যক্তিগত। লিখকজন নিশ্চয় এজন ভাৱপ্রৱণ ডেকা, ভাষা বে'চ আত্মীয়তাপূর্ণ আৰু মার্জ্জিত। কিন্তু অনুভূতিত কোনো কৃত্রিমালি নাই- মনৰ ভাব খোলাখুলি লিখিছে। তাৰ মাজত আছে অলকাৰ দাম্পত্য জীৱনৰ ব্যর্থতা আৰু বর্তমানৰ অকলশৰীয়া জীৱনৰ প্রতি এক গভীৰ সহানুভূতি! অলকাৰ প্রতি শিল্পী হিচাপে অনুভৱ কৰা স্নেহ-শ্রদ্ধাৰ আকর্ষণতকৈ, জীৱনৰ ব্যর্থতাৰ লগত অকলে অকলে যুঁজিও জীৱনৰ লক্ষ্য-পথৰ পৰা আঁতৰি নোযোৱাৰ কাৰণে প্রকাশ কৰিছে এক গভীৰ স্নেহসিক্ত শ্রদ্ধা।

নাম নিদিয়ক, এই গুণমুগ্ধ ডেকাজনক লগ পাবৰ কাৰণে অলকাৰ এটা প্রবল হেপাঁহ জন্মিল। যেন এজনী ম'গাভকক চাবলৈ

কোনোবা প্ৰাৰ্থী হৈ আহিব। চিঠিখন পোৱাৰ পিছৰ পৰা অলকাই নিজৰ ভিতৰতে এটা পৰিবৰ্ত্তন অনুভৱ কৰিলে-যেন তেওঁৰ বয়স আধাখিনি কমি গৈছে। যেন কোনো কাহানিও তেওঁৰ কাৰো লগত বিয়া হোৱা নাছিল, যেন চিঠিত নাম নিদিয়া এই গুণগ্ৰাহী আৰু গুণমুগ্ধ ডেকাজনেই তেওঁৰ জীৱনৰ মাজলৈ অহা প্ৰথম অতিথি।

মুহূৰ্ত্তবোৰ বেঁচ এটা মনোৰম উত্তেজনাৰ মাজেদি কটালে অলকাই-যোৱা তিনিটা দিন। আজি তেওঁৰ অহাৰ কথা।

এৰা, আজিয়ে। আজি সন্ধিয়াই আহিব।

কণপায়ে ভালেমান কিবাকিবি বজাৰ কৰি আনিলে। যেন এজন বিশিষ্ট অতিথিক অভ্যৰ্থনা জনোৱাৰহে আয়োজন কৰা হৈছে। কণপায়ে আজি বহুত দিন অলকাক এনেকুৱা প্ৰফুল্লমনা দেখা পোৱা নাছিল। সিও এনেয়ে এটা ফূৰ্ত্তি অনুভৱ কৰিলে।

"কোননো আহিব জেঠাইদেউ?" এনেয়ে সি সুধিলে।

বিৰক্তিৰে অলকাই ধমক দিয়াৰ সুৰত ক'লে, "আহিব কোনোবা। কিমাননো জেঠাইদেউ, পেহীদেউ গাই থাক?"

কণপাই মনে মনে থাকিল। জেঠাইদেউ বোলাৰ কাৰণে বেয়া পাইছেনেকি? অতদিনতো সেই বুলিয়ে মাতি আহিছোঁ।

আগবেলা কোনো নোলালহি। কেইবাবাৰো অলকাই বাহিৰ ওলাই চালে। আজি অন্য মানুহো অহা নাই। বৰ বিঙা-বিঙা লাগিল। নাহিবনে কি? সময়বোৰ বৰ দীঘলীয়া যেন লাগিল।

এখন আলোচনী মেলি লৈ অলকা আগফালৰ বৰ-নিখনতে চকী এখনত বহি আছিল। বতৰটো বৰকাল আছিল। ক্ৰমে সন্ধিয়া নামি আহিছিল।

গে'টৰ মুখত এখন বিস্ময় ব'লছি। অলকাৰ বুকুখন ঢিপ-ঢিপাই উঠিল। তেওঁ বহি থকাতে থাকিল—মাত্র সেই ফালে চালে—মানুহজন কোন।

অ', এইজন দেখোন আগে ক'ৰবাত দেখা চিনাকি মানুহ! মিহিৰ দত্ত নহয়নে?

মানুহজন ওচৰ পালেহি।

অলকা বহাৰ পৰা উঠিল, নমস্কাৰৰ প্ৰতি-নমস্কাৰ জনালে কপা-ললৈ হাত তুলি।

একো কথা নোকোৱাকৈ দুয়ো ভিতৰ সোমাই গ'ল। দত্ত বহল কোঠাটোৰ একাষে থকা চ'ফাখনতে বহিল। কাষৰে আনখন চ'ফাত অলকাও বহিল।

"তুমি ক'ৰ পৰা আহিলা?" অলকাই সুধিলে।

"মোৰ চিঠি পোৱা নাই জানো?"

"তোমাৰ চিঠি?" অলকাই মিহিৰৰ মুখলৈ চালে।

"মই অৱশ্যে চিঠিত মোৰ নাম নিদিলো। চিঠিখন কোনে দিছে। বুজিব পাৰেনে নোৱাৰে—চাওঁচোন—এইবুলি। চিঠিখন নিশ্চয় পাইছা?"

অলকা হঠাৎ দমি গ'ল। সেই উত্তেজনা সৃষ্টি কৰা চিঠি-খন তেন্তে এই মিহিৰ দত্তয়েই লিখিছিল। হঠাৎ সম্বোধন সলনি হৈ গ'ল যে। চিঠিততো মোক আপুনি বুলিয়ে সম্বোধন কৰিছে।

কণপায়ে কোঠাৰ লাইট জ্বলাই দিলে। কোঠাটো পোহৰ হ'ল। মেজৰ ওপৰৰ ফুলদানীবোৰত থোৱা ফুলবোৰৰ ৰংবোৰ উজ্জ্বল হৈ উঠিল। তাৰ পৰা এটা কোমল গোন্ধ উঠি আহিল।

গহীন, শান্তভাৱে নিজকে কোৱাদি অলকাই ক'লে, "চিঠিখন

পাইছো ! কিন্তু সেই চিঠিখন তুমিয়ে দিয়া বুলি মই ভাবিবই পৰা নাছিলো। অন্য কোনোবাই দিযা বুলিহে ভাবিছিলো।"

"আৰু অন্য কোনে তোমালৈ তেনেকুবা চিঠি দিব ? মোৰ দৰে অন্য কোনোবাই দিনে ৰাতিয়ে তোমাৰ কথা ভাবি থাকেনেকি ?"

মিহিৰে এটা চিগাৰেট জ্বলালে।

অলকাই কণপাইক মাতি ক'লে, "এঁৱেই আমাৰ আলহী। সেই যে আমাৰ ঘৰলৈ আহিম বুলি চিঠি দিছিল। চাহ কৰগৈ যা।"

মিহিৰে ক'লে, "ভোক লাগি আহিছে। খাবলৈকো কিবা দিবলৈ ক'বা।"

"দিব, খাবলৈকো দিব।" অলকাই ক'লে।

"মই ঠিক ভাবিছিলো মোৰ চিঠি পাই তুমি মোলৈ বাট চাই এনেকৈ অকলে অকলে বহি থাকিবা। মাত্র মোৰ ভয় হৈছিল কিজানিবা চিঠিখন তুমি সময়মতে নোপোৱা।"

অলকাই একো নক'লে, মাথোন মিহিৰৰ মুখলৈ চালে।

একোচা অবিনাস্ত দীঘল চুলি, মুখত দাড়ি গোফ, পিন্ধি অহা চোলা কাপোৰো বৰ পৰিষ্কাৰ নহয়, পুৰণিও। চেণ্ডেলজোৰত আৰু ভৰিত বাটৰ ধূলি। বাকচ, চুটকেচ একো নাই, এটা কান্ধত ওলোমাই অনা মোনা। তাত বা কি কাপোৰ-কানি আছে!

"মই তোমালৈ চাহ উলিয়াও, তুমি হাত-মুখবোৰ ধোৱা, আহা, বাথৰুম এই ফালে আছে।"

অলকাৰ পিছে পিছে মিহিৰ দত্ত বাথৰুমৰ ফালে আগবাঢ়িল।

অলকা হতাশ হ'ল। এতিয়াও বিশ্বাস কৰিবলৈ টান পালে যে সেই চিঠিখনৰ লিখকজন এই মিহিৰ দত্ত, আন কোনোবা

ডেকা নহয়। অৱশ্যে মিহিৰো এটা ডেকা ল'ৰা, আৰু বয়সত নিশ্চয় অলকাতকৈ কেইবা বছৰো সৰু। কিন্তু হৃদয়ৰ সকলো অনুভূতি উজাৰ কৰি চিঠি লিখা ডেকাজন যে এয়েঁই, ভাবি অলকাৰ বৰ ভাল নেলাগিল। তেওঁ অচিনাকি কোনোবা অন্য ডেকা বুলি আশা কৰি আছিল।

দুয়ো চাহ খাবলৈ বহিল। মেজখনৰ দুয়ো ফালে মুখামুখীকৈ।

"তোমাক মনে মনে মই তুমি বুলি মাতি আহিছো। আপুনি-চাপুনিবোৰে আঁতৰ কৰিহে নিয়ে, ওচৰ চপাই নানে। সেই যে সেই কেইদিন তোমাৰ লগত চিনাজনা হৈ ছবিখনত একেলগে কাম কৰিলো, তেতিয়াই মোৰ কিবা এটা হৈ গ'ল! ছবিখন ভাল নহ'ল, নহ'ল। তুমিতো মোৰ কল্পনাক বাস্তৱত ৰূপ দিবৰ কাৰণে কম কষ্ট নকৰিলা। তেতিয়াই মোৰ তোমাক মৰমতে সাবটি লম যেন লাগিছিল। অভিনয়ত ইমান চিন্‌চিয়েৰ যে কেনেকৈ হ'ব পাৰে, মই ভাবিবই নোৱাৰিছিলো—"

উল্লাসেৰেই কথাবোৰ কৈছিল মিহিৰ দত্তই। অলকাই অনুভৱ কৰিলে যে দত্তই কথা সাজি কোৱা নাই। তেওঁ মিহিৰৰ প্লেটত ইটো-সিটো বস্তু দিলে—"খোৱা, তোমাৰ ভোক লাগি আছিছে।"

"হৈছে, হৈছে, আৰু নিদিবা! ভাত নেখামনে কিবা? তুমি ভাত দেৱীকৈ খোৱা চাগৈ—নহয়?"

"অকলে থাকো। কণপায়ে যেতিয়াই দিয়ে তেতিয়াই খাওঁ। তুমি?"

"মোৰ আকৌ কি সোনকাল, দেৰী আছে? খোৱাৰেই ঠিকানা নাই। কেতিয়াবা একো নোখোৱাকৈয়ে যায়।"

"কিয়?" নোসোধো বুলিও অলকাই সুধিলে।

"যাৰ ঘৰ আছে, নিগাজী থকা ঠাই আছে, তাৰ খোৱা লোৱাৰ নীতি-নিয়ম, সময়-অসময় থাকে। মোৰ সেইবোৰ নাই—"

অলকাই তীব্ৰভাৱে মিহিৰৰ মুখলৈ চালে। এইবোৰ কথা কৰলৈকে মিহিৰ ইয়ালৈ আহিছেনেকি? এইবোৰ কিবা কল্পিত কাহিনী কোৱা নাইতো? মিহিৰ যে লিখক, সাহিত্যিক।

চাহৰ মেজৰ পৰা ছুৱো উঠি আহিল।

"ক'ত বহিবা? চোতালত বহিবা জানো?" অলকাই সুধিলে?

"মোৰ কাৰণে তোমাৰ ঠাই সলনি কৰিব নেলাগে। অন্য দিনা এই সময়ত তুমি য'ত বহা তালৈকে ব'লা।"

ছুৱো ওচৰা-উচৰিকৈ বহিল।

আকৌ এটা চিগাৰেট জ্বলাই লৈ, চকীখনত ভালকৈ বহি লৈ মিহিৰে ক'লে, "ইমান ডাঙৰ ঘৰটোত তুমি অকলে থাকা, ভয় নেলাগেনে?"

"কিহলৈ ভয় লাগিব?"

"মানুহে আৰু কিহলৈ ভয় কৰে? মানুহলৈ!"

"মোক মানুহে ডুবৰা পৰিয়ালৰ বোবাৰী বুলি জানে।"

"সেই বাবেই তুমি নিজক নিৰ্ভয় বুলি ভাবা?"

"অকলে থাকিলেও ডুবৰাৰ মৃত্যুৰ আগলৈকে মই অকলশৰীয়া নাছিলো।"

"তাৰ পিছত"

"তাৰ পিছতো। আজি তুমি কোৱাৰ আগলৈকে ইয়াত যে মই কাৰোবালৈ ভয় কৰিব লাগে চিন্তাই কৰা নাছিলো।"

"মানুহেতো জানে এতিয়া ডুবৰা নাই?—"

"জানে বোধকৰো।"

অলকাই। দাৰ্শনিকতো অলকাই ভাল নেপায়। যি মানুহে শৰীৰৰ অঙ্গ প্ৰত্যেঙ্গেৰে মনৰ কথা কয়, ইন্দ্ৰিয়ৰ অভিব্যক্তিৰে ইন্দ্ৰিয়াতীতৰ আস্বাদ দিয়ে, তাৰ কাৰণে স্থূল অভিজ্ঞতাৰ তাৎপৰ্য্য স্বকীয়া। অভিনয়ৰ মঞ্চ আৰু জীৱনৰ মঞ্চ একে বস্তু নহয়।

কিছুপৰ অৰ্থহীন নিৰৱতাৰ মাজেদি কাটি গ'ল। দুয়ো যেন কবলৈ কিবা কথা বিচাৰিছিল, কিন্তু বিচাৰি পোৱা নাছিল। বহুত নোকোৱা কথাৰ গুণগুণনিৰে নিৰৱতাখিনি ভৰি পৰিছিল।

কণপায়ে বটা এটাত তামোল দি গ'ল। অলকাই ক'লে, "কণপাই, মোৰ সিফালৰ কোঠালিটোত থকা পালেংখনতে এওঁৰ কাৰণে বিচনা কৰগৈ যা।"

"নতুনকৈ কৰোৱা তুলি গাৰুবোৰকে পাৰিম নেকি?"

"ওঁ—সেইবোৰ নো আৰু কেলেই কৰাইছো?"

কণপাই গুচি গ'ল।

"মোৰ যে নিজৰ বুলি বিচনা এখনো নাই। নতুন বিচনা মোৰ কাৰণে কৰালা?"

"ঠিক তোমাৰ কাৰণেই নহয়, আলহীৰ কাৰণে।"

"মই নহৈ অন্য কোনোবা আলহী অহা হলেও সেইখন বিচনাকে দিলাহেতেন?"

অলকাই উত্তৰ নিদিলে।

ঘৰটোৰ ভিতৰৰ কোঠাবোৰত জ্বলা লাইটৰ পোহৰবোৰ দুৱাৰ-খিৰিকীৰ মাজেদি আহি বৰানিখনত পৰিছিলহি। পোনপটীয়াকৈ অলকাৰ গাত পোহৰ পৰা দেখি অলকাই চকীখন আঁতৰাই ললে।

"পোহৰ বেয়া পোৱা ?" মিহিৰে সুধিলে।

"আন্ধাৰ ভাল লাগে—বিশেষকৈ এনেকুৱা সময়ত।"

"আন্ধাৰতকৈ পোহৰ বেছি ভয় নহয় যেন নেলাগে ?"

"মই সদায় পোহৰতহে নাচোঁ।" চমুকৈ অলকাই ক'লে।

"মঞ্চৰ পোহৰে তোমাক অন্য এজনী অলকা কৰি তোলে, তুমি বুজানে বাৰু ?"

"বুজা হলে মই নাচিবই নোৱাৰিলোহেঁতেন।" অলকাই ক'লে।

"যি পোহৰে তোমাক অলকা গুচাই অন্য এজনী তোৱালী কৰি পেলায়, সেই পোহৰক তুমি শত্ৰু বুলি নেভাবানে ?"

এইবোৰ আৰ্কাৰী দাৰ্শনিকতা। আৰু এনেবোৰ অকোৱাপকোৱা কথাৰ উত্তৰো অলকাই দিব নেজানে। অলপ হাঁহিবৰ যত্ন কৰি অলকাই ক'লে, "আন্ধাৰত ভূত-ভূতুনীয়ে নাচে। মই পোহৰ নহলে নাচিব নোৱাৰো। পোহৰ নোহোৱা হলে তুমিযে বা মোৰ নাচ কেনেকৈ দেখা পালাহেঁতেন ?"

"তোমাক মই ভালেমান দিন দেখাই নাছিলো। ক'ব পাৰা আমাৰ মাজত আছিল দূৰত্বৰ আন্ধাৰৰ আৱৰণ ? কিন্তু তথাপি মই তোমাক সদায় দেখি থাকো। মোৰ মনৰ চকুৰ আগত।"

কিবা ৰোমান্তিক নাটকৰ নায়কৰ বচন মতা নাইনে মিহিৰ দত্তই ? যিমানে তুমি মোৰ চকুৰ পৰা আঁতৰত থাকিবা, সিমানে তুমি মোৰ মনৰ আৰু কাষলৈ চাপি আহিবা। কোনোবা এখন কথাছবিৰ নায়িকা হিচাপে বচন মাতিছিল অলকাই। এতিয়া মনত পৰি গ'ল।

কথাৰ বিষয়বস্তু সলাবৰ কাৰণে অলকাই সুধিলে, "এতিয়া নতুন কি লিখিছা ?"

"বিশ্বাস কৰিবা জানো ?" এখন উপন্যাস লিখিছো, যাৰ নায়িকা এজনী বিখ্যাত সুন্দৰী নৃত্যশিল্পী।"

"লিখি শেষ কৰিলানেকি?"

"লিখি আছো। কেতিয়া শেষ হ'ব কব পৰা নাই।"

"মোক লৈ লিখা নাই নিশ্চয় ?"

"কি যে কোৱা! আৰু নো কাক লৈ লিখিম ? মোৰ উপন্যাসৰ নায়িকা হব পৰা আৰু কোন আছে? সেই প্ৰথম দেখাৰ দিনাই, মই স্তম্ভিত হৈ গ'লো—ইমান সুন্দৰী তুমি। তুমি এজনী নাচনী নহয়, তুমি এটা জীৱন্ত নৃত্য, এটা ছন্দ, এটা কবিতা "

শান্তভাৱে অলকাই ক'লে, "সেই আমাৰ প্ৰথম চিনাকী হোৱাৰ পৰাতো কেইবাবছৰো হৈ গ'ল। মোৰ জীৱনবো নানা পৰিবৰ্ত্তন ঘটিল।"

"মোৰ কাৰণে তোমাৰ জীৱনৰ পৰিবৰ্ত্তনবোৰ কোনো কথা নহয়। মোৰ মানসত তুমি অপৰিবৰ্ত্তনীয়, তুমি কালজয়ী—"

"তোমাৰ এইবোৰ সাহিত্যিক ভাষা মই বুজি নেপাওঁ, আৰু এইবোৰ যে সচা কথা মই কেনেকৈ বিশ্বাস কৰিম ?"

"বিশ্বাস কৰাবৰ কাৰণে মই চেষ্টাও নকৰো। মুখেৰেও মই একো নকওঁ—"

"বাৰু বাৰু দিয়া, তুমি ডেকা মানুহ, তাতে সাহিত্যিক। মোক লৈ যি কল্পনা-জল্পনা কৰিবৰ মন যায় কৰি থাকা। যদি পাৰা মনত ৰাখিবা যে তোমাৰ লিখি থকা উপন্যাসখনৰ নায়িকাজনীৰ আচল নাম অলকা হুৱৰা, এজনী বিধৱা।"

"এনেকুৱা নিষ্ঠুৰ কথা কৈ মোৰ অন্তৰৰ অনুভূতিক অপমান নকৰিলেই মই সুখী হম অলকা। তুমি বিশ্বাস নকৰিলেও মই ক'ম মই তোমাক ভাল পাওঁ— তুমি মিচেচ হুৱৰা, নে এজনী বিধৱা, নে অন্য কিবা সেইবোৰ মোৰ কাৰণে অদৰকাৰী কথা।"

কথাখিনি গভীৰ অনুভূতি দিয়ে কৈছিল মিহিৰ দত্তই। অলকাই মনে-মনে এটা অজানিত ভয় আৰু এটা নাম নোহোৱা মিঠা বেদনা অনুভৱ কৰিছিল। মনৰ ভাব প্ৰকাশ কৰিবৰ ভাষা বিচাৰি নাপাই অলকাই কলে, "কিন্তু আজি মোৰ কি আছে যে তুমি মোক ভাল পাবা, বা কোনোবাই মোক ভাল পাব?"

"তোমাৰ কি নাই মোক কোৱা।"

অলকা চুপ হৈ গ'ল। এই কম বয়সীয়া ডেকা ল'ৰাটোৱে জানো অন্য কোনো ছোৱালীৰ মৰম পোৱা নাই? মৰ্য়েই তাৰ প্ৰেমৰ জগতৰ প্ৰথমজনী ছোৱালীনেকি? কল্পনাপ্ৰৱণ সাহিত্যিকৰ এইযা কাল্পনিক ভাৱোচ্ছাসনেকি?

নিজৰ কথাতে নিজে ৰস পোৱাৰ দৰে মিহিৰ দত্তই ক'লে, "তোমাৰ যশ-খ্যাতি-যশস্যা সেইবোৰ তোমাৰ বস্তু। তোমাৰ ঘৰবাৰী সা-সম্পত্তি সেইবোৰ তোমাৰ বস্তু। তোমাৰ অতীতটো তোমাৰ, বৰ্ত্তমানটোও তোমাৰ নিজৰ। তোমাৰ ভৱিষ্যতৰ বাটৰ দাঁতিতো মই থিয় দি থকাৰ ঠাই বিচৰা নাই।"

"তোমাৰ কথাবোৰ মোৰ ভাল লাগিছে।"
অলকাই ক'লে।

"মানুহটোক ভাল লগা নাই?"

কণপাই আহিল।

"ভাত উলিয়াম নেকি" সি সুধিলে।

এইবাৰ মিহিৰেই ক'লে, "মোৰ এতিয়া ভোক লগা নাই অলপ পিচত খালে নহব জানো?"

অলকাই সন্মতি জনালে।

কণপাই তিতৰলৈ গুচি গ'ল।

কিছু সময় নিৰৱতাৰ মাজেৰে পাৰ হৈ গ'ল।
এনেকুৱা বহুত ৰাতিৰ সাক্ষী এই পুৰণি ঘৰটোৱে যেন এটা নতুন কাহিনী শুনিবৰ কাৰণে নিজক প্ৰস্তুত কৰিছে। নিৰৱে পৰি আছে এই প্ৰকাণ্ড প্ৰাচীন ঘৰটো। ফুলৰ গোন্ধ মিহলি শীতল বতাহ জাকত এটা প্ৰাচীন আত্মীয়তাৰ স্পৰ্শ।

সকৰ্কৈ নিজকে কোৱাৰ দৰে; মিহিৰ দত্তই লাহে লাহে ক'লে, "তোমাৰ অক্ষুণ্ন, অক্ষত ৰূপ আছে, যৌৱন আছে, দেহশ্ৰী আছে, এটা কমনীয়তা আছে, লাৱণ্য আছে—যিটো কেৱল তোমাৰ নিচিনা শিল্পীৰহে থাকে। আৰু তোমাৰ আছে মৰম পোৱাৰ সোৱাদলগা অভিজ্ঞতা—"

"তোমাৰ নাই ?" বাধা দিয়া ধৰণে অলকাই মাজতে সুধিলে।

'মোৰ ? মোৰ মৰম দিয়াৰেই অভিজ্ঞতা নাই, পোৱাৰ অভিজ্ঞতা- চ'ৰ ক'ৰপৰা ?" মিহিৰ দত্তই ক'লে।

'মোৰ বিশ্বাস হোৱা নাই। কিমান হ'ল তোমাৰ বয়স ?"

"বয়সৰ জোখেৰে সুজুখি অভিজ্ঞতাৰ জোখেৰে যদি জুখিবৰ যত্ন কৰিলাহেতেন !"

"তোমাৰ ভাল পোৱা, দিয়া-পোৱাৰ অভিজ্ঞতাৰ কথা মই কেনেকৈ জানিম ? তোমাক আজিহে মই ইমান ওচৰত পাইছো।"

"যাৰ ইমান ৰূপ যৌৱন আছে, তাৰ হৃদয়ো আছে বুলি মই ভাবিছিলো।"

"এতিয়া মোৰ হৃদয় নাই বুলি বুজিলানেকি? ব'লা, ভাতপানী চেঁচা হ'ল। খাই লওঁগৈ। তুমিতো কেইদিনমান ইয়াতে থাকিবা" তোমাৰ কথাবোৰ কৈ থাকিবা—মই শুনি থাকিম। বৰ্তমানতো মোৰ অন্য কাম নাই।"

অলকা বহাব পবা উঠিল

"মোব কথা শুনি আমনি পাইছা। তোমাব ঘবব মাজত ঠাই নিদিলেও দুখ নকবো, তোমাব মনব মাজত মোব কাব্ণে অকণমান ঠাই নহব জানো ?"

"ইমানটো ডাঙব ঘব, এনেই পবি আছে। তোমাব কাবণে ঠাই নহব কিয় ? বহুত ঠাই আছে।"

দুয়ো ভাত খাবলৈ উঠি গ'ল।

ঘবব ভিতবব লাইটব উজ্জ্বল পোহবত বাহিবব গোটেই কথাবোব অবিশ্বাস্য আৰু অবাস্তব যেন লাগিল। ভাত খাই থাকোতে অলকাই মিহিবব মুখলৈ চালে—হলেও ১৪ বছব—মিহিব এটা সৰু লবা। হয়তো অলকাব প্রতি তাব আকর্ষণ আৰু আসক্তি কৃত্রিম নহয়, সত্য। কেইবাবাৰো অলকাব ইচ্ছা হৈছিল যে তেওঁব বয়স ৩৪ বছব হ'ল সেই কথা মিহিবক সোঁৱৰাই দিব। কিন্তু কিছু স্বার্থ-পবতাৰেই সেই কথাব উল্লেখ অলকাই নকৰিলে। মিহিবব স্বপ্নব জগতখনক আঘাত কৰিবলৈ অলকাব ভাল নেলাগিল। মিহিৰে যদি ভাবিছে আৰু বিশ্বাস কৰিছে যে মোব যৌৱন অক্ষত, অক্ষুন্ন আছে, মোব ৰূপব এতিয়াও আকর্ষণ কৰিবপৰা সম্মোহনী শক্তি আছে, মিহিব তাকে লৈ থাকক। সাজ-সজ্জা আৰু প্রসাধনব আনটো ফালে যি-জনী অলকা আছে, সেইজনী অলকাক কেৱল মই নিজেহে চিনি পাওঁ, আন কোনোৱে সেইজনী অলকাক দেখা নাই। আৰু কোনো-বাই যদি সচাকৈয়ে মোক ভাল পায়, তাক প্রত্যাখান কৰো কিয় ? হেজাব হেজাব দর্শকব মনোৰঞ্জনব কাৰণে মই নাচোঁ, অভিনয় কৰো তেওঁলোকব তৃপ্তিব কাৰণে মই নৃত্যত দেহ-ভঙ্গিমাৰে, অভিনয়েৰে নিজক বিভিন্ন ৰূপত প্রদর্শন কৰো' এজন যুৱকে যদি মোব মৰম পাবলৈ মোব হৃদয়ব কাষ চাপিবলৈ চেষ্টা কৰে, তাক নিৰাশ কৰি মোৰ কি.

লাভ হ'ব? আৰু মৰো জানো। কাৰোবাক দেহেমনে ভাল পাবলৈ নিষিদ্ধ কৰো? ভাল পোৱাৰ এটা বিশেষ বয়স থাকেনেকি? অন্য এজন মানুহৰ মৃত্যু যে—হওক তেওঁ স্বামীয়েই, মানুহৰ হৃদয়-বৃত্তিৰ মৃত্যু ঘটাব পাৰেনেকি? সমাজক অপমান অৱমাননা কৰা বেয়া কথা, কিন্তু সমাজে জীয়া মানুহৰ দেহমনৰ দাবী বা প্ৰয়োজনক ৰীতি-নীতিৰ টোকোনেৰে শাসন কৰাটো জানো উচিত?

ভাত খাই উঠাৰ পিছত অলকাই কলে, "ৰাতি ভালেমান হ'ল। এতিয়া আৰু শুই থকাই ভাল হ'ব। তুমিতো থাকিবাই। কাইলৈ, পৰহিলৈ, আমি বহুত কথা পাতিম। আঁহা, তোমাৰ বিচনা-দেখুৱাই দিওঁ, শুই থাকাহি।"

কাপোৰৰ মোনাটো বিচাৰি হাতত লৈ মিহিৰ অলকাৰ লগে লগে ভিতৰৰ কোঠা এটালৈ সোমাই গ'ল। কণপায়ে ভাগকৈ বিচনাখন পাৰি থৈছিল। বে'চ শকত তোষক এখনৰ ওপৰত বগা চকচকীয়া বিচনা চাদৰ এখন পাৰি দিছে। গাৰুৰ গিলাপ কেটাও ধোৱাই ধোৱা, পৰিষ্কাৰ।

"তুমি এইখন বিচনাতে শুবা"। অলকাই ক'লে।

"আৰু তুমি?"

"কাষৰটোৱেই মোৰ শোৱা কোঠা। মই তাতে শুম।"

"মই তেনেহলে তোমাৰ কাষৰ কোঠাতহে শুব লাগিব, তোমাৰ কোঠাত নহয়?" বিচনাখনত বহি, মোনাটো একাষৰীয়াকৈ থৈ মিহিৰে ক'লে।

কিছু সন্দেহেৰে, কিছু কৌতূহলেৰে অলকাই মিহিৰৰ মুখৰ কালে চালে। আজিহে চিনাকি হোৱা অচিনাকী ডেকা এটাক নিজৰ শোৱাকোঠাত শুবলৈ দিব পাৰিনেকি?

অলকাই কলে, "আজি বহুত দিন মো়ৰ শোৱা কোঠাত অন্য কোনো মানুহ শোৱা নাই।"

"এইটো কোঠাত?"

"আলহী অতিথি শোৱে। শুভ্ৰা যেতিয়া মোৰ লগত আছিল, তেতিয়া তেওঁ এইখন বিচনাতে শুইছিল।"

"শুভ্ৰা ইয়াত শুইছিল?"

"কোনো ভয় নকৰিবা। মইতো তোমাৰ কাষৰ কোঠাটোতে শুম। কিবা দৰকাৰ হ'লে মোক মাতিবা।"

"তুমিতো সদায় অকলে শোৱা। কেতিয়াবা বাতি-বিয়লি হঠাৎ কিবা দৰকাৰ হ'লে তুমি কাক মাতা?"

"আজিলৈকে তেনেকুৱা দৰকাৰ হোৱা নাই। আজি যদি হয় তুমিতো আছা, তোমাকে মাতিম।"

মিহিৰে যেন আনন্দ পালে। ৰাতি কিবা দৰকাৰ হ'লে মোকেই মাতিব।

"তোমাক আৰু কিবা লাগিবনেকি? তুমি কানি-কাপোৰ সলোৱা, মই খৰৰ দুৱাৰ-দুৱাৰবোৰ মাৰিলেনে নাই চাই চিতি আহোঁ।"

কৈ অলকা কোঠাটোৰ পৰা ওলাই গ'ল।

অন্য দিনাৰ দৰেই অলকাই ঘৰটোৰ ভিতৰ বাহিৰ সকলো চালে। দুৱাৰবোৰ ভিতৰৰ পৰা বন্ধ কৰিলে। খিৰিকী দুখনমান খোলা আছিল। পৰ্দাবোৰ ভালকৈ টানি দিলে। তাৰ পিছত আকৌ মিহিৰৰ কোঠালৈ আহিল। এইবাৰ অলকা মিহিৰৰ ওচৰতে বিচনাখনতে বহিল।

"উপন্যাসখন কেতিয়া লিখি শেষ কৰিবা ?" অলকাই সুধিলে।

"উপন্যাস ? থাকিবলৈ দিয়া তোমাৰ উপন্যাস। উপন্যাসতকৈ মোৰ কাৰণে আজি তুমি বেছি সঁচা।"

মৰমলগা মাতেৰে অলকাই ক'লে, "মিহিৰ, আজি তুমি আহি পোৱাৰ পৰা তুমি আৰু মই অকণো স্বাভাৱিকভাৱে কথা পতা নাই। মই কথা পাতিছো—যেন এজন সাহিত্যিকৰ লগত পতাৰ নিচিনাকৈ, তুমি কথা পাতিছা যেন এজনী আৰ্টিষ্টৰ লগত কথা পতাৰ নিচিনাকৈ।"

"আৰুনো কেনেকৈ কথা পাতিম তুমি আৰু মই ?"

"আমি জানো এজনী ছোৱালী আৰু এটা ল'ৰা হিচাপে পাতিব নোৱাৰো ?"

"অৰ্থাৎ এজন পুৰুষ আৰু এজনী নাৰী হিচাপে ?" মিহিৰে সুধিলে।"

"ধৰা তেনেকৈয়ে।"

কিছুসময় মিহিৰ মনে মনে থাকিল। তাৰ পিছত ক'লে, দুজন শিল্পী আৰু সাহিত্যিক হিচাপেহে তোমাৰ আৰু মোৰ চিনাকি। তাৰ সীমা পাৰ হব পৰা নাই কাৰণেই আমি এনেকৈ কথা-বতৰা পাতিছো। এটা ল'ৰা আৰু এজনী ছোৱালী হিচাপে কথা পতাৰ ভাষা হৈছে ভাষাহীন নিৰৱতা।"

"শোৱা, মই যাওঁ—"

"এতিয়া ৰবাগে ?"

"আৰু নো কি কৰিম ?"

"তোমাৰ আৰু মোৰ মাজত এখন বেৰ আছে, এখন দুৱাৰ আছে। চিনেমা কৰোতেতো আমি আটাইবোৰ একোটা কোঠাতে আছিলো।"

"দুৱাৰখন মই বন্ধ নকৰো, খোলাই থাকিব শুই থাকা।"

অলকা এইবাৰ কোঠাটোৰপৰা ওলাই গ'ল। দুয়োটা কোঠাৰ মাজৰ দুৱাৰখন এনেই জপালে, শলখা নলগালে।

মিহিৰ বিচনাত পৰিল।

কিছুসময় অলকা চাপৰ চকীখনতে বহী থাকিল।

এইটো এটা তেনেই নতুন ঘৰ।

অলকা এজনী তেনেই নতুন ছোৱালী।

অলকাৰ জীৱন আৰম্ভ হৈছে।

অলকাৰ কোনো অতীত নাছিল।

আন্ধাৰ ৰাতিৰ এটা আমনিলগা ভয়াবহ দুঃস্বপ্ন শেষ হৈছে।

গাৰ কাপোৰবোৰ এটা এটাকৈ খুলি-খুলি অস্পষ্টভাবে অলকাই ভাবি গ'ল। অন্য দিনৰ দৰেই নাইটটো পিন্ধাৰ আগতে অলকাই কোঠাৰ ভিতৰৰ ডাঙৰ মিৰৰখনত নিজকে কিছুপৰ চাই থাকিল।

এইজনী এজনী বেলেগ ছোৱালী। এইজনী এজনী নতুন ছোৱালী। চকুত নতুন স্বপ্ন, শৰীৰৰ প্ৰতিটো অঙ্গত নতুন, কেঁচা জীৱনৰ স্পন্দন!

মিৰ' পাৰাৰৰ লাইটটো জ্বলাই ৰাখি, অলকাই বেছি পাৱাৰৰ লাইটটো নুমাই দিলে, আৰু বিচনাত পৰিল।

কাষৰ কোঠাত মোৰ দেহমনৰ সান্নিধ্য বিচৰা এজন ডেকা মানুহ শুই আছে। মাজৰ দুৱাৰখন এনেই বন্ধ কৰি থোৱা আছে। খিৰিকীৰে ভিতৰ সোমাই অহা কোমল বতাহজাকত কিবা অচিনাকি ফুলৰ গোন্ধ। লাইটৰ অনুজ্জ্বল পোহৰটোৱে কোঠাৰ ভিতৰখন ৰহস্যময় কৰি তুলিছে। কিবা এটা সঙ্কেত, কিবা এটা দোকমোকালি, কিবা এটা খুনুচুনি—কিবা এটা অস্পষ্ট গুঞ্জন.........

ঘড়িৰ কাটাত বাজিৰ মৃদু পদশব্দ। সময়ৰ ছন্দময় গতি।

অলকাই বুজিবৰ যত্ন কৰিলে তেওঁৰ টোপনি আহিছেনে নাই। মিহিৰৰ টোপনি আহিছেনে বাৰু? আহিবও পাৰে, দিনটোতো ক'তো জিৰণি লোৱা নাই।

চঊদিশৰ নিস্তব্ধতা গভীৰৰ পৰা গভীৰতৰ হৈছে। সেই নিস্তব্ধতাত বুকুৰ উশাহ-নিশাহৰ শব্দও শুনা যায়। মৃত্যুৰ দেশলৈ জীৱন আগবাঢ়ি যোৱাৰ জান-নেজান ধ্বনি, জীৱনৰ দেশলৈ চোৰৰ দৰে মৃত্যু হাতত-সাৱে, ভৰিত-সাৱে সোমাই অহাৰ কোমল কৰুণ শব্দ! কাৰোবাৰ জীয়া যৌৱনৰ বালিগড়া জুৰজুৰকৈ খহি যোৱাৰ শব্দ!

নিস্তব্ধতাৰ মাজত ইমান শব্দৰ অহাযোৱা!

অলকাৰ চকু মুদ খাই আহিছে, আৰু হাত-ভৰিবোৰ অৱশ লাগিছে। যেন কেইবা ঘণ্টা ধৰি কেইবাটাও নাচ নচাৰ পিছত ভাগৰে হেঁচা মাৰি ধৰিছে।

এতিয়ামানে মিহিৰৰ চাগৈ গভীৰ টোপনি আহিব পায়। সেইয়া মিহিৰৰ উশাহ-নিশাহৰ শব্দ! বেৰৰ সিপাৰৰ পৰা উটি আহিছে। গভীৰ, নিঃশঙ্ক, জীৱনৰ প্ৰতিশ্ৰুতিৰে ভৰা।

মিহিৰে চুৰাৰখন মেলিছেনেকি? মিহিৰ ভৰিৰ শব্দ নকৰাকৈ অলকাৰ বিচনাখনৰ কাষ চাপি আহিছেনেকি? মিহিৰে কুঁজা হৈ অলকাৰ মুখৰ কাষলৈ মুখখন আনিছেনেকি?

নিস্তব্ধতা।

"অলকা—" সৰু, অস্পষ্ট মাত।

"অলকা, মোক মাতিছিলা—?"

অলকাই চকু দুটা মেলি দিলে। হয়, মিহিৰ .ৰৈ আছে অলকাৰ বিচনাৰ কাষতে, অলকাৰ মুখৰ, কাষলৈ মুখখন নি, মিহিৰে অতি সৰু মাতেৰে মাতিছে—"অলকা—"

মাইটিটো পিন্ধি অলকা বিচনাত পৰি আছে ক্লান্ত শ্ৰান্তভাৱে। মিহিৰে যেন এটা সপোন দেখিছে। সি চকু আঁতৰাই আনিব পৰা নাই—অলকাৰ প্ৰায় উন্মুক্ত দেহাটোৰ পৰা।

"তুমি মোক কিয় মাতিছিলা অলকা?" আকৌ সুধিলে মিহিৰে।

"মই মাতিছিলোনেকি? ক'ব নোৱাৰো। মোৰ টিল্‌মিল্‌ টোপনি আহিছিল। বহা, এইখিনিতে বহা।"

অলকা অলপ আঁতৰি দিলে। বিচনাখনতে মিহিৰ বহিল।

"মোৰ তুমি মতা যেন লাগিল।"

"মাতিছিলো যদিও মই ক'ব নোৱাৰো।"

মিহিৰৰ হাত এখন নিজৰ হাতৰ মাজত লৈ অলকাই ক'লে, "মোৰ ভয় লাগিছে মিহিৰ, মোৰ বৰ ভয় লাগিছে।"

মিহিৰে অলকাৰ মুখলৈ চালে। মুখত ভয়ৰ কোনো চিন নাই।

"কালৈ ভয় লাগিছে? কিহলৈ ভয় লাগিছে?" নির্ভয় দিবৰ কাৰণেই যেন মিহিৰে সুধিলে।

কঁপা-কঁপা মাতেৰে অলকাই ক'লে "মোৰ তোমালৈ ভয় লাগিছে, মোৰ মোলৈ ভয় লাগিছে—মোৰ—"

অলকাই মিহিৰৰ হাতখন লাহে লাহে এৰি দিলে।

"মিছাতে ভয় খাইছা। মোৰ কাৰণে তোমাৰ কোনো ভয় কৰিবলগীয়া নাই। মই তোমাক ভাল পাওঁ—"

"তোমাৰ ভাল পোৱালৈ মোৰ বৰ ভয় লাগিছে মিহিৰ। মোৰ নিজলৈকো বৰ ভয় লাগিছে। তুমি মোৰ পৰা মোক ৰক্ষা কৰিব নোৱাৰিবা।"

এজনী সক ছোৱালীৰ গাত হাত বুলোৱাদি দৰে মিহিৰে অলকাৰ চুলিবোৰত আঙুলি বুলাই বুলাই ক'লে "তুমি জীৱনৰ লৈতে মুখামুখী হৈছা। সেয়ে ভয় খাইছা।"

অলকাই ক'লে, "জীৱনলৈ মোৰ বৰ ভয় লাগিছে। তুমি মোৰ কাষতে থাকা, সিটো কোঠালিলৈ গুচি নেযাবা। তোমালৈ মোৰ বৰ ভয় লাগিছে। হাতখন দি চোৱা মোৰ বুকুখন কেনেকৈ চপ্‌চপাইছে।"

মিহিৰে লাহে লাহে ক'লে, "জীৱনলৈ আমি সকলোৱে ভয় কৰো। নহলে আমি জীয়াই নেথাকিলোহেঁতেন।"

"তোমাৰ কিতাপৰ ভাষা এতিয়া মোক নকবা। মোৰ বৰ ভয় লাগিছে, মোৰ বৰ ভয় লাগিছে মিহিৰ—"

মিহিৰে একো নেমাতিলে। এই নিস্তব্ধ নিঃসঙ্গ ৰাতিটোৱে অলকাক এজনী ভয়ার্ত্ত সৰু ছোৱালী কৰি পেলাইছে। অলকাৰ ভয় লাগিছে — যৌৱনৰ জুমুমুৰা অগ্নিশিখালৈ ভয়, জীৱনৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ ভয়, নিজলৈ ভয়, মিহিৰলৈ ভয়। .........

এখাৰটা দিন আৰু এখাৰটা ৰাতি পাৰ হৈ গ'ল। ছুৰবা পৰিয়ালৰ প্ৰাচীন দালানটোলৈ জীৱনৰ উত্তাপ নামি আহিল। কোনো বাধা নাই, কোনো প্ৰতিবন্ধক নাই। ইয়াৰ মাজতে দুদিন একে লেঠাধৰিয়ে নেকনেকিয়া বৰষুণ দিলে। অলকা আৰু মিহিৰ ঘৰৰ ভিতৰতে সোমাই থাকিল, কলৈকো ওলাই নগ'ল। মিহিৰে অলকাৰ মুখৰ পৰা নিজৰ অতীত জীৱনৰ কিছুমান কাহিনী শুনিলে, অলকাৰ ফটোথকা এলবামবোৰ চালে, অভিনন্দন পত্ৰবোৰ পঢ়ি চালে, অলকাৰ নৃত্য আৰু অভিনয়ত মুগ্ধ, অভিভূত হোৱা কোনো অচিনাকি ল'ৰা-ছোৱালীৰ প্ৰেম মেইলবোৰ পঢ়িলে। শুভ্ৰাৰ দুটামান গানৰ ৰেকৰ্ড শুনিলে। আৰু বৰ অন্তৰঙ্গভাৱে ইজনে সিজনৰ কথাবোৰ মনোযোগেৰে আৰু কেতিয়াবা অন্যমনস্কভাৱে শুনিলে। মাজে-মাজে মিহিৰে আধা লিখা কিবা উপন্যাস এখনৰ কিছু লিখিলে, বৰ বেছি লিখিব নোৱাৰিলে। লিখিবলৈ ললেই মিহিৰৰ বয়স অকলশৰীয়া হৈ পৰা যেন লাগে। তেতিয়া অলকা আহি দিয়ে। লিখা বন্ধ কৰি মিহিৰ আহি অলকাৰ লগত কিবা আলোচনা কৰাত ধৰে। ঘৰটোৰ ভিতৰৰ নিৰৱতা ভঙ্গ হয়।

সাহিত্যিক, কথাছবিৰ কাহিনী লিখক মিহিৰ দত্ত এনেকৈ অলকা ছুৰবাৰ শিল্পী অলকা ছুৰবাৰ ঘৰত থকাটোত কোনোৱে একো অস্বাভাৱিকতা নেদেখে, কোনোৱে কোনো কৌতূহলো অনুভৱ নকৰে।

এখাৰটা দিন, এখাৰটা ৰাতি।

অলকা আৰু মিহিৰ।

সমাজলৈ অলকাৰ ভয় নাই। জীৱনলৈ ভয়। মিহিৰ ব্যস্ত তাৰ জীৱনৰ সন্ধানত, উপলব্ধিৰ মূল্য অন্বেষণত। এটা ঘৰবাৰী নোহোৱা, সংস্থান

নোহোৱা, ছুসাজ ভাল কাপোৰ কানিও নোহোৱা ডেকা ল'ৰা— কল্পনা-প্ৰৱণ, তথাপি কল্পনাক প্ৰশ্ৰয় দিবলৈ প্ৰস্তুত নহয়। অভাৱগ্ৰস্ত, অথচ অভাৱক স্বীকাৰ কৰিবলৈ প্ৰস্তুত নহয়। ভাৱপ্ৰৱণ এক ডেকা, নিজৰ ৰচনা কৰা অনুভূতিৰ বেষ্টনৰ মাজত বন্দী।

সেইদিনা অলকাই সামান্য অসুস্থ অনুভৱ কৰিছিল। অসুখ নহয় — অলপ চৰ্দি জ্বৰ। গাত অলপ তাপ আছে। এনেকৈ কেতিয়াবা অসুখ হ'লে অলকাই বৰ অসহায় অনুভৱ কৰে। তেওঁ এজনী আজাৰ বিচৰা সৰু ছোৱালী যেন হৈ পৰে। তেতিয়া কাষত বহি কোনোবাই আলপৈচান ধৰি নেথাকিলে বৰ অকলশৰীয়া যেন বোধ কৰে।

মিহিৰ গ'ল ডাক্তৰ আহমদক মাতি আনিবৰ কাৰণে। অলকাহঁতৰ পৰিয়ালৰ অসুখ-বিসুখত তেঁৱেই চোৱা-চিতা কৰে।

এখন পাতল চাদৰেৰে গাটো ঢাকি অলকা বিচনাত পৰি আছিল। পিয়নে এখন চিঠি দি গ'ল। চিঠিখন খুলি অলকাই পঢ়ি চালে। এইখন গৌতম তুলৰাৰ চিঠি— কাহানিবাই লিখা। তেওঁৰ কাগজপত্ৰৰ মাজত পাই ডাক যোগে পঠিয়াই দিছে। লগতে এটা পাছবুক।

"মৰমৰ অলকা,

কালি তুমি অভিনয় কৰা ছবিখন চালোঁ। তোমাৰ অভিনয় ভাল হৈছে। বাইজে ছবিখন ভাল পাব যেন লাগিছে। আৰু কিমান ছবিত অভিনয় কৰিবৰ কাৰণে কনট্ৰেক্ট কৰিছা মই নেজানো। অভিনয় জীবন নহয়। অভিনয় কৰি আমনি লাগিলে, জীৱনলৈ ঘূৰি আহিবৰ চেষ্টা কৰিবা। তেতিয়া মই নেথাকিবও পাৰো। সেইদিনা — যিদিনা অভিনয় জগতৰ পৰা জীৱনৰ মাজলৈ ঘূৰি আহিবা, তেতিয়া হয়তো আজিৰ হেজাৰ হেজাৰ দৰ্শকক লগ নেপাবাহি। তেতিয়া হয়তো তোমাক মইহে বিচাৰিম। আৰু তুমিও হয়তো কেৱল মোকে পাবাহি। যদিহে

ইণ্ডিয়াতে থাকো। তোমাৰ নামত বেংকত কিছু টকা থৈছো। এই চিঠি লগতে পাছবুকটোও আছে। প্ৰয়োজন হলে এই টকা খৰচ কৰিবা। এই টকা তোমাৰ, কেৱল তোমাৰ।

আশা কৰো। কুশলে আছা।

[illegible] তোমাৰ

গৌতম।"

পাছবুকটোত অলকাৰ নামত কিমান টকা আছে খুলি চাবলৈ অলকাৰ বৰ ভয় লাগিল।

পদূলি মুখত এখন গাড়ী ৰ'লহি। তাৰপৰা নামি আহিল শুভ্ৰা, উৎপল চৌধুৰী আৰু আফতাব আহমদ।

চিঠি আৰু পাছবুক গাৰুৰ তললৈ সুমুৱাই অলকা বিচনাতে বহিল।

"গা ভাল নহয় নেকি বাইদেউ?" সোমোৱাৰ লগে লগে শুভ্ৰাই সুধিলে।

"আহক। ভালেই আছো। অলপ চৰ্দি জ্বৰ হৈছে। এখেত?"

"আফ্‌তাব আহমদ। আমাৰ এখন নতুন ছবিৰ প্ৰযোজক।"

অলকাই নমস্কাৰ জনালে। আফ্‌তাবেও নমস্কাৰ দিলে। তিনিও বহিল।

"আপুনি অকলে অকলে যে কেনেকৈ ঘৰটোত সোমাই আছে"। উৎপল চৌধুৰীয়ে ক'লে।

"শুভ্ৰা, কণপাই আছেনে ভিতৰত চোৱাচোন চাহ কৰিবলৈ কোৱা।"

আফ্‌তাবে বিনয়েৰে ক'লে, "হুৱচোন চাহ। আমি খাই আহিছো। এটা কথাৰ কাৰণে আহিছো। আমি এখন নতুন ছবি কৰিবলৈ হাতত লৈছো। হিৰ'ইনৰ পাৰ্টটো শুভ্ৰাক দিয়া হৈছে। পাৰিব নেকি জানো? শুভ্ৰাৰ মাকৰ পাৰ্টটোৰ কাৰণে আমি আপোনাক

লম বুলি ভাবিছো। বৰ বেছি একটিং কৰিব নেলাগিব। বিচনাতে পৰি থকা শুভ্ৰাৰ বেমাৰী মাকৰ পাৰ্টটো কৰিব লাগে। সকলোৱে কৈছে। আপোনাৰ বাহিৰে সেইটো পাৰ্ট ভালকৈ কৰিব পৰা অন্য আৰ্টিষ্ট আৰু কোন আছেনো ?"

অলকাই আফ্‌তাবৰ মুখলৈ একো নুবুজাৰ দৰে চালে।

শুভ্ৰা নায়িকা! মই বিচনাত পৰি থকা শুভ্ৰাৰ বেমাৰী মাক! চুলিবোৰ পকা, মুখখন সোতোৰা-সোতোৰ, বং ঘহি দাঁতবোৰো সৰা যেন কৈ মেক-আপ কৰিব লাগিব। মাতটো কঁপা কঁপা, ভগা। খোজ লৰক-ফৰক!

ভিতৰৰ পৰা ওলাই আহি শুভ্ৰাই ক'লে, "কণপাই কোনোবা ফালে গৈছে হ'ব পায়, ভিতৰত নাই। ময়ে চাহ কৰিম নেকি ?"

"পাৰা যদি কৰাগৈ—" অলকাই ক'লে, "ক'ত কি আছে জানিবা নহয় ?"

একো নকৈ শুভ্ৰা ভিতৰলৈ গ'ল।

আফ্‌তাবে ক'লে, "মিহিৰ দত্তক চিনি পায় কিজানি—লিখক যে। তেওঁৰে কাহিনী। তেওঁৰ মতে ছবিখনৰ কাহিনীটো প্ৰচলিত জনপ্ৰিয় কথাছবিৰ কাহিনীৰ নিচিনা নহব, নায়িকা নায়িকা নহয়, নায়কো নায়ক নহয়। ঘটনাও ঘটনা নহয়। একালে কাল, প্ৰকৃতি আৰু অখণ্ডনীয় বিশ্বইচ্ছা বা ঈশ্বৰ, আনফালে সেইবোৰ শক্তিৰ লগত যুজা সৰু সৰু কিছুমান মানুহ। এইবোৰ মোৰ কথা নহয়। এইবোৰৰ অৰ্থ মই নুবুজো। এইবোৰ মিহিৰ দত্তৰ কথা।"

উৎপল চৌধুৰীয়ে ক'লে, "ময়ো ভালকৈ নুবুজো এইবোৰ কথা। এন্টি-হিৰ'ইন, ছুৰেল নে মাল্‌টিপল্ পাৰ্চনেলিটি,—কিবা তেনেকুৱা কথা দেখুৱাবৰ চেষ্টা আছে ছবিখনত। শুভ্ৰাক কৈছে, কি কৰিব পাৰিব

মই ক'ব পৰা নাই। আপোনাৰ বিষয়ে অৱশ্যে আমাৰ বিন্দুমাত্ৰও সন্দেহ নাই। আপোনাৰ বয়স আৰু অভিজ্ঞতাই শুভ্ৰাৰ বেমাৰী মাকৰ পাৰ্টটো কৰাত সহায় কৰিব। এজনী গাভৰু ছোৱালীয়ে সেইটো পাৰ্ট কেতিয়াও কৰিব নোৱাৰে। আপোনাৰ চেহেৰাপানী অৱশ্যে এজনী গাভৰু ছোৱালীৰ নিচিনাই হৈ আছে। কিন্তু আপোনাৰতো অৰু নায়িকাৰ, মানে হিৰ'ইনৰ পাৰ্ট কৰাৰ বয়স নাই—নহয় জানো?"

ডাক্তৰক লগত লৈ মিহিৰ দত্ত বিশ্ৰামখনৰপৰা নামি আহিল।

"অ' আপোনালোক দেখোন! কেতিয়া আহিল?" মিহিৰে ক'লে।

"আপুনি মোৰ কোঠালৈকে আহক—" অলকাই ক'লে।

ডাক্তৰ, আহমদ আৰু অলকা ভিতৰলৈ সোমাই গ'ল

"কি হৈছে?" ডাক্তৰ আহমদে সুধিলে।

"চৰ্দি জ্বৰ। পিছে গাটো বৰ বিষাইছে। ভোকো নোহোৱা হৈছে—" অলকাই ক'লে।

"নাচ-চাচ কৰা মানুহে সেইবোৰ কৰিবলৈ এৰি দিলে গাৰ বিষ-চিষ হয়েই। আৰু চৰ্দি কাহ এই সময়ত বহুতৰে হৈছে। ফাগুন মাহ গলেই কিজানি। বসন্ত ঋতু শেষ হৈ আহিছেতো। এনেকুৱা সময়ত অসুখ-বিসুখ হয়েই। বয়সৰ প্ৰশ্নওতো আছে। জীয়াই থাকিলে, বয়সৰ কিছু প্ৰিমিয়াম নিদিলেওতো নচলে।"—অলকাৰ জ্বৰ জুখি, থাৰ্মমিটাৰডাল চকুৰ আগত লৈ চাই চাই ডাক্তৰ আহমদে কৈ গ'ল।

"মুখখন তিতা তিতা লাগি আছে—"অলকাই ক'লে।

"অলপ তিতা লাগিবই। কিন্তু টেম্পাৰেচাৰ বেছি নাই। মই দাবাই পঠিয়াই দিম। নিয়মমতে কেইপালিমান খালেই ভাল হৈ যাব।

টোপনিও ভাল হোৱা নাই হ'বলা। এই বয়সত নিয়মীয়া টোপনিৰ বৰ দৰকাৰ।" ডাক্তৰ আহমদে ক'লে।

"টোপনি মোৰ সদায় অনিয়মীয়া।"

"প্রফেছনটোৱেইতো তেনেকুৱা। নচা মানেই টোপনি খতি। এতিয়াতো আৰু নাচ গান নকৰা। এতিয়া শোৱাত নিয়মীয়া হোৱাতেতো অসুবিধা নাই।"

ডাক্তৰ আহমদ গ'লগৈ।

অলকা আহি উৎপল চৌধুৰীহঁতৰ লগত বহিলহি।

"ডাক্তৰ আহমদে কি ক'লে বাইদেউ?" মিহিৰে সুধিলে।

অলকাই যেন মিহিৰৰ মুখত 'বাইদেউ' সম্বোধনটো শুনি উচপ খাই উঠিল।

"বিশেষ একো কোৱা নাই। ঔষধ পঠিয়াই দিব।

জ্বৰ বেছি নাই বুলি কৈছে।"

শুভ্ৰা আৰু কণপায়ে মিলি চাহ উলিয়ালে। ভাত খোৱা কোঠাতে চাহ-তাহ দিলে। শুভ্ৰাহঁতে মিঠাই আনিছিল। ঘৰতো বিস্কুট আৰু কিবাকিবি আছিল।

চৌধুৰীহঁতৰ লগতে অলকাও চাহৰ মেজত বহিলহি, কিন্তু তেওঁ একো নাখালে।

"আপোনালোকে খাওক। মোৰ একো খাবৰ মন যোৱা নাই।" অলকাই কলে।

"মিহিৰক যে আমি বিচাৰিয়ে আছোঁ। এওঁ যে আহি আপোনাৰ ইয়াত সোমাই আছেহি ক'বই নোৱাৰো। এটা খবৰ দিওকো আহিব পাৰা।" উৎপল চৌধুৰীয়ে ক'লে।

"ইয়ালৈ আহিছোঁ বুলি কাৰোবাক খবৰ দিয়া হ'লে আৰু অহাই নহ'লহেঁতেন। মাজে মাজে এচ্কেপ নকৰিলে, মানে নপলালে নচলে। মানুহৰ পৰাও পলাবলগীয়া হয়। নহয়নে বাইদেউ ?" সন্মুখতে থকা অলকাৰ ফালে চাই মিহিৰে ক'লে।

অলকাই শুকান ওঁঠ দুটাত এটা কৰুণ হাঁহিৰ ৰেখা টানি ক'লে, "মইনো সেইবোৰ কি বুজো ? মই কাহানিও পলোৱা নাই। মই মানুহৰ পৰাও নপলাও. জীৱনৰ পৰাও পলাব নেজানো —।"

হাঁহি আৰু তাৰে ক'লে, 'পলোৱা পলুইবোৰ নকৰিবা। নিজৰ কাহিনীৰ নিজে নায়ক। নায়িকা শুভ্ৰা চৌধুৰী। তোমালোক আৰু এখেত বাইদেউৰ ওপৰতে আমাৰ ছবিখনৰ সাফল্য নিৰ্ভৰ কৰিছে।"

"নায়ক মিহিৰেই নেকি ?" গাত নলগা ধৰণে অলকাই সুধিলে।

"নায়ক নহয়, এন্টি-নায়ক। মোৰ জানো হিৰ' হোৱাৰ চেহেৰা আছে ? অৱশ্যে বাইদেউৰ ইয়াত এই কেইদিন যিদৰে খালো, থাকিলো, সেইদৰে খাব থাকিবলৈ পালে, কিছুদিনতে নায়কৰ চেহেৰা বনাব পাৰিম।"—মিহিৰ উৎফুল্ল।

উৎপল চৌধুৰীয়ে ক'লে, ' তুমি ইয়ালৈ চেহেৰা বনাবলৈ আহিছিলা, নে উপন্যাস লিখিবলৈ আহিছিলা ?"

"এচ'্কেপ কৰিবলৈ —" মিহিৰে হাঁহি ক'লে।

আৰু তাৰে ক'লে, "মিহিৰে আমাৰ লগতে ওলোৱা বহুত কাম আছে। বাইদেউৰ গা ভাল নাই। লাগিলে শুভ্ৰায়েই ইয়াত দুদিনমান থাকক। অসুবিধা হবনেকি ?"

শুভ্ৰাই ক'লে, "মইতো কেইদিনমান থাকিম বুলিয়ে আহিছোঁ। আগেও তো আছিলো।"

অলকাই ক'লে, "তোমালোকৰ কাম আছে যদি শুভ্ৰা এতিয়া নেলাগে থাকিব। কণপাই আছে নহয়।"

উৎপল চৌধুৰীয়ে ক'লে, "নহয়, নহয়, শুভ্ৰা থাকক। মিহিৰে নতুনকৈ লিখা গান দুটামান শুভ্ৰাই শিকিছে। আপুনিতো শুভ্ৰাৰ গান ভাল পায়। কেতিয়াবা গাই শুনাব।"

"তেনেহলে, অসুবিধা নহয় যদি শুভ্ৰা থাকা। মিহিৰো নেথাকা জানো?" অলকাই ক'লে। তাৰ পিছত ক'লে, "আপোনালোকে ইয়াতে ভাত খাই যাব। সময়তো যথেষ্ট হ'ল।"

"নহয় আমি যাবেঁই। আপোনাৰ গা ভাল নাই। আপো-নাক আৰু আমনি নকৰো। আপুনি যদি বেয়া নেপায় কন্ট্ৰেক্টখন আজিয়ে চহী কৰাই লৈ যাওঁ। আপুনি বৰ বেছি কষ্ট কৰিব নেলাগে। সৰু পাৰ্ট। বেমাৰী বুঢ়ী এজনীৰ পাৰ্ট। টেইলৰ মে'ড বুলিয়ে ধৰক—আপোনাৰ কাৰণে—"

ব্যৱসায়ী মুখটো লুকুৱাই ৰাখি বিনয় আৰু সৌজন্যেৰে আৰু ভাবে ক'লে। আৰু এটাচী কে'চটো খুলি কন্ট্ৰেক্ট ফৰ্মখন অলকাৰ সন্মুখত মেলি ধৰিলে।

জেপৰ পৰা কাউণ্টেনটো উলিয়াই অলকালৈ আগবঢ়াই দি উৎপল চৌধুৰীয়ে হাঁহি ক'লে, "আপোনাৰ কাৰণে কন্ট্ৰেক্ট চহী কৰা-নকৰা একে কথা। তথাপি নিয়ম ৰক্ষা কৰিব লাগেতো। ওঁ, এই-খিনিতে চহী কৰি দিয়ক।"

অলকাৰ অলপ অলকতবক লগা যেন লাগিছিল। চকুহুটা এবাৰ মোহাৰি লৈ অলকাই দেখুৱাই দিয়া ঠাইতে চহীটো কৰিলে। — 'অলকা।'

"পুৰা নামটো নিদিলে?"

"হ'ব—"। 'চৌধুৰী' অথবা 'তুৰবা' লিখাৰ কোনো প্ৰয়োজন অলকাই অনুভৱ নকৰিলে।

কাগজপত্ৰ সামৰি লৈ খৰখেদা কৰি আফ্‌তাব আৰু উৎপল চৌধুৰীয়ে বিদায় ললে।

"ময়ো যাওঁ বাইদেউ—" অনুমতি লোৱাৰ ধৰণে নহয়, কথাষাৰ কেৱল জনাবৰ কাৰণে কোৱাৰ দৰে মিহিৰ দত্তই ক'লে।

অলকাই কোনো উত্তৰ নিদিলে। সেমেকা চকু হালেৰে এবাৰ মিহিৰৰ ফালে চালে। মিহিৰে তাৰ মোনাটো কান্ধত ওলোমাই ললে।

মইতো মোৰ যৌৱনৰ মৃত্যু-পৰোৱানাত নিজ হাতে চহী কৰি দিলো। এতিয়া যি যলৈ যাব খোজা যাব পাৰা। মোৰ ঘৰত আৰু তোমালোকৰ কোনো প্ৰয়োজন নাই—অলকাই ভাবিলে, মুখেৰে একো নকলে।

উৎপল চৌধুৰী, মিহিৰ দত্ত আৰু আফ্‌তাব হুছেইন লাহে লাহে ওলাই গ'ল।

অলকাই সেইফালে চাই বহাতে বহি থাকিল। তেওঁৰ চকু হুটা ওপত লোতকেৰে ভৰি পৰিছিল। তেওঁ সন্মুখৰ পৃথিবীখন অস্পষ্ট আৰু ধুৰঁলি-কুঁৱলী যেন দেখিছিল।

জীৱনৰ এচৰত মই সম্পূৰ্ণ হাৰি গৈছো। মই অলকা চৌধুৰী নহয়, অলকা তুৰবা নহয়, মই এজনী ৰূপ-যৌৱন শেষ হোৱা বেমাৰী বুঢ়ী,—অকলশৰীয়া, দুৰ্ব্বল, অসহায়।

মূৰটো ঘূৰুৱা যেন লাগিছিল অলকাৰ। জ্বৰ বেছিকৈ উঠিছেনেকি? বুকুখন বিষাইছে হাঁওফাঁওৰ খাল লাগিছে। বহি থকাৰ পৰা উঠি বিচনালৈ যাবলৈকো যেন অলকাৰ গাত শক্তি নোহোৱা হৈছে।

হাতত পানী এগিলাচ আৰু ঔষধৰ বড়ি এটা লৈ শুভ্ৰা আহি অলকাৰ ওচৰতে বহিলহি।

"পিল এটা খাই লওক বাইদেউ—" শুভ্ৰাই কলে।

বড়িটো হাতত লৈ এনেয়ে অলকাই সুধিলে, "বড়িটো বৰ তিতা নেকি বাৰু?"

"ঔষধনো ক'ত মিঠা হয়—?"

বড়িটো খাই অলকাই ক'লে "মই বিচনালৈকে যাওঁ। বহি থাকিবলৈ টান লাগিছে। মিহিৰে কি নতুন গান লিখিছে?"

"সুৰ দিয়াই নাই। মই এনেয়েহে গাই চাইছো"।

শুভ্ৰা খিৰিকীখনৰ কাষলৈ গ'ল, আৰু বাহিৰৰ ফালে চাই গুণ গুণাই গালে:—

অ' অপৰাজিতা,
কোনে জ্বলালে তোৰ ফুলনিত
ফুল ফাগুণৰ চিতা।
অ' অপৰাজিতা!.........

অলকাৰ অসহ্য লাগিল।

তেওঁ বহাৰ পৰা উঠিল আৰু নিজৰ কোঠালৈ সোমাই গ'ল। তেওঁ বিচনাখনত শুই গাৰুত মুখ গুজি পৰি থাকিল।

সৰ্ সৰ্ কৰে তেওঁৰ চকুৰ পৰা তপত চকুলো বৈ আহিল। তেওঁ বাধা দিব নোৱাৰিলে। অলকাৰ বুকুভঙা উচুপনিৰ শব্দ কোনোৱে নুশুনিলে। শুনোতা কোনো নাছিল।